www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জুইয়ে শুকান খৰি পুৰি ছাৰখাৰ কৰাৰ দৰে ঈৰ্ষায়ো সকলো ভাল কাম নষ্ট কৰি পেলায়। — হজৰত মহম্মদ

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

▫ষষ্ঠ বছৰ ▫সংখ্যা - ২০১ ▫ শুকুৰবাৰ ▫২৬ ছেপ্টেম্বৰ, ২০২৫ চন ▫১০ আহিন, ১৯৪৭ শক ▫VOL - 6 ▫NO.- 201 ▫Friday ▫26th September, 2025 ▫মূল্য ঃ ১০.০০ টকা ▫মুঠ পৃষ্ঠা ঃ ৮

ভাগ্য নিৰ্ণয় হ'ব ৪০টা পৰিষদীয় সমষ্টিৰ ৩১৬ গৰাকী প্ৰাৰ্থীৰ

## আজি বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগণনা




**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ** বড়োলেণ্ড প্ৰাদেশিক অঞ্চল পৰিষদ (বিটিচি)ৰ নিৰ্বাচনৰ ভোটগণনা শুকুৰবাৰে পুৱা ৮ বজাৰ পৰা আৰম্ভ হ'ব। এই ভোটগণনাৰ জৰিয়তে ▸▸৬ পৃষ্ঠাত

### 'জয় জুবিন দা' বুলি চিঞৰি ব্ৰহ্মপুত্ৰত জাঁপ এজনৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ** জালুকবাৰীৰ পুৰণি শৰাই ঘাট দলঙত এক হৃদয়বিদাৰক ঘটনা ▸▸৬ পৃষ্ঠাত

জুবিনৰ মৃত্যুক লৈ শ্যামকানু মহন্তৰ নতুন ভিডিঅ' বাৰ্তা

## জুবিন সিমান অসুস্থ নাছিল !

টিআৰপিৰ বাবে ভুৱা প্ৰচাৰ চলোৱাৰ অভিযোগ শ্যামকানুৰ

**ডিজিটেল সংবাদ, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত নৰ্থ ইষ্ট ▸▸৬ পৃষ্ঠাত



অসম সাহিত্য সভাৰ উদ্যোগ

### জুবিন গাৰ্গৰ ৰচনা সমগ্ৰ তিনিটা ভাষাত প্ৰকাশৰ পৰিকল্পনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ অকাল মৃত্যুৱে সমগ্ৰ অসমক শোকত ডুবাইছে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে হৃদয়ত স্থান লাভ কৰা এই শিল্পীৰ বিদায়ৰ ক্ষণ এতিয়াও সতেজ। এই পৰিপ্ৰেক্ষিতত অসম সাহিত্য সভাই জুবিনৰ স্মৃতিক চিৰস্থায়ী কৰাৰ লক্ষ্যে তেওঁৰ সমগ্ৰ ৰচনা অসমীয়া, ▸▸৬ পৃষ্ঠাত

গুৰুতৰ অপৰাধমূলক গাফিলতি বা পূৰ্ব পৰিকল্পিত ষড়যন্ত্ৰ বুলি সন্দেহ ৰাজ্যবাসীৰ

# জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত প্ৰতিবাদমুখৰ ৰাজ্য

▪ শ্যামকানু-সিদ্ধাৰ্থক গ্ৰেপ্তাৰৰ দাবীত প্ৰতিবাদত জুবিন অনুৰাগী ▪




**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ অকাল মৃত্যুৱে এতিয়া শোকাহত কৰি ৰাখিছে ৰাজ্য। এই গোচৰৰ তদন্ত অব্যাহত ৰখা হৈছে যদিও মৃত্যুৰ তদন্তৰ দাবীত প্ৰতিবাদমুখৰ হৈ পৰিছে ৰাজ্য। এই সন্দৰ্ভত ছাত্ৰ সন্থাই বুধবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এই সম্পৰ্কত এখন জৰুৰী চিঠি ▸▸৬ পৃষ্ঠাত

ইনষ্টাগ্ৰামৰ বিবৃতিতে শেষ কৰিলে দায়িত্ব



### জুবিনৰ মৃত্যু সন্দৰ্ভত মৌন ছিংগাপুৰ অসম এছ'চিয়েচন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ ▸▸৬ পৃষ্ঠাত

এছ আই টি আৰু চি আই ডিৰ অভিযান

## শ্যামকানু-সিদ্ধাৰ্থৰ বাসগৃহ ছীল

### জব্দ বহু গুৰুত্বপূৰ্ণ নথি -সহ মোবাইল-লেপটপ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** গীতানগৰৰ কাৰ্বি পথস্থিত শ্যামকানু মহন্তৰ বাসগৃহত আৰক্ষীৰ এক বৃহৎ দলৰ সৈতে বিশেষ তদন্তকাৰী দল (এছ আই টি) আৰু অপৰাধ তদন্ত বিভাগৰ (চি আই ডি) সদস্যই অভিযান চলাইছে। এছ আই টিৰ মুখ্য ▸▸৬ পৃষ্ঠাত

শেখৰৰ বাসগৃহত এছআইটিৰ তালাচী অভিযান

## জুবিন গাৰ্গৰ মৃত্যুকাণ্ডৰ অভিযুক্ত শেখৰজ্যোতি গোস্বামীক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত নাম সাঙোৰ খোৱা প্ৰথম অভিযুক্ত শেখৰ জ্যোতি গোস্বামীক গাড়ীগাঁৱৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে। বিশেষ তদন্তকাৰী দলৰ (এছ আই টি) অভিযানৰ অন্তত বাদ্যযন্ত্ৰ শিল্পী শেখৰ জ্যোতিক ▸▸৬ পৃষ্ঠাত

ধীৰেণপাৰাস্থিত সিদ্ধাৰ্থ শৰ্মাৰ বাসগৃহৰ সমুখত উত্তপ্ত পৰিস্থিতি

## জুবিনৰ মৃত্যুৰ ন্যায় বিচৰা প্ৰতিবাদকাৰীক লাঠিচালনা; ভিক্টৰ দাস, অজয় ফুকনক গ্ৰেপ্তাৰ




**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ** ধীৰেণপাৰাস্থিত সিদ্ধাৰ্থ শৰ্মাৰ বাসগৃহৰ সমুখত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টিৰ পাছত আৰক্ষীয়ে ভিক্টৰ দাস আৰু অজয় ফুকন নামৰ দুজনক গ্ৰেপ্তাৰ কৰিছে। অপৰাধ তদন্ত বিভাগৰ (চি আই ডি) দল এই বাসগৃহৰ পৰা ওলাই যোৱাৰ ▸▸৬ পৃষ্ঠাত

শ্যামকানু মহন্তক ফেষ্টিভেল মহন্ত আখ্যা সৃজনীৰ

## জুবিন মোৰ কাৰণে মাত্ৰ এটা পণ্য সামগ্ৰী

### শ্যামকানু মহন্তক লৈ ভতিজী সৃজনী ভাস্ব মহন্তৰ বিস্ফোৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ** নৰ্থইষ্ট ফেষ্টিভেলৰ মূল উদ্যোক্তা শ্যামকানু মহন্তৰ বিৰুদ্ধে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ পিছত ৰাইজৰ তীব্ৰ ক্ষোভ প্ৰকাশ পাইছে। ৰাইজৰ অভিযোগ, শ্যামকানুৱে নিজৰ ব্যৱসায়িক লাভৰ ▸▸৬ পৃষ্ঠাত



### টাৰচেম মিট্টালৰ বিৰুদ্ধে শিৱসাগৰত এজাহাৰ দাখিল

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত জড়িত থকাৰ সন্দেহত টাৰচেম মিট্টালৰ বিৰুদ্ধে শিৱসাগৰ থানাত এজাহাৰ দাখিল কৰা হৈছে। জুবিন ▸▸৬ পৃষ্ঠাত

## নিশাৰ অন্ধকাৰত কাটি তহিলং দীঘলীপুখুৰীৰ গছ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ অকাল মৃত্যুৰ শোকৰ মাজতে অসম চৰকাৰৰ এটা সিদ্ধান্তই পুনৰ বিতৰ্কৰ সৃষ্টি কৰিছে। ▸▸৬ পৃষ্ঠাত



জুবিন গাৰ্গৰ মৃত্যুক লৈ ৰাজনীতিৰ অভিযোগ

## মন্ত্ৰী পীযুষ হাজৰীকাক 'মাছ বেপাৰী' বুলি NSUIৰ কটাক্ষ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ শোকত সমগ্ৰ ৰাজ্য ম্ৰিয়মাণ হৈ থকাৰ সময়ত ▸▸৬ পৃষ্ঠাত

জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি বিতৰ্কত চৌহদ; উপাচাৰ্যৰ পদত্যাগৰ দাবী

## তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ বিৰুদ্ধে দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পিছত তেজপুৰ বিশ্ববিদ্যালয়ত তেওঁৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিস্থিতিয়ে উত্তপ্ত ৰূপ ধাৰণ কৰিছে। ছাত্ৰ-ছাত্ৰী আৰু ▸▸৬ পৃষ্ঠাত





# ডুমডুমাত বৃহৎ স্বাস্থ্য মেলাত সাংসদ প্ৰদান বৰুৱা

## ১৮ অনুৰ্দ্ধৰ ৰোগীসকলৰ উন্নত চিকিৎসাৰ ব্যৱস্থা চৰকাৰে কৰিব ঃ মন্ত্ৰী ৰূপেশ গোৱালা




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৫ ছেপ্টেম্বৰ ঃ** চলিত 'সেৱা সপ্তাহ'ৰ সৈতে সংগতি ৰাখি আয়োজন কৰা বিধানসভা সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্য মেলাৰ তিনিচুকীয়া জিলাৰ প্ৰথমটো শিবিৰ আজি ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰূপাই চাইডিঙত সুচাৰুৰূপে অনুষ্ঠিত হয়। ৰূপাই চাইডিঙৰ অসমীয়া বালিজান গাঁওস্থিত ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এই শিবিৰ উপলক্ষে আয়োজিত বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই কয় যে, এয়া কোনো সাধাৰণ স্বাস্থ্য শিবিৰ নহয়। ইয়াত ১৮ বছৰৰ অনুৰ্দ্ধৰ লোকৰ বাবে ৫৯বিধ ৰোগৰ সকলো ধৰণৰ পৰীক্ষা-নিৰীক্ষা, বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ আৰু ঔষধ লাভ কৰাৰ উপৰিও প্ৰয়োজন সাপেক্ষে উন্নতৰ চিকিৎসাৰ বাবে আন হস্পিটাললৈ প্ৰেৰণৰ ব্যৱস্থাও কৰা হ'ব। তাৰ সম্পূৰ্ণ ব্যৱস্থা চৰকাৰে বহন কৰিব। গতিকে স্বাভাৱিকতেই ৰাজ্যত প্ৰথমবাৰলৈ আয়োজিত এনে বৃহৎ স্বাস্থ্য মেলাৰ জৰিয়তে ৰাইজ যথেষ্ট পৰিমাণে উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে কেবিনেট মন্ত্ৰীগৰাকীয়ে। মন্ত্ৰী গোৱালাই লগতে কয় যে আজি দায়িত্ব আৰম্ভহে হৈছে। কাৰণ আজি বেমাৰটো diagnosis হ'ব, screening হব। ইয়াৰ পিছত যাক যেনেকৈ য'ত নি চিকিৎসা কৰাব লাগে সেয়া সম্পূৰ্ণ আমাৰ চৰকাৰে কৰিব। কাৰোবাক যদি এএমচিএইচ, জিএমচিএইচত নিব লাগে, আনকি কাৰোবাক যদি এইমচলৈও নিব লাগে, নিয়া হব বুলি কৈ ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। এই বৃহৎ স্বাস্থ্য মেলাৰ জৰিয়তে যাতে প্ৰতিগৰাকী ১৮ অনুৰ্দ্ধৰ শিশু তথা কিশোৰ-কিশোৰীয়ে ৰোগ পৰীক্ষা কৰাৰ সুবিধা লাভ কৰে সেয়া সুনিশ্চিত কৰিবলৈ আশাকৰ্মী, অংগনবাড়ী কৰ্মী-সহায়িকা আৰু নিৰ্বাচিত প্ৰতিনিধিসকলক আহবান জনায়। নিজৰ ভাষণত মন্ত্ৰী গোৱালাই কয়, "মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ 'মুখ্যমন্ত্ৰী সাহায্য পুঁজি'ৰ পৰা আমাক বছৰত ৫০ লাখ টকা দিয়ে। সেই টকাৰে আমি ৰোগীসকলক সহায় আৰ্থিক সাহায্য প্ৰদান কৰোঁ। কেতিয়াবা আমাৰ ওচৰলৈ এনেকুৱাও ৰোগী আহে, যাক আমি ২০ লাখ টকা দিলেও কম হয়। গতিকে এনেকুৱা বৃহৎ স্বাস্থ্য মেলাৰ জৰিয়তে আমি এটা ভাল সুযোগ পাইছোঁ।" মন্ত্ৰী গোৱালাই বিধায়কৰূপে নিৰ্বাচিত হোৱা পিছৰে পৰা পাৰ্যমানে ৰোগীসকলক আৰ্থিক সহযোগিতা আগবঢ়াই অহা বুলি কোৱাৰ লগতে ডুমডুমা সমষ্টিৰ ৰোগীসকলৰ চিকিৎসাৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত তেখেতে এগৰাকী প্ৰতিনিধিক নিযুক্ত কৰি ৰখাৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে দিয়া ভাষণত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই কয় যে, প্ৰাৰম্ভিক পৰ্যায়ত বিভিন্ন আশা কৰ্মী, অঙ্গনবাড়ী কেন্দ্ৰ, চাহ বাগিছা, ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যসূচী (আৰ বি এছ কে), বিভিন্ন বিদ্যালয় আদিৰ জৰিয়তে চলোৱা সমীক্ষাৰ পৰা এই শিবিৰত সমষ্টিটোৰ ১, ৫১৬জন শিশু, কিশোৰ-কিশোৰীয়ে অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। অৱশ্যে এই সংখ্যা অলপ কম-বেছিও হ'ব পাৰে। এইসকলৰ নিৰ্দিষ্ট ৰোগৰ চিকিৎসাৰ দায়িত্ব এতিয়া ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি সাংসদ প্ৰদান বৰুৱাই দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নতুন ভাৰত নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা বুলি মন্তব্য কৰি স্বদেশী সামগ্ৰী ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ ৰাইজলৈ আহ্বান জনায়। জিলা আয়ুক্ত স্বপ্নীল পালো উপস্থিত থকা সভাখৰ আৰম্ভণিতে আদৰণি ভাষণ আগবঢ়ায় জিলাৰ অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইনে। ভাষণত তেওঁ কয় যে, এনে ধৰণৰ বিধানসভা সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্য শিবিৰ তিনিচুকীয়া জিলাখনৰ আন আন সমষ্টিসমূহত দুৰ্গা পূজাৰ পিছতেই অনুষ্ঠিত কৰা হ'ব। এই শিবিৰত চকু, হাড়, দাঁত, চৰ্ম, স্নায়ু, শিশুৰোগ আদি বিভিন্ন বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা চিকিৎসা সেৱা প্ৰদান কৰাৰ উপৰি শাৰীৰিকভাৱে বাধাগ্ৰস্থ সকলৰ পৰীক্ষা আৰু প্ৰমাণপত্ৰ প্ৰদানৰ ব্যৱস্থাও কৰা হৈছে। অনুষ্ঠানত ডুমডুমা সমজিলাৰ আয়ুক্ত নুজাহাং নাচৰিণ, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্য, সাংসদ প্ৰতিনিধি মূলেন্দ্ৰ মৰাণ, ডুমডুমা আঞ্চলিক পঞ্চায়তৰ সভাপতি ভাৰত ভাজনী, তিনিচুকীয়া জিলা পৰিষদৰ সদস্য ক্ৰমে - অৰূপ মৰাণ, পাৰুমণি মহন্ত, বলৰাজ তাঁতী, জ্যোতি চাউৰা তাঁতী, জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা আদিও উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে অতিথিসকলে সদ্যপ্ৰয়াত শিল্পী, অসমীয়াৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শিল্পীগৰাকীৰ আত্মাৰ চিৰশান্তিৰ বাবে উপস্থিত সকলোৰে ১ মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। আজিৰ শিবিৰত যথেষ্ট সংখ্যক স্থানীয় লোকে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, যোৱা ১৮ ছেপ্টেম্বৰত শুভাৰম্ভ হোৱা ৰাজ্যজুৰি উক্ত বিধানসভা সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্য শিবিৰত ১৮ বছৰ বয়সৰ তলৰ শিশু আৰু কিশোৰ-কিশোৰীসকলক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ লগতে হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃত, বৃক্ক, চকু আৰু নাক-কাণৰ ৰোগকে ধৰি ৫০বিধৰো অধিক ৰোগৰ নিৰ্ণায়ক পৰীক্ষা, পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু বিনামূলীয়া পুনৰীক্ষণ ব্যৱস্থা আৰু ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব ৰাজ্য চৰকাৰে। ৰাজ্যত তিনিটা পৰ্যায়ত অনুষ্ঠিত হোৱা উক্ত বিধানসভা সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্য শিবিৰৰ প্ৰথম পৰ্যায(ছেপ্টেম্বৰ আৰু অক্টোবৰ)ত স্বাস্থ্যজনিত সমস্যাসমূহ চিনাক্তকৰণ/ৰোগ নিৰ্ণায়ক পৰীক্ষা, দ্বিতীয় পৰ্যায়(নৱেম্বৰ)ত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত বিশেষ শিবিৰত স্বাস্থ্যজনিত সমস্যাসমূহ চিনাক্তকৰণ/ৰোগ নিৰ্ণায়ক পৰীক্ষা কৰাৰ লগতে অহা ডিচেম্বৰ মাহৰ পৰা অনুষ্ঠিত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ শিবিৰত প্ৰয়োজন অনুসৰি উন্নত চিকিৎসা আৰু অন্যান্য কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হব। এই শিবিৰৰ আন বিশেষত্ব হৈছে- বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা বিনামূলীয়া ৰোগ নিৰ্ণায়ক পৰীক্ষা, বিনামূলীয়া পৰীক্ষণ, বিনামূলীয়া ঔষধ যোগান আৰু শাৰীৰিক সুস্থতা সম্পৰ্কীয় কাৰ্যকলাপ। আজিৰ শিবিৰত ডুমডুমা বিধানসভা সমষ্টিৰ ২, ১৯৯ ৰোগীয়ে ৰোগ পৰীক্ষা কৰে। ইয়াৰে ২৭১ জনক উন্নত চিকিৎসাৰ বাবে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় বুলি জানিব পৰা গৈছে।

## জিলা আয়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰদান

# জুবিন গাৰ্গৰ নামত মাজুলী-যোৰহাট সংযোগী দলং নামকৰণৰ দাবী মাজুলী আছুৰ



**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ছেপ্টেম্বৰ ঃ** অসমৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত সমগ্ৰ অসমবাসী শোকত ম্ৰিয়মাণ হৈ আছে। শোকস্তব্ধ হৈ আছে প্ৰতিখন জিলা। আজি সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ এটি প্ৰতিনিধি দলে মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকক সাক্ষাৎ কৰি বিভিন্ন বিষয় সন্দৰ্ভত আছুৰ কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্য কুমাৰ ভূঞা, পবিত্ৰ গোস্বামী, অজিত হাজৰিকা, জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখোৱা সহ এটি দলে আলোচনাত মিলিত হয়। বিশেষকৈ মাজুলীবাসীৰ আবেগ মাজুলী-যোৰহাট সংযোগী ব্ৰহ্মপুত্ৰৰ ওচৰত নিৰ্মীয়মাণ পকী দলংখন আছু আৰু মাজুলীবাসী ৰাইজৰ দীৰ্ঘদিনৰ দাবী। আজি আছুৰ প্ৰতিনিধি দলে জিলা আয়ুক্তক সাক্ষাৎ কৰি মাজুলী-যোৰহাট সংযোগী দলংখন অসমবাসীৰ হিয়াৰ আমঠু প্ৰয়াত জুবিন গাৰ্গৰ নামেৰে নামকৰণৰ দাবীৰে এখন স্মাৰক পত্ৰ অসম চৰকাৰৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰিছে। লগতে শিল্পীগৰাকীৰ চিতাভস্ম মাজুলীলৈ আনি আটক ধুনীয়াকৈ সজাইপৰাই এটি স্মৃতিসৌধ নিৰ্মাণৰ বাবে জিলা আয়ুক্তক আহ্বান জনাইছে। দৰিয়াঘাট জুবিন গাৰ্গৰ প্ৰিয় ঠাই আছিল। দৰিয়াঘাটৰ কথাৰে গীত পৰিৱেশন কৰি গৈছে প্ৰাণৰ শিল্পী গৰাকীয়ে। সেই উদ্দেশ্যে মাজুলীৰ দৰিয়াঘাটৰ পাৰত সৰ্বোত্তম এটি প্ৰতি মূৰ্তি নিৰ্মাণৰ বাবে জিলা আয়ুক্তক দাবী জনাইছে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই।

# ডিব্ৰুগড় বাণীপুৰত বিভিন্ন দল, নামঘৰৰ ভক্তপ্ৰাণসহ চাৰি শতাধিকৰ জুবিনক শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ** অসমীয়া সংগীত জগতৰ মহীৰুহ, লক্ষাধিক মানুহৰ হৃদয় জয় কৰা হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ অকাল মহাপ্ৰয়াণে ৰাজ্যৰ সংগীত জগতত অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিছে। সমগ্ৰ অসম আজিও শোকাহত। সংগীত জগতৰ মহানায়কক সমগ্ৰ ৰাজ্যবাসীয়ে অশ্ৰুসিক্ত নয়নেৰে জাতি-ধৰ্ম, বৰ্ণ-ভাষা নিৰ্বিশেষে জনোৱা শ্ৰদ্ধাঞ্জলি অভূতপূৰ্ব বিৰল দৃশ্য। সমগ্ৰ অসমৰ লগতে বাণীপুৰতো দুঘণ্টা সময় ধৰি মহান শিল্পীজনালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এক অনুষ্ঠান আয়োজন কৰা হয়। এই অনুষ্ঠানত আবাল- বৃদ্ধ-বনিতা- শিশুসহিত প্ৰায় চাৰি শতাধিক ৰাইজে অশ্ৰু অঞ্জলি যাঁচে। ধূপ-দীপেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাইজে এটি মৌন সমদল কৰে। মৌন সমদলৰ অন্তত 'মায়াবিনি'ৰ সুৰেৰে আকাশ-বতাহ গুঞ্জৰিত কৰে সমবেত ৰাইজে। অনুষ্ঠানত বাণীপুৰ শাখা সাহিত্য সভা, পূৰ্বাঞ্চল নৱজ্যোতি সংঘ, বাণীপুৰ মহিলা সমিতি, প্ৰবীণ নাগৰিক সংঘ লগতে বাণীপুৰৰ সমূহ নামঘৰৰ ভক্তপ্ৰাণ ৰাইজৰ সহযোগত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটো সমাপন কৰা হয়। অসমৰ ৰাইজৰ অশ্ৰু অঞ্জলিয়ে প্ৰমাণ কৰিলে যে-জুবিন গাৰ্গ কেৱল এজন শিল্পী নহয়, এটা যুগ, এটা অনুষ্ঠান আছিল। তেওঁৰ কণ্ঠ আছিল মানুহৰ হৃদয়ৰ ভাষা। মৃত্যুৱে কায়িকভাৱে কাঢ়ি নিলেও অসমীয়া সংগীত জগতত তেওঁ অম্লান জোনাকী হৈ চিৰকাল জ্বলি থাকিব। লক্ষ মানুহৰ অন্তৰত জুবিন গাৰ্গৰ শেষ অমৰ কাব্যৰ অধ্যায় হৈ থাকিব।

# নগাঁৱত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, বঢ়মপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** শোকত ম্ৰিয়মাণ ৰাজ্যবাসীয়ে এতিয়াও অব্যাহত ৰাখিছে জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ। বৃহস্পতিবাৰে অনান্য প্ৰান্তৰ লগতে নগাঁৱৰ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ কনিষ্ঠ মহাবিদ্যালয়ৰ উদ্যোগত ৰূপায়িত হ'ল জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে এক সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰো আয়োজন কৰা হয়। য'ত কনিষ্ঠ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা ছাত্ৰ-ছাত্ৰী সকলৰ লগতে অনান্য লোক সকলেও জনতাৰ শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধা নিৱেদন কৰে। আনহাতে কনিষ্ঠ মহাবিদ্যালয়ত এই কাৰ্যসূচীৰ অংশ হিচাপে জুবিন গাৰ্গৰ এখন সুবিশাল প্ৰতিচ্ছবিও আঁৰি দিয়া হয়। লগতে কনিষ্ঠ মহাবিদ্যালয়ৰ কলিজখনৰ চল্লিশ খনকৈ আশন জুবিন গাৰ্গৰ নামত সংৰক্ষিত হৈ থাকিব যি আশন আৰ্থিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিব বুলি জানিব পৰা গৈছে।

## চৰকাৰী নিৰ্দেশকো কেৰেপ নকৰে এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে

# মোৰাঝাৰত চৰকাৰী নিৰ্দেশ অমান্য কৰি পৰীক্ষা অনুষ্ঠিত কৰাক লৈ জুবিনপ্ৰেমীৰ মাজত প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, ডবকা, ২৪ ছেপ্টেম্বৰ ঃ** হাৰ্টথ্ৰ'ৱ জুবিনৰ শোকাকুল পৰিৱেশৰ মাজতে চৰকাৰী নিৰ্দেশ অমান্য কৰি ছমহীয়া পৰীক্ষা পতাকলৈ জুবিনপ্ৰেমী আৰু অভিভাৱকৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চৰকাৰী নিৰ্দেশকো কেৰেপ কৰা নাই হোজাই জিলাৰ এখন বিদ্যালয়ে। ৰাজ্যৰ শিক্ষা মন্ত্ৰীয়ে ছমহীয়া পৰীক্ষাকে ধৰি সকলো ধৰণৰ পৰীক্ষা বাতিল কৰি ৰাজ্যিক শোক ঘোষণা কৰিছে। হোজাই বিদ্যালয়সমূহৰ পৰিদৰ্শকেও এক নিৰ্দেশযোগে পৰীক্ষা বাতিল কৰিছে। এই নিয়ম চৰকাৰী বেচৰকাৰী সকলোৰে আখৰে আখৰে পালন কৰিছে যদিও তেনে সময়ত মোৰাঝাৰৰ চৌধুৰী বজাৰৰ আল ইছলা নেশ্বনেল একাডেমি নামৰ ইংৰাজী মাধ্যমৰ বিতৰ্কিত স্কুলখনে সোমবাৰে পৰীক্ষা পতাৰ খবৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে সোমবাৰে ছমহীয়া পৰীক্ষাৰ অসমীয়া বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হয়। এই সংক্ৰান্তত ছাত্ৰ নেতা সকলে বিদ্যালয়খনৰ অধ্যক্ষক প্ৰশ্ন কৰাত তেওঁ আত্মাপক্ষ সমৰ্থনত উত্তৰ দিয়াৰ লগতে আওপকীয়াকৈ পৰীক্ষা অনুষ্ঠিত কৰাৰ কথা স্বীকাৰ কৰে। ইয়াকে লৈ প্ৰতিক্ৰিয়া আৰম্ভ হোৱাৰ পিছতে পৰীক্ষাৰ অন্তত অনুষ্টুপীয়াকৈ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পাতে বিদ্যালয় কৰ্তৃপক্ষই। চৰকাৰী নিৰ্দেশ নমনা এই বিদ্যালয়ে অসমীয়াৰ আৱেগ অনুভূতিক লৈ খেলি থকা ঘটনা কোনেও সহজে ল'ব পৰা নাই। যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিনৰ অকাস্মাত বিয়োগৰ শোকাকুল পৰিৱেশত ৰাজ্যবাসী ডুব যোৱাৰ মাজতে বিদ্যালয় কৰ্তৃপক্ষৰ এনে কাণ্ডৰ বিৰুদ্ধে হোজাই শিক্ষা বিভাগে কি ব্যৱস্থা লয় সময়ত লক্ষণীয়। উল্লেখ্যে যে ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় খনৰ বিভাগীয় কোনো পঞ্জীয়ন নথকাৰ বাবে চৰকাৰী গাইডলাইনক বুঢ়া আঙুলি দেখুৱাই শিক্ষাৰ নামত ৰমৰমীয়া ব্যৱসায় চলাই গৈছে।

# জুবিন গাৰ্গৰ বিয়োগত কামপুৰত শোক সভা

**অসম বাৰ্তা, কামপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** আজি কামপুৰ জেষ্ঠ্য নাগৰিক সন্মিলনৰ সম্পাদক অতুল চন্দ্ৰ বৰাৰ আহ্বানত অসমৰ হিয়াৰ আমঠু বৰেণ্য শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰ শুভাৰম্ভ কৰে আৰু অন্যান্য সদস্যসকলে পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা গ্যাপণ কৰে। সন্মিলনৰ সভাপতি সভাৰাম মজুমদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সুধাময় দাস, গোপাল সিং ৰায়ত, গহীন শইকীয়া, বিভূতিভূষণ বৰঠাকুৰ, বুদ্ধেশ্বৰ তামোলী আদিয়ে মহান শিল্পী গৰাকীৰ জীৱন পৰিক্ৰমা আলোকপাত কৰি বক্তব্য আগবঢ়ায়। সভাই জুবিন গাৰ্গৰ বিয়োগত গভীৰ দুখ প্ৰকাশ কৰি বিদেহ আত্মাৰ সদগতি কামনা কৰে আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। তদুপৰি সভাই শিল্পী গৰাকীৰ অস্বাভাৱিক মৃত্যুৰ ন্যায় বিচাৰি কামপুৰৰ পল্লৱী শইকীয়াই দিয়া যোৱা ২০ছেপ্টেম্বৰত দিয়া এজাহাৰ ভিত্তিত ন্যায় প্ৰদান কৰিবলৈ অনুৰোধ জনায়। আনহাতে সভাই স্থগিত ৰখা দ্বি বাৰ্ষিক অধিবেশনখন অহা ১২ ছেপ্টেম্বৰ দেওবাৰে অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

# নমাটি কদমতল চ'কত ২৬ সংখ্যক নমাটি মৌজা সৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা মহোৎসৱৰ আয়োজন

**অসম বাৰ্তা, নমাটি, ২৫ ছেপ্টেম্বৰ ঃ** অহা ২৮ ছেপ্তেম্বৰৰ পৰা ২ অক্টোবৰলৈ পাঁচদিনীয়া কাৰ্যসূচীৰে নমাটি কদমতল চ'কত ২৬ সংখ্যক নমাটি মৌজা সৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা মহোৎসৱ উদ্‌যাপন কৰা হ'ব। তদুপলক্ষে ৰঞ্জিত কলিতাক সভাপতি, তাৰক চন্দ্ৰ কলিতাক কাৰ্যকৰী সভাপতি আৰু ভবেশ কলিতাক সম্পাদক হিচাপে লৈ উদ্‌যাপন সমিতি এখন গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২৮ ছেপ্তেম্বৰৰ পুৱা ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি ৰঞ্জিত কলিতাই। আবেলি ৪ বজাত মুখ্যদ্বাৰ উন্মোচন কৰিব বি টি চি মুছলপুৰ পৰিষদীয় সমষ্টিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য অনচুমৈ খুংগুৰ বড়োই। আবেলি ৪-৩০ বজাত সভাগৃহৰ দ্বাৰ উন্মোচন কৰিব জোনাইৰ খাদ্য আৰু যোগান বিষয়া জ্যোতিষ চন্দ্ৰ হালৈয়ে। আবেলি ৫ বজাত পূজা মণ্ডপৰ দ্বাৰ উন্মোচন কৰিব টিহু চ'কৰ বিশিষ্ট ব্যৱসায়ী মণ্টু জৈনে। আবেলি ৫-১৫ বজাত মুখ্য বন্তি প্ৰজ্বলন কৰিব ক্ৰমে গুৱাহাটীৰ বিশিষ্ট ব্যৱসায়ী অমিয় কুমাৰ দাসে। তদুপৰি বজালী আৰু, জিলা বৰপেটা জিলা পৰিবহণ বিষয়া বাপন কলিতা আৰু নলবাৰীৰ ভাগ্যশ্ৰী মটৰচ্ ৰ স্বত্বাধিকাৰী দিলীপ কুমাৰ দাসেও মুখ্য বন্তি প্ৰজ্বলন কৰিব। আবেলি ৫-৩০ বজাত শান্তিৰ প্ৰতীক 'পাৰ চৰাই উৰণ' কাৰ্যসূচী ৰূপায়িত কৰিব বৰমা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মদন চন্দ্ৰ কলিতাই। সন্ধিয়া ৬-৩০ বজাত দুৰ্গা দেৱীৰ ষষ্ঠী বিহিত পূজা। সন্ধিয়া ৭ বজাত অস্থায়ী কাৰ্যালয় উদ্বা ধন কৰিব চাপৰাৰ বিশিষ্ট ব্যৱসায়ী মঃ মকিব আলীয়ে। ২৯ ছেপ্তমবৰৰ পুৱা ৮ বজাত দুৰ্গা দেৱীৰ সপ্তমী বিহিত পূজা। পুৱা ৮-৩০ বজাত ওজাপালিৰ দেৱী বন্দনা। সন্ধিয়া ৭ বজাত প্ৰদৰ্শিত হ'বলগীয়া নাটৰ শুভ উদ্বোধন কৰিব ৰাজীৱ গান্ধী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ধীৰেণ ঠাকুৰীয়াই। ৩০ ছেপ্তমবৰৰ পুৱা ৮ বজাত দুৰ্গা দৰীৰ মহাষ্টমী বিহিত পূজা। দুপৰীয়া ১-২১ বজাত সন্ধি পূজাৰম্ভ। আবেলি ৪-৩০ বজাত নাগৰা নাম উদ্বোধন কৰিব কুছিজাৰৰ অৱসৰপ্ৰাপ্ত পুলিচ বিষয়া বাণীকান্ত কলিতাই। সন্ধিয়া ৬-৪৫ বজাত অস্থায়ী আৰক্ষী কাৰ্যালয় উদ্বোধন কৰিব নাথকুছি পহৰা চকীৰ আৰক্ষী বিষয়া বিজয় দে ই। ১ অক্টোবৰৰ পুৱা ৮ বজাত দুৰ্গা দেৱীৰ মহানৱমী বিহিত পূজা আৰু পুৱা ১০ বজাত আয়তীৰ নাম। সন্ধিয়া ৭ বজাত আধুনিক নৃত্যৰ মঞ্চ উদ্বোধন কৰিব বি টি চি মুছলপুৰ পৰিষদীয় সমষ্টিৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই। উক্ত মঞ্চত বন্তি প্ৰজ্বলন কৰিব গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ৰমেন পাঠক আৰু ভাৰতীয় জনতা পাৰ্টি মুছলপুৰ মণ্ডলৰ সম্পাদক ৰিদিপ ডেকাই। ২ অক্টোবৰৰ পুৱা ৯-১৫ বজাত দুৰ্গা দেৱীৰ দশমী বিহিত পূজা। আবেলি ২ বজাত দুৰ্গা দেৱীৰ প্ৰতিমা লৈ টিহু নদীত বিসৰ্জন। সন্ধিয়া ৬ বজাত আতজবাজী প্ৰদৰ্শন উদ্বোধন কৰিব মাধপুৰৰ বিশিষ্ট ব্যৱসায়ী মঃ মছলেম আলীয়ে। সন্ধিয়া ৬-৩০ বজাত সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব অসম চৰকাৰৰ তথ্য আৰু চলচ্চিত্ৰ বিভাগৰ অধ্যক্ষ সীমান্ত শেখৰে।

## অভিযুক্ত শ্যামকানু, সিদ্ধাৰ্থক চোঁচৰাই গ্ৰেপ্তাৰ কৰক- ছাত্ৰ মুক্তিৰ কেন্দ্ৰীয় সভাপতি পিণ্টু গগৈ

# উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ নিৰীক্ষণত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ চিবিআইৰ তদন্তৰ দাবী ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৫ ছেপ্টেম্বৰ ঃ** অসমৰ আটাইতকৈ মূল্যবান সম্পদ হিচাপে চিহ্নিত হোৱা, অসমবাসীৰ হিয়াৰ আমঠু জনতাৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যু অসমৰ প্ৰতিজন ব্যক্তিৰ বুকুত অশেষ বেদনা আৰু ক্ষোভৰ সঞ্চাৰ কৰিছে। যদিও অসম চৰকাৰে ইতিমধ্যে CID আৰু এখন SIT ৰ সমিতিৰ দ্বাৰা গোটেই ঘটনাৰ তদন্তৰ দায়িত্ব দিছে কিন্তু এই সন্দৰ্ভত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পিণ্টু গগৈয়ে কয় যে, অসমবাসীয়ে বিশ্বাস কৰে যে এই জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাটোৰ সঠিক উন্মোচন আৰু ন্যায়িক ফলাফল প্ৰদান কৰিবলৈ স্থানীয় তদন্তকাৰী সংস্থা বা ৰাজ্য চৰকাৰৰ ওপৰত ভৰসা কৰাৰ সময় অতিক্ৰম হৈ গৈছে। কাৰণ অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু অন্যান্য নাম উত্থাপন হোৱা সংশ্লিষ্ট অভিযুক্তসকলৰ উচ্চ পদস্থ ৰাজনৈতিক ব্যক্তিৰ সৈতে গভীৰ সুসম্পৰ্ক আছে বুলি ইতিমধ্যে ৰাইজৰ মাজত চৰ্চা হৈছে। এই পৰিপ্ৰেক্ষিতত, প্ৰমাণ সঠিকভাৱে সংগ্ৰহ কৰি ন্যায়ৰ পথত কোনো বাধাৰ সৃষ্টি নোহোৱাকৈ ন্যায়িক স্বচ্ছতা নিশ্চিত কৰিবলৈ একমাত্ৰ উপায় হ'ল কেন্দ্ৰীয় তদন্ত সংস্থা CBI ৰ দ্বাৰা তদন্ত। কিন্তু এই তদন্তও সংস্থাৰ সীমিত ভূমিকা হৈ নাথাকিব লাগে ইয়াৰ ওপৰত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ নিৰীক্ষণ তথা পৰ্যবেক্ষণ থাকিব লাগিব তেতিয়াহে খলনায়কৰ সুৰক্ষা, ৰাজনৈতিক প্ৰভাৱ বা অৰ্থ শক্তিৰ দৌৰ একো নোহোৱাকৈ সত্য উন্মোচিত হ'ব আৰু জুবিন গাৰ্গক প্ৰকৃত ন্যায় প্ৰদান কৰা সম্ভৱ হ'ব বুলি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নেতাগৰাকীয়ে মন্তব্য কৰে লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শীঘ্ৰেই জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ নিৰীক্ষণত CBI ক দিবলৈ দাবী উত্থাপন কৰে। লগতে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু আন আন নাম উত্থাপন হোৱা সকলোকে চোঁচৰাই গ্ৰেপ্তাৰ কৰিবলৈও দাবী উত্থাপন কৰে লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তাকে নকৰিলে অসমবাসীৰ ধৈৰ্যৰ পৰীক্ষা নল'ব বুলিও বুলি সকিয়নী দিয়ে। লগতে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ দ্বাৰা দিয়া এই বিবৃতিত কয়, জুবিন গাৰ্গ জীৱন্ত বিপ্লৱৰ প্ৰতীক। তেওঁক বিদায় দিয়া বুলি ক'বলৈ অসমবাসীৰ আজিও সাহস হোৱা নাই। তেওঁক অসমবাসীয়ে বিদায় নিদিয়ে-নোৱাৰে! বিদ্ৰোহৰ মাটিত শপত লৈ অসমবাসীয়ে তেওঁক চিৰঞ্জীৱী কৰি ৰাখিব আলফুলে, বুকুৰ উমেৰে। জুবিনবিহীন অসম মানেই আকাশহীন সূৰ্য, নদীহীন মাটি, স্পন্দনহীন জীৱন। সেই বাবে, জুবিন গাৰ্গক ন্যায় দিব পাৰিলেহে প্ৰকৃতাৰ্থত জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱা হব, নহ'লে ইতিহাসে কোনোকালেই অসমবাসীক ক্ষমা নকৰিব বুলি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে এই বিবৃতিত উল্লেখ কৰে। লগতে এই পৰিস্থিতিত সমগ্ৰ অসমবাসীয়ে একত্ৰিত হৈ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ নিৰীক্ষণত CBI ৰ দ্বাৰা জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ পূৰ্ণাঙ্গ তদন্তৰ দাবী উত্থাপন কৰাটো সময়ৰ দাবী। এই সংগ্ৰাম কেৱল এজন শিল্পীৰ ন্যায়ৰ দাবী নহয়, ই অসমীয়া জাতিৰ সততা, ন্যায় আৰু ন্যায্যতাৰ প্ৰতীকী সংগ্ৰাম। কেৱল শুদ্ধ আৰু স্বচ্ছ তদন্তৰ জৰিয়তে সত্য উন্মোচিত হ'ব আৰু অসমবাসীয়ে জুবিন গাৰ্গক প্ৰকৃত ন্যায় প্ৰদান কৰিব পাৰিব।

## জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই সকলো সাংস্কৃতিক অনুষ্ঠান বাতিল

# ৰাণীত শ্যামা পূজা সমিতিৰ আদৰণীয় পদক্ষেপ

**অসম বাৰ্তা, মিৰ্জা, ২৫ ছেপ্টেম্বৰ ঃ** অসম তথা ভাৰতবৰ্ষৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক বিয়োগে ৰাজ্যজুৰি বৰ্তমানেও এক শোকাকুল পৰিবেশে বিৰাজ কৰি আছে। ৰাজ্যৰ ভিন্ন প্ৰান্তত প্ৰতিদিনে মহান শিল্পী গৰাকীৰ আত্মাৰ সদগতি কামনাৰ্থে জুবিন অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীৰ আয়োজন কৰি আহিছে। সমান্তৰালভাৱে গুৱাহাটী মহানগৰীৰ উপকণ্ঠ ৰাণীতো এইবেলিৰ ৰাণী আঞ্চলিক শ্ৰীশ্ৰীশ্যামা পূজা সমিতিয়ে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী 'শ্ৰীশ্ৰীশ্যামা আই'ৰ পূজাভাগ আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে সাংস্কৃতিক অনুষ্ঠানেৰে দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচী আয়োজন কৰিছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে যোৱা ১৯ চেপ্তেম্বৰ তাৰিখে মহান শিল্পী গৰাকীৰ আকস্মিক বিয়োগত ৰাজ্যবাসীৰ লগতে শ্যামা পূজা সমিতিখনেও মৰ্মাহত হোৱা পৰিলক্ষিত হৈছে। যাৰ বাবে যোৱা ২৪ চেপ্তেম্বৰ তাৰিখ বুধবাৰে ৰাণী বনাঞ্চলিক কাৰ্যলয়ত সমিতিখনে জৰুৰীভাৱে দ্বিজেন দাসৰ সভাপতিত্বত এখনি সাধাৰণ সভাৰ আয়োজন কৰি সৰ্বসন্মতিক্ৰমে সকলো সাংস্কৃতিক অনুষ্ঠান বাতিল কৰাৰ লগতে যাকজমকাতৰ পৰা দূৰত থাকি আতচবাজী বৰ্জন কৰি নাম-প্ৰসংগ লগতে শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে গণশিল্পীজনৰ ৰহস্যজনক মৃত্যুৰ উচিত তদন্তৰ বাবে সমিতিয়ে চৰকাৰক দাবী উত্থাপন কৰে। উল্লেখ্য যে ১৯২০ চনতেই ৰাণী বনাঞ্চলিক কাৰ্যলয়ৰ চৌহদত স্থাপন হোৱা এই কালি মন্দিৰটোত প্ৰতি বছৰে অনুষ্ঠিত হোৱা এই কাৰ্যসূচী সমূহত সমগ্ৰ দক্ষিণ কামৰূপৰ ভিতৰতেই সৰ্বাধিক ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটে।

# ডিব্ৰু মহাবিদ্যালয়ত শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ নাহৰৰ গছপুলি ৰোপণ কৰি জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ** নাহৰৰ গছপুলি ৰোপণ কৰি হাৰ্টথ্ৰ'ৱ জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ - ছাত্ৰীসকলে। মহাবিদ্যালয়ৰ এন এচ এছৰ উদ্যোগত অনুষ্ঠিত এই কাৰ্যসূচীত গছে ক'ব সুধিলে-পাতে ক'ব সুধিলে-জুবিন গাৰ্গৰে কথা-জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই নাহৰৰ পুলি ৰোপণ কৰিলে ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে। অসমীয়া সংগীত জগতৰ মহীৰুহ, লক্ষাধিক হৃদয়ৰ স্বৰ-স্বৰূপ জুবিন গাৰ্গৰ অকাল মহাপ্ৰয়াণে ৰাজ্যৰ সংগীত জগতত অপূৰণীয় শূন্যতাৰে মহানায়কগৰাকীক সমগ্ৰ ৰাজ্যবাসীয়ে অশ্ৰুসিক্ত নয়নেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সমগ্ৰ দেশৰ লগতে ডিব্ৰু মহাবিদ্যালয়তো জুবিন গাৰ্গে বহুবাৰ গীত পৰিৱেশন কৰিছিল। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই, উপাধ্যক্ষ ড° অদিতি বৰুৱা, অসম আদিত্য কাকতৰ সম্পাদক-তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা, সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি বৃক্ষ ৰোপণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ মহৎ উদ্দেশ্যক শলাগ জ্ঞাপন কৰে। জুবিন গাৰ্গক মৃত্যুৱে কায়িকভাৱে কাঢ়ি নিলেও অসমীয়া সংগীতৰ আকাশত তেওঁ অমলিন জোনাকী হৈ চিৰকাল জ্বলি থাকিব আৰু লক্ষ মানুহৰ অন্তৰত জুবিন গাৰ্গ এক অমৰ কাব্যৰ অধ্যায় হৈ থাকিব বুলি উপস্থিত অতিথি সকলে অভিমত প্ৰকাশ কৰে।



# ৰূপহীহাটত ১৮টাকৈ চোৰাং গৰু জব্দ

**অসম বাৰ্তা ৰূপহীহাট, ২৫ ছেপ্টেম্বৰ ঃ** ৰূপহীহাটত চোৰাং গৰুৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান। ৰূপহীহাট আৰক্ষী থানাৰ বিষয়া সঞ্জিত কুমাৰ ৰয়ে আজি দুপৰীয়া এক গোপন সূত্ৰৰ পম খেদি চোৰাং গৰুৰ বিৰুদ্ধে চলাই এক অভিযান। আৰক্ষীৰ অভিযানত এএছ-০১-এছচি-৮৪৭৫ নম্বৰৰ ট্ৰাকৰ পৰা জব্দ কৰে ১৮ টাকৈ চোৰাং গৰু। ৰূপহীহাট আৰক্ষীয়ে নম্বৰীৰ পৰা খেদি- খেদি আনি ছাইদৰীয়াত জব্দ কৰে চোৰাং গৰু ভৰ্তি ট্ৰাকখন। ছাইদৰীয়াত চলন্ত ট্ৰাকৰ পৰা চালকসহ ৩জন জঁপিয়াই পলাই যায়। ৰূপহীহাট আৰক্ষীয়ে গৰুভৰ্তি ট্ৰাকখন জব্দ কৰি তদন্ত অব্যাহত ৰাখিছে।

# কচুৱাত বৃদ্ধৰ কামনাৰ বলি কণমানি, গ্ৰেপ্তাৰ লম্পট আব্দুল মতিন

**অসম বাৰ্তা, কচুৱা, ২৫ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱা অঞ্চলত মানৱ সমাজক লজ্জানত কৰা এক ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিষয়ে জানিব পৰা মতে কচুৱা থানাৰ অন্তৰ্গত ৰজাআলি গাঁৱৰ আব্দুল মতিন (৫৮) নামৰ এটা লম্পটে ওচৰৰে ন বছৰীয়া এটি শিশু ছাত্ৰীক ফুচুলাই এখন স্কুলৰ পিছফালে নি উপৰ্যপুৰি ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপিত কৰে। শিশুটিৰ মুখত সোপা দি লম্পটটোৱে উপৰ্যপুৰি ধৰ্ষণ কৰি পলাব ধৰোঁতে স্থানীয় ৰাইজে আটক কৰি উত্তম-মধ্যম দি কচুৱা থানাত ছমজাই দিয়ে। ইপিনে, ঘটনাস্থলীৰ পৰা শিশুটিক উদ্ধাৰ কৰি চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰিছে। বিবাহিত তথা নাতি-পুতি থকা লম্পট বৃদ্ধই এনে অমানৱিক কাণ্ড কৰাত অঞ্চলটোৰ সমূহ দল-সংগঠনৰ লগতে সচেতন মহলে কঠোৰ ভাষাৰে গৰিহণা দি লম্পটটোক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ পুলিচ প্ৰশাসনক দাবী জনাইছে।

# মেৰাপানীত লালী গুৰৰ ক'লা ব্যৱসায়

## লালী গুৰৰ ব্যৱসায়েৰে সম্পত্তিৰ পাহাৰ গঢ়িছে অনা অসমীয়া ব্যৱসায়ী প্ৰদীপ গুপ্তাই

**অসম বাৰ্তা, মেৰাপানী, ২৫ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানীত লালী গুৰৰ ক'লা ব্যৱসায়। প্ৰদীপ গুপ্তা আৰু অনিল গুপ্তা দুই ভাতৃদ্বয়ে মেৰাপানী চলাইছে লালী গুৰৰ বৃহৎ ব্যৱসায়। প্ৰশাসন আৰু আৱকাৰী বিভাগক চকুত ধূলি মাৰি খোৱা গুৰ আৰু পশু খাদ্যৰ অনুজ্ঞাপত্ৰ উলিয়াই প্ৰদীপ গুপ্তাই মেৰাপানীৰ বিভিন্ন ঠাইত কেইবাটাও গোদাম স্থাপন কৰি চলাই গৈছে ৰমৰমীয়া বেহা। এই লালী গুৰ সমূহ গোদামৰ পৰা এজেণ্টে নি চুলাই মদৰ ভাটিত যোগান ধৰে। তেনেতে মঙ্গলবাৰে মেৰাপানীৰ লক্ষ্মীবাৰী ৰাইজে এটা লালী গুৰৰ এজেণ্টক হাতে লুতে কৰায়ত্ত কৰে আৰু সোধা পোছাৰ অন্ততঃ প্ৰদীপ গুপ্তাৰ গুদামৰ পৰা অনা কথা স্বীকাৰ কৰে। ইয়াৰ পাছতেই মেৰাপানীৰ দল সংগঠন আৰু লক্ষ্মীবাৰীৰ ৰাইজে আৱকাৰী বিভাগক খৱৰ দি গুপ্তা গুদাম ঘেৰাও কৰি আৰক্ষী আৰু আৱকাৰী বিভাগৰ সন্মুখতে প্ৰতিবাদ সাব্যস্ত কৰে। অৱশেষত আৱকাৰী বিভাগে প্ৰদীপ গুপ্তা আৰু এজেণ্টক গ্ৰেপ্তাৰ কৰিবলৈ বাধ্য হয়। উল্লেখযোগ্য যে গোলাঘাটৰ সুৰা ট্ৰেজেডিৰ মুল খলনায়ক আছিল প্ৰদীপ গুপ্তা। প্ৰশাসন আৰু আৱকাৰী বিভাগক কৰেপ নকৰা এই প্ৰদীপ গুপ্তাই মেৰাপানীত দীঘদীন ধৰি গুৰৰ ব্যৱসায়েৰে সম্পত্তিৰ পাহাৰ গঢ়ি তুলিছে।

# বৰচাপৰি গাঁৱত স্বামী-স্ত্ৰী কুখ্যাত ড্ৰাগছ ব্যৱসায়িক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, লাহৰীঘাট, ২৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ বিভিন্ন স্থানত আৰক্ষীয়ে অব্যাহত ৰাখিছে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে নিৰন্তৰ অভিযান। পুনৰ মৰিগাঁও জিলা আৰক্ষীৰ চোৰাংচোৱা বিভাগ আৰু স্থানীয় আৰক্ষীৰ সহযোগত চলোৱা এক অভিযানত এহাল স্বামী-স্ত্ৰীক আটক কৰিবলৈ সক্ষম হয়। বৰচাপৰি গাঁৱত নিজা বাসগৃহত দীৰ্ঘ দিনৰ পৰা ড্ৰাগছ বিক্ৰী কৰি আহিছিল স্বামী ইফতিকাৰ আৰু পত্নী ৰুবিনা খাতুনে। গ্ৰেপ্তাৰ হোৱা স্বামী-স্ত্ৰীৰ ঘৰৰ পৰা ৩৫টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয় অভিযানকাৰী দলটিয়ে। দুয়োকে ইতিমধ্যে ভেলৌগুৰি আৰক্ষী থানাত সোধ-পোছৰ বাবে ৰখা হৈছে বুলি জানিব পৰা গৈছে। উল্লেখ যে এই দুই স্বামী-স্ত্ৰী পূৰ্বেও দুবাৰ একেই ড্ৰাগছ ব্যৱসায় গোচৰত জেল-হাজোতলৈ গৈছিল যদিও জেলৰ পৰা ওলাই আকৌ একেই ব্যৱসায়ত লিপ্ত হৈ পৰিছিল।

**উচ্ছেদিতক সমৰ্থন কৰি ৰাইজৰ ৰোষত জাহিদুল ইছলাম নামৰ এজন লোক**

# উৰিয়ামঘাটত উত্তপ্ত পৰিস্থিতি



**অসম বাৰ্তা, ধনশিৰি, ২৫ ছেপ্টেম্বৰ ঃ** ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিতক সমৰ্থন কৰি দল-সংগঠন আৰু ৰাইজৰ ৰোষত পৰিছে এগৰাকী ব্যক্তি। উল্লেখ্যযোগ্য যে বিভিন্ন অজুহাত দেখুৱাই ৰেংমা সংৰক্ষিত বনাঞ্চলৰ একাংশ উচ্ছেদিতই বনাঞ্চলত সোমাবলৈ চেষ্টা অব্যাহত ৰাখিছে। বুধবাৰে উৰিয়ামঘাটত দুজন উচ্ছেদিতই লগত আৰু দুজন উচ্ছেদিতক লৈ উৰিয়ামঘাটত টিঘিলঘিলাই ফুৰোতে দল-সংগঠন আৰু স্থানীয় লোকে প্ৰত্যক্ষ কৰি সোধপোচ কৰে। তেনে সময়তে উল্লিখিত উচ্ছেদিত লোক কেইজনক সোধা-পোচা কৰা দেখি বাধা প্ৰদান কৰে উৰিয়ামঘাটৰ জাহিদুল ইচলাম নামৰ এজন লোকে। এই জাহিদুল ইচলাম নামৰ ব্যক্তিজনে ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিতক গোপনে সহায় কৰাৰ লগতে নিজৰ গাড়ীৰে উচ্ছেদিত স্থানত ফুৰাবলৈ নিয়াৰ গুৰুতৰ অভিযোগ উঠিছে। কেৱল ফুৰাবলৈ নিয়াই নহয় নগাৰ লগত মিতিৰালি কৰি উচ্ছেদিতক পুনৰ সংস্থাপনৰ পৰিকল্পনা কৰাৰো অভিযোগ উঠিছে। বুধবাৰে উৰিয়ামঘাটৰ বিভিন্ন দল-সংগঠন আৰু স্থানীয় ৰাইজে হাতে-লোটে ধৰি আৰক্ষীক গতাই দিয়ে জাহিদুলক। আনহাতৰ আৰক্ষীক গতিওৱাৰ পূৰ্বে দল-সংগঠন আৰু স্থানীয় ৰাইজক নিজৰ ভুল কৰ্মৰ বাবে উৰিয়ামঘাট চহৰৰ মাজমজিয়াত কাণত ধৰি ক্ষমা বিচাৰে জাহিদুল। আনহাতে উচ্ছেদিতক ৰেংমা সংৰক্ষিত বনাঞ্চলত গোপনে সহায় কৰা জাহিদুলৰ ব্যৱসায়িক প্ৰতিষ্ঠান শীঘ্ৰে বন্ধ কৰিবলৈ প্ৰশাসনক দাবী জনাইছে স্থানীয় দল-সংগঠনে।

## ৰংদৈ বিষ্ণু দেৱ গোস্বামীৰ দেহাৱসান

**অসম বাৰ্তা, নিমাতীঘাট, ২৫ ছেপ্টেম্বৰ ঃ** উত্তৰ যোৰহাটৰ ৰংদৈ পটীয়ৰী সত্ৰৰ ডেকা সত্ৰীয়া বিষ্ণু দেৱ গোস্বামীৰ (৫৫) ২৪ ছেপ্টেম্বৰৰ নিশা ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত হৃদৰোগত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। এগৰাকী অতি জনপ্ৰিয় সুকণ্ঠী নামাচাৰ্য্য হিচাপে পৰিচিত শ্ৰী গোস্বামীয়ে মৃত্যুৰ সময়ত মাতৃ, পত্নী, এজন পুত্ৰ ভাতৃ সহ এটি বৃহৎ পৰিয়াল ইহ সংসাৰত এৰি থৈ যায়। তেখেতৰ অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত ৰংদৈ বাসগৃহত যথেষ্ট সংখ্যক গুণগ্ৰাহী, শুভাকাংখী ভক্ত বৈষ্ণৱে শোক প্ৰকাশ কৰাৰ লগতে সত্ৰীয়া মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰে।

# কামৰূপ জিলাৰ চলিত মাহৰ জিলা পথ সুৰক্ষা সমিতি আৰু জিলা পৰ্যায়ৰ নাৰ্কো ক'ৰ্ডিনেশ্যন চেণ্টাৰ কমিটিৰ বৈঠক সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ ছেপ্টেম্বৰ মাহৰ জিলা পথ সুৰক্ষা সমিতিৰ সভাখন আজি আমিনগাঁৱস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই চাংসাৰি এলেকাত সঘনাই সংঘটিত হৈ থকা পথ দুৰ্ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি উক্ত অঞ্চলত পথ সুৰক্ষাৰ নিয়ম কঠোৰ ভাৱে বলবৎ কৰিবলৈ বিশেষকৈ তীব্ৰবেগী বাহনৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে চাংসাৰি এলেকাত, বিশেষকৈ এইমছ-গুৱাহাটী আৰু আই আই টি- গুৱাহাটীৰ প্ৰৱেশ পথত সঘনাই দেখা দিয়া যানজঁটৰ সমস্যা সন্দৰ্ভত আলোচনা কৰি আৰক্ষী, পৰিবহণ বিভাগক এই সমস্যাৰ সমাধানৰ উপায় বিচাৰি এক যুটীয়া জৰীপ কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত আমিনগাঁৱৰ পৰা বাইহাটা চাৰিআলি পৰ্যন্ত থকা ৰাষ্ট্ৰীয় ঘাই পথত দুয়োফালে "ৱেছাইড এমেনিটিজ"ৰ ব্যৱস্থা সন্দৰ্ভত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ দিয়া হয়। ইয়াৰ উপৰিও ৰঙিয়াৰ পৰা নোনা নৈ লৈ এই পথ চোৱাত পথ চিহ্ন আৰু পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সম-জিলা আয়ুক্ত আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকাৰণক যুটীয়া ভাৱে জৰীপ কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। উক্ত বৈঠকতে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান মাদ্ৰাজৰ এটা দলে ভিডিঅ কনফাৰেন্স যোগে অংশগ্ৰহণ কৰে। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান মাদ্ৰাজে কামৰূপ জিলাত পথ দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত দুৰ্ঘটনা তদন্ত কৰি জিলাখনত থকা দুৰ্ঘটনা প্ৰবল এলেকা চিহ্নিত কৰে আৰু দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়। বৈঠকত মিৰ্জা চাৰিআলি বজাৰ এলেকাত যানজঁটৰ সমস্যা, ৰংমহল উচ্চ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত স্পীড ব্ৰেকাৰ স্থাপন আদি সন্দৰ্ভতো আলোচনা কৰা হয়। বৈঠকত কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত গৰ্গ মোহন দাস, ৰঙিয়াৰ সম জিলা আয়ুক্ত দেৱাশিস গোস্বামী, পলাশবাৰীৰ সম জিলা আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, উপ-আৰক্ষী অধীক্ষক জান কিশোৰ গগৈকে ধৰি শিক্ষা, পৰিবহণ, পথ নিৰ্মাণকাৰী সংস্থা যেনে, ৰাষ্ট্ৰীয় ঘাইপথ, লোক নিৰ্মাণ বিভাগৰ বিষয়াসকল উপস্থিত থাকে। একেদিনাই সংহত জিলা আয়ুক্ত কাৰ্যালয়ত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত জিলা পৰ্যায়ৰ নাৰ্কো ক'ৰ্ডিনেশ্যন চেণ্টাৰ কমিটিৰ বৈঠকখনো অনুষ্ঠিত হয়। বৈঠকত জিলাখনত অনুজ্ঞাপত্ৰবিহীন ফাৰ্মাচীৰ নিয়ন্ত্ৰণ, নিচাযুক্ত সামগ্ৰী প্ৰচলন ৰোধৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়।

# ডুমডুমাত কৃষি বিভাগৰ সজাগতা কাৰ্যসূচী

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৫ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলা কৃষি বিভাগৰ উদ্যোগত আজি কৃষকসকল তথা ৰাইজৰ মাজত এক সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখযোগ্য যে এটা অসাধু চক্ৰৰ প্ৰলোভনত পৰি সহজ সৰল কৃষকসকলে কৃষিজাত সামগ্ৰী কিনা আৰু কিষাণ ক্ৰেডিট কাৰ্ডৰ ঋণ, পাৱাৰ টিলাৰ আদি যিকোনো কৃষি সেৱা গ্ৰহণ কৰাৰ আশাৰে সৰ্বশ্ৰান্ত হোৱা পৰিলক্ষিত হৈছে। এনে অসাধু চক্ৰৰ পৰা আতঁৰত থাকিবলৈ তথা কৃষি সম্পৰ্কীয় প্ৰয়োজনীয় দিহা পৰামৰ্শ ল'বলৈ প্ৰত্যক্ষভাৱে কৃষকসকলক কৃষি বিভাগৰ জিলা কাৰ্যালয় অথবা কৃষি বিষয়াৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায় এই সজাগতা কাৰ্যসূচীৰ জৰিয়তে। লগতে এনে অসাধু চক্ৰৰ সন্ধেদ পালে 9101683737, 8486857373 আৰু 9387461031 নম্বৰত অৱগত কৰিবলৈও সজাগতা সভাৰ জৰিয়তে ৰাইজলৈ আহ্বান জনায়। তিনিচুকীয়া জিলা কৃষি বিষয়া কাৰ্যালয় আৰু ফিল্ড'বাৰী কৃষি চক্ৰৰ হৈ সহকাৰী পৰিদৰ্শক দিগন্ত বৰাৰ উদ্যোগত আয়োজন কৰা এই সজাগতা কাৰ্যসূচীৰ ডুমডুমাত শুভাৰম্ভ কৰি বৰডুমচালৈকে কৃষকসকলৰ মাজত অসাধু চক্ৰৰ প্ৰলোভনত ভৰি নিদিবলৈ সজাগ কৰি প্ৰচাৰ পত্ৰিকা বিতৰণ কৰে। ডুমডুমাত আজিৰ এই কাৰ্যসূচীত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি অনুজ কলিতা, ডুমডুমাৰ সাংবাদিক সুজিত দেবৰ উপৰিও কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

## নাজিৰাৰ বুদবাৰী সত্ৰত সাহিত্য, ক্ৰীড়া আৰু দিহানাম প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, গেলেকী, ২৫ ছেপ্টেম্বৰ ঃ** নাজিৰা সমজিলাত অৱস্থিত শ্ৰীশ্ৰী বুদবাৰী সত্ৰৰ উন্নয়ন সমিতিৰ উদ্যোগত ৰাইজৰ সহযোগত অহা ৪ আৰু ৫ অক্টোবৰ তাৰিখে দুদিনিয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে সাহিত্য, ক্ৰীড়া আৰু দিহানাম প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আৰম্ভণিৰ দিনা ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্য প্ৰতিযোগিতাৰ লগতে নাজিৰা গাঁও পঞ্চায়ত ভিত্তিত প্ৰাইজমণি দিহানাম প্ৰতিযোগিতা আৰু মুখ্য আকৰ্ষণ হিচাপে প্ৰদৰ্শনী অনুষ্ঠিত কৰিব। দ্বিতীয় দিনা ক্ৰীড়া আৰু ভেশচন প্ৰতিযোগিতাৰ পিছতে দিনৰ ভাগত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত বিজয়ী প্ৰতিযোগী সকলক বটা বিতৰণ কৰা হ'ব। উপৰোক্ত দুদিনৰ কাৰ্যসূচীতে সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে শ্ৰী শ্ৰী বুদবাৰী সত্ৰৰ উন্নয়ন সমিতিয়ে।

**শিল্পীৰ পৰশত ক্ৰমাৎ প্ৰাণ পাইছে মৃণ্ময় মূৰ্ত্তি**

# পশ্চিম দৰঙৰ ২৫খন পূজা মণ্ডপত দুৰ্গোৎসৱৰ ব্যস্ততা

**অসম বাৰ্তা, পাথৰিঘাট, ২৪ ছেপ্টেম্বৰ ঃ** শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাক আদৰিবলৈ ব্যাপক আয়োজন চলিছে দৰঙৰ পশ্চিমাঞ্চলত। ২৫খন পূজা স্থলীত বৃদ্ধি পাইছে ব্যস্ততা। পূজা সমিতি সমূহে আধ্যাত্মিক দিশৰ সমান্তৰালভাৱে বাহ্যিক লৌকিককতাৰ দিশত গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হৈছে। পূজা মণ্ডপৰ জাক-জমকতাই সকলো স্তৰৰ লোকক আকৰ্ষিত কৰি মোহাচ্ছন্ন কৰাৰ এক অঘোষিত প্ৰতিযোগিতা চলিছে। শিল্পীৰ পৰশত ক্ৰমাৎ প্ৰাণ পায় উঠিছে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ মৃণ্ময় মূৰ্ত্তি। শক্তিপীঠ পদ্মাথান দেৱালয়ৰ দুৰ্গা পূজা অঞ্চলটোৰ প্ৰাচীনতম পূজাস্থলী। এইবেলি এশ আঠ সংখ্যক পূজা ধুমধামেৰে আয়োজন কৰিছে। কোনো ধৰণৰ বলি-বিধান নচলা দেৱালয় খনত অষ্টমী আৰু নৱমী পূজাৰ দিনা ভক্ত-দৰ্শনাৰ্থীয়ে দেৱীৰ নামত উৰ্চগা কৰে হাজাৰ-হাজাৰ পাৰ চৰাই। দুনীত আঞ্চলিক দুৰ্গোৎসৱ সমিতিয়ে শতবৰ্ষ অতিক্ৰম কৰি এশ এবছৰত উপনিত হৈছে। বুঢ়ীনগৰ সৰ্বজনীন দুৰ্গা পূজাই এইবেলি ৭৩ বছৰ পূৰ্ণ কৰিব। বড়িচৌকাত ৬৬ সংখ্যক, পাথৰিঘাটত ৬৪ সংখ্যক, বৰলাখাটত ৬৩ সংখ্যক, লেঙ্গেৰীয়াঝাৰত ৫৬ সংখ্যক, চেঙেলীয়াঝাৰত ৪৮ সংখ্যক, আঠিয়াবাৰীত ৪২ সংখ্যক, চকীয়াপাৰা নৈনঘাটত ৪২ সংখ্যক, বিষ্ণুপুৰত ৩৯ সংখ্যক, লাউজানত ৩৭ সংখ্যক, আন্ধেৰীঘাট ৩৭ সংখ্যক, দেওমৰনৈত ৩২ সংখ্যক, দলংঘাটত ২৭ সংখ্যক, বামুণঝাৰত ২৬ সংখ্যক, ৰাইজঘাটত ৰূপালী জয়ন্তী, ব্যাসপাৰাত ১৮ সংখ্যক, নাপ্তাপাৰাত ১৬ সংখ্যক, নৈনঘাটত ১০ ম সংখ্যক, বালিপোটাত ৯ম সংখ্যক, দিপীলাত অষ্টম সংখ্যক, বিহুভাঙা আৰু মহলীয়াপাৰাত তৃতীয় বাৰৰ বাবে দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি চলোৱাৰ লগতে তিনিসুঁতিমুখত আয়োজন চলিছে দুৰ্গা পূজাৰ। মূলতঃ চৌদিশে উৎসৱৰ মুধু আলোড়ন গুঞ্জড়িত হৈছে।

**নতুন সমিতি গঠন; প্ৰকাশ প্ৰসাদ বৰাক সভাপতি হিচাপে মনোনীত**

# মাজুলীৰ বালিচাপৰি মিলিত কৃষ্টি সংঘৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা সম্পন্ন



**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ছেপ্টেম্বৰ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ সমাজ সংস্কৃতিৰ অগ্ৰগণী অনুষ্ঠান মিলিত কৃষ্টি সংঘৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখন আজি মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। উক্ত, অধিৱেশন উপলক্ষে সংঘৰ পতাকা উত্তোলন কৰে মিলিত কৃষ্টি সংঘৰ সভাপতি লীলাকান্ত ভট্টাচাৰ্য। স্মৃতি তৰ্পণ কৰে সাধাৰণ সম্পাদক কৌশিক শইকীয়াই। দুপৰীয়া এক বজাৰ পৰা অনুষ্ঠিত হোৱা দ্বি-বাৰ্ষিক অধিৱেশনত মিলিত কৃষ্টি সংঘৰ সদস্য-সদস্যাসকলে পৰিৱেশন কৰা মিলিত কৃষ্টি সংঘৰ সমবেত সংগীতৰে শুভাৰম্ভ কৰা হয়। উক্ত সাধাৰণ সভাৰ আঁত ধৰে মিলিত কৃষ্টি সংঘৰ সম্পাদক কৌশিক শইকীয়াই। মিলিত কৃষ্টি সংঘৰ সভাপতি লীলাকান্ত ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত, সাধাৰণ সভাত মিলিত কৃষ্টি সংঘৰ দ্বি-বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে সম্পাদক কৌশিক শইকীয়াই। সভাত দুবছৰীয়া কাৰ্যকালৰ হিচাপ দাখিল কৰে হিচাপ পৰীক্ষক মাণিক হাজৰিকাই। সভাত মিলিত কৃষ্টি সংঘৰ পুৰনা সমিতিৰ পদত্যাগ আৰু নতুন সমিতি গঠন কৰা হয়। উক্ত, নতুন সমিতিত আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে প্ৰকাশ প্ৰসাদ বৰাক সভাপতি, ফুল বৰা আৰু দেবেন বৰাক উপ-সভাপতি, যদু কলিতাক সাধাৰণ সম্পাদক, দুদু বৰুৱা আৰু নৰজিত মিলিক সহকাৰী সম্পাদক, ৰমেন ভূঞাক সাংস্কৃতিক সম্পাদক, প্ৰীতম ভট্টাচাৰ্যক কাৰ্যালয় সম্পাদক হিচাপে লৈ ১৯ জনীয়া কাৰ্যকৰী সদস্যৰে মিলিত কৃষ্টি সংঘৰ নতুন সমিতিখন গঠন কৰা হয়। সভাত নতুন সমিতিৰ সভাপতি প্ৰকাশ প্ৰসাদ বৰাই শুভেচ্ছা মূলক বক্তব্য প্ৰদান কৰে। সভাত শলাগ জ্ঞাপন কৰে কৌশিক শইকীয়াই।

## লাহৰীঘাটৰ বৰচলা আৰক্ষীৰ ৩৯টা চোৰাং গৰু সহ তিনিটা চোৰক আটক

**অসম বাৰ্তা, লাহৰীঘাট, ২৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁৱৰ লাহৰীঘাট সম-জিলাৰ অন্তৰ্গত বৰচলা আৰক্ষীৰ সাফল্য। ৩৯টা চোৰাং গৰু সহ তিনিজন চোৰাং গৰু সৰবৰাহকাৰীক নিশা অভিযান চলাই আটক কৰিবলৈ সক্ষম হৈছে। অটকাধীন গৰু চোৰ কেইটাক বৰচলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰুদ্ৰ বাহাদুৰ চেত্ৰীৰ নেতৃত্বত অভিযান চলাই আটক কৰে। ধৃত ৩৯টা গৰু ভৰ্তি এখন ট্ৰাকৰ লগতে তিনিজন লোকক আটক কৰে বৰচলা আৰক্ষীৰ। আৰক্ষীৰ জিম্মাৎ ট্ৰাকখনৰ নম্বৰ As 01 TC 3608. চোৰাং গৰু সহ ধৃত তিনি লোক ক্ৰমে চালক মজিবুৰ ৰহমান, আবুল হুছেইন, কৰম আলি বুলি জানিবলৈ পৰা গৈছে। চোৰাং গৰু কেইটা মৰিগাঁও জিলাৰ ব্ৰহ্মপুত্ৰ কাষৰীয়া অঞ্চলৰ পৰা চোৰাং ভাৱে লৈ অহাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। উদ্ধাৰ হোৱা গৰুকেইটা সৰবৰাহ কৰি বহিঃৰাজ্যলৈ লৈ যোৱা সময়তে আৰক্ষীৰ দলটিয়ে জব্দ কৰে। বৰ্তমান গৰু কেইটা আৰক্ষীৰ জিম্মাত আছে।

# ছৈখোৱাৰ আঢ়ৈমুৰীয়া গাঁৱত আঢ়ৈমুৰীয়া কাপ ফুটবল প্ৰতিযোগিতা-২০২৫ আৰম্ভ



**অসম বাৰ্তা, ছৈখোৱা, ২৫ ছেপ্টেম্বৰ ঃ** স্বৰ্গীয় হিতেন্দ্ৰনাথ চেলেং আৰু স্বৰ্গীয় চক্ৰেশ্বৰ সোণোৱালৰ পবিত্ৰ স্মৃতিত প্ৰথম বাৰ্ষিক আঢ়ৈমুৰীয়া কাপ ফুটবল প্ৰতিযোগিতা ২০২৫ৰ আজি লেকাং ইউনাইটেড.এফ.চি বনাম শংকৰ টি.ই.এফ.চি. মাজত অনুষ্ঠিত হয়। আজিৰ খেল খনিৰ শুভ উদ্বোধন কৰে কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ ১ নং মেগেলা সমষ্টি কাৰ্য্যবাহী সদস্য শ্ৰী বসন্ত সোণোৱালে। আজি খেলখনত তিনিচুকীয়া জিলা পৰিষদৰ সদস্য শ্ৰদ্ধাৰ শ্ৰী পাপু শইকীয়া, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ সদস্য শ্ৰী অসীম সোণোৱাল ধৰি গাঁৱৰ পুৰোহিত সকল, বিশিষ্ট ব্যক্তি সকল আৰু ক্ৰীড়াপ্ৰেমী ৰাইজৰ সকল উপস্থিত থাকে।

# জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ দাবী অসম নাট্য সন্মিলন, তিনিচুকীয়া জিলা সমিতিৰ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৫ ছেপ্টেম্বৰ ঃ** অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু, সংস্কৃতি জীৱনৰ প্ৰাণস্পন্দন স্বৰূপ, সকলোৰে হৃদয়ৰ শিল্পী যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল মৃত্যুত অন্যান্য সকলৰ লগতে অসম নাট্য সন্মিলন, তিনিচুকীয়া জিলা সমিতিৰ প্ৰতিগৰাকী নাট্যকৰ্মীক মৰ্মাহত আৰু ব্যথিত কৰি তুলিছে। সুদূৰ ছিঙ্গাপুৰত অনুষ্ঠিত কৰা নৰ্থ ইষ্ট ফেষ্টিবেলত অনুষ্ঠান পৰিৱেশন কৰিবলৈ গৈ আকস্মিকভাৱে মৃত্যুক সাৱটি লোৱা এইগৰাকী মহান শিল্পীৰ এনে মৃত্যুক সহজভাৱে মানি ল'বলৈ টান পোৱা তিনিচুকীয়া জিলাৰ নাট্য সন্মিলনৰ প্ৰতিগৰাকী নাট্য কৰ্মীয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ উচিত তদন্ত বিচাৰি যোৱা ২৪ ছেপ্টেম্বৰৰ সন্ধিয়া ডুমডুমা আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। অসম নাট্য সন্মিলন, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি বিপুল ফুকন আৰু সম্পাদক জয়সূৰ্য বৰা স্বাক্ষৰিত এজাহাৰখনত উল্লেখ কৰি কয় যে, সুদূৰ ছিঙ্গাপুৰত অনুষ্ঠিত উত্তৰ-পূব উৎসৱ (North-East Festival)ত অনুষ্ঠান পৰিৱেশন কৰিবলৈ গৈ ৰহস্যজনকভাৱে মৃত্যুক আকোঁৱালি লোৱা শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাটোক আমি সহজে মানি ল'বলৈ টান পাইছোঁ। কাৰণ মৃত্যুৰ দিনৰে পৰা আজি ষষ্ঠ দিনটোলৈকে শিল্পীগৰাকীক নিমন্ত্ৰণ কৰা আৰু তেওঁৰ লগত যোৱা দলটোৰ সদস্য সকলৰ আচৰণ, বিভিন্ন টেলিফোনিক বাৰ্তালাপ, ভিডিঅ ক্লিপ আদি সামাজিক মাধ্যমৰ জৰিয়তে শুনা আৰু দেখাৰ পিছত ঘটনাটোৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত কেইবাগৰাকীও ব্যক্তিৰ ওপৰত আমাৰ সন্দেহ হৈছে। সেই সকল ব্যক্তিৰ দায়িত্বজ্ঞানহীন কৰ্মকাণ্ড আৰু চৰম অৱহেলাৰ বাবেই যে অসমীয়া জাতিৰ সম্পদ মহান শিল্পীগৰাকীক অকালতে হেৰুৱাব লগা হ'ল সেইটো নিশ্চিত। সেয়ে হৃদয়ৰ শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ প্ৰকৃত সত্য উদ্‌ঘাটন আৰু উচিত তদন্তৰ বাবে অতিশীঘ্ৰে নৰ্থ ইষ্ট ফেষ্টিবেলৰ আয়োজক শ্যামকানু মহন্ত, শিল্পীগৰাকীৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, বাদ্যযন্ত্ৰী শেখৰ গোস্বামী, ভাতৃ সন্দীপন গাৰ্গকে প্ৰমুখ্য কৰি সন্দেহৰ আৱৰ্তত থকা ব্যক্তি সকলক অতিশ্ৰীঘ্ৰে আইনৰ আওতালৈ আনি সোধপোচৰ বাবে আটক কৰিবলৈ দাবী জনালোঁ। উল্লেখযোগ্য যে, ডুমডুমা আৰক্ষী থানাৰ প্ৰভাৰী প্ৰাঞ্জল চেতিয়াৰ হাতত এই এজাহাৰখন দাখিল কৰাৰ সময়ত অসম নাট্য সন্মিলন, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি বিপুল ফুকন, সম্পাদক জয়সূৰ্য বৰা, সৌমাৰপীঠ মণ্ডলৰ সম্পাদক সাৰংগ নাথ, ডুমডুমা শাখাৰ সভাপতি দেবেন ডেকা আৰু তিনিচুকীয়া জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য খঞ্জন শইকীয়া উপস্থিত আছিল।

# জুবিন গাৰ্গৰ অকাল মৃত্যুত শোকাকূল জুৰীয়া; শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, জুৰীয়া, ২৫ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হৃদয়ৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰে সমগ্ৰ ৰাজ্যৰ লগতে জুৰীয়াতো শোকৰ ছাঁ পেলাইছে। অসমীয়া জাতিৰ বুকুৰ কুটুম শিল্পী গৰাকীৰ মৃত্যুৰ খবৰ পোৱা মাত্ৰেই জনজীৱন যেন স্তব্ধ হৈ পৰিছে। ৰাজ্যজুৰি শোক পালন কৰা সময়তে জুৰীয়াতো শিল্পীজনৰ আত্মাৰ সদগতিৰ বাবে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত শোক পালন কৰা পৰিলক্ষিত হৈছে। জুৰীয়াৰ মেলেকাধিং নতুন বজাৰ কমিটীয়ে শোক দিৱস পালন কৰে আৰু শ্ৰদ্ধাঞ্জলি জনায়। উপস্থিত থাকে সমাজ সেৱক, শিক্ষক সমাজ, ছাত্ৰ সমাজ, বাণিজ্যিক ব্যক্তি সকলৰ লগতে 'যুৱ সহায়ক সন্থা' নগাঁও জিলা সমিতিৰ সভাপতি ছোহাইল আল মোকছিন (ৰাজু) আৰু নগাঁও জিলানেমচুৰ কাৰ্য্যকৰী সভাপতি হাফিজ ইনামুল হক আৰু মোস্তাকিম আহমেদ আৰু ৰাইজ। শিক্ষক মাহবুবুৰ ৰহমানে এটা জুবিন গাৰ্গৰ স্মৃতিত এটা কবিতা লিখি মুকলি কৰে।

# বাক্সাৰ খৈৰাণীত শাৰদীয় দুৰ্গোৎসৱৰ আয়োজন

**অসম বাৰ্তা, বাগানপাৰা, ২৪ ছেপ্টেম্বৰ ঃ** বাক্সা জিলাৰ খৈৰাণী গাঁও আৰু ইয়াৰ আশে-পাশে থকা নানা জাতি উপজাতিৰ লোক সকলে লগলাগি শক্তিৰ অধিষ্ঠাত্ৰী দেৱী মা দুৰ্গাৰ পূজা অৰ্চনা কৰাৰ উদ্দেশ্যে অহা ২৮ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ নৱম সংখ্যক খৈৰাণী বাৰোৱাৰী শাৰদীয় দুৰ্গোৎসৱৰ আয়োজন কৰিছে। পূজা সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে হৰ্ষবাহাদুৰ মগৰক সভাপতি আৰু মন বাহাদুৰ প্ৰধানক সম্পাদক হিচাপে লৈ এখন পূজা উদযাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী মতে ২৮ ছেপ্টেম্বৰত পুৱা পৰিৱেশ নিকাকৰণৰ পিছতে পূজা উদ্‌যাপন সমিতিৰ সভাপতি হৰ্ষবাহাদুৰ মগৰে ধৰ্মধ্বজা উত্তোলন, সমাজকৰ্মী ক্ৰমে গিৰীশ তালুকদাৰ, কাশীৰাম বড়ো, খৈৰাণী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক ৰঞ্জিত তালুকদাৰ, সমাজকৰ্মী ভীম বাহাদুৰ দাহাল, বৰিকাদঙা এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বাগবাহাদুৰ মগৰে গছপুলি ৰোপণ কৰিব। ধৰ্মীয় ৰীতি-নীতিৰে জয়যাত্ৰা অৰ্থাৎ পানীতোলা কাৰ্যসূচী উদ্বোধন কৰিব দুৰ্গামল্ল স্মৃতি সংঘৰ সভাপতি গোপাল উপাধ্যায়ে। আবেলি অতিথিশালা উদ্বোধন কৰিব অতিথিশালা দাতা ঘনশ্যাম খনিকৰে। বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে মুখ্যদ্বাৰ উন্মোচন, ৰঘুনাথ শৰ্মাই পূজা মণ্ডপৰ দ্বাৰ উন্মোচন আৰু বন্তি প্ৰজ্বলন, শ্ৰীশ্ৰী দুৰ্গাদেৱীৰ প্ৰতিমা স্থাপন। মুখ্য পুৰোহিত শ্যাম ভট্টৰাই সহযোগী সকল ক্ৰমে গোপাল ভট্টৰাই, লক্ষ্মণ তিমচিনা। কৰ্তা- ঘনশ্যাম আচাৰ্য আৰু লীলা গৌতম। স্থানীয় গোৰ্খা মহিলা সকলে সংকীৰ্তন পৰিৱেশন কৰিব। ষষ্ঠী তিথিত পূজা আৰম্ভ হৈ দশমী তিথিত মা দুৰ্গাৰ মহিষাসুৰ বধেৰে প্ৰতিমা বিসৰ্জন দিয়া হ'ব। খৈৰাণী শাৰদীয় দুৰ্গোৎসৱৰ বিশেষ কাৰ্যসূচী সমূহ হ'ল - আয়তীৰ নাম, সংকীৰ্তন, নৃত্য প্ৰতিযোগিতা, বগাজুলীৰ আৰজ, ঝুমুৰ নৃত্য প্ৰদৰ্শন, মৈঠাবাৰী বিহামজৌ হাঞ্জাৰ নৃত্য প্ৰদৰ্শন, দেৱী দুৰ্গাৰ মহিষাসুৰ বধ অভিনয়, মহিলা পাঠক প্ৰিয়ংকা বৰ্মনৰ নাগাৰা নাম পৰিৱেশন কৰা হ'ব। সামৰণিৰ দিনা নিশা স্থানীয় শিল্পীৰ দ্বাৰা বাৰেৰহনীয়া নৃত্য প্ৰদৰ্শন আৰু মাইনাও বিহামজৌ হাঞ্জাৰ নৃত্য প্ৰদৰ্শন কৰা হ'ব। এই সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰিব খৈৰাণী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নেত্ৰ ভূষণ খড়কাই। পূজাৰ সকলো কাৰ্যসূচীত অঞ্চলবাসী ৰাইজৰ সহায় -সহযোগিতা পূজা উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

# জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ অসমীয়া সাহিত্য সন্মিলনী নগাঁও জিলাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, নগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠান, সংগঠনৰ লগতে ব্যক্তিগত পৰ্যায়তো জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আজিও চলি আছে। পুৱাৰে পৰা নিশালৈকে এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অগণন হাজাৰ হাজাৰ লোকৰ উপস্থিতি পৰিলক্ষিত হৈছে। নগাঁও চহৰত বসবাস কৰা নগাঁওবাসী কলিয়াবৰীয়া মঞ্চৰ উদ্যোগত মঞ্চৰ কাৰ্যালয়ত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অসমীয়া সাহিত্য সন্মিলনীৰ নগাঁও জিলা সমিতিৰ উদ্যোগত নেহৰু যুৱক কেন্দ্ৰত জুবিন গাৰ্গৰ স্মৃতিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। সন্মিলনীৰ জিলা সভাপতি ঋষেশ্বৰ ঠেঙাল শইকীয়াৰ লগতে দিগন্ত ভাগৱতী, নিজৰা শইকীয়া, শোণিত বৰঠাকুৰ, অশোকৰাম ভট্টাচাৰ্য, গুণকান্ত শৰ্মা, অৰূপ গোস্বামী, বিজুমণি দেৱী, দ্বীপেন শইকীয়াকে প্ৰমুখ্য কৰি অৰ্ধশতাধিক লোকে অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত জুবিন গাৰ্গৰ মায়াবিনী শীৰ্ষক গীত পৰিৱেশন কৰা হয়। অসম আবৃত্তি পৰিষদৰ নগাঁও জিলা সমিতিব উদ্যোগত নগাঁও চহৰৰ মুকুট শৰ্মা চাৰিআলিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। আবৃত্তি পৰিষদৰ কেইবাগৰাকী সদস্যাই জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰাৰ লগতে জুবিন গাৰ্গক লৈ লিখা কবিতা পাঠ কৰে। আনহাতে, মৰিকলং ভাস্কৰ ক্লাৱ, মৰিকলং প্ৰগতি সংঘ ও পুথিভঁৰাল, মৰিকলং হিন্দুঃস্থানী যুৱক সংঘ, বৃহত্তৰ মৰিকলং যুৱ মঞ্চ, নগাঁৱৰ ৰণাংগন প্ৰকাশন গোষ্ঠী, শিৱনগৰ মহিলা সমাজ, সমলয় সাংস্কৃতিক গোষ্ঠী, কছলুখোৱা নামঘৰ সমিতি আৰু কছলুখোৱা স্বৰ্ণ শাখা সাহিত্য সভা, অৰুণোদয় সাহিত্য চ'ৰা, মেট্ৰিস্ক ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল, সনাতন পূজা সমিতি, মাৰোৱাৰী সন্মিলন, ভোজপুৰী পৰিষদ, নেহৰুবালী সান্ধ্য ভ্ৰমণকাৰী নগঞা, ডিউ কেয়াৰ হাস্পতাল আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। ইপিনে নগাঁও জিলাৰ কুঁজীডাহৰ যুৰীয়া নামঘৰ ৰাস উদ্‌যাপন সমিতিৰ উদ্যোগত ৰাইজে সহস্ৰাধিক প্ৰজ্বলনৰে জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনায়।

# গৰৈমাৰীৰ যুৱক বহিঃৰাজ্য তামিলনাডুত বিয়োগ

**অসম বাৰ্তা, গৰৈমাৰী, ২৫ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ জোৰশিমুলী গছপোতা গাঁৱৰ যুৱক এজন আজি পুৱা তামিলনাডুত আকস্মিকভাৱে মৃত্যু হয়। জানিব পৰামতে গৰৈমাৰীৰ জোৰশিমুলী গছপোতা গাঁও নিবাসী তথা টপাৰ পথাৰস্থিত ড° জাকিৰ হুছেইন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুছ ছামাদৰ পুত্ৰ নজৰুল ইছলাম কৰ্মসূত্ৰে বহিঃৰাজ্য তামিলনাডুৰ ধূপ কাঠি কাৰখানাত কৰ্মৰত আছিল। নজৰুল ইছলাম (৪৪) আজি পুৱা প্ৰায় ৪-৪৫ বজাত টোপনিত থকা অৱস্থাত আকস্মিকভাৱে বিছনাৰ খাটৰ পৰা পৰি অচেতন হৈ পৰে। পিছত কোঠাত থকা অন্য যুৱকে নজৰুল ইছলামক ততাতৈযাকৈ ওচৰতে থকা চিকিৎসালয় এখনত ভৰ্তি কৰায় যদিও প্ৰাথমিক চিকিৎসাৰ অন্তত যুৱকজনৰ ইতিমধ্যে মৃত্যু হোৱা বুলি ঘোষণা কৰে। মৃত্যুৰ সময়ত যুৱকজনে পত্নী, দুগৰাকী পুত্ৰ সন্তানক ইহসংসাৰত এৰি যায়। যুৱকজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

ডিজিটেল আৰ্কাইভ স্থাপন কৰা উজু কথা নহয়। ইয়াত বিভিন্ন পৰ্যায়ৰ কাম থাকে। জুবিনৰ সৈতে জড়িত এনালগ মাধ্যমসমূহ যেনে কেছেট, প্ৰিণ্ট ফটো, কাকত আলোচনীৰ লেখা আদি শুদ্ধ আৰু সম্পূৰ্ণ মেটাডাটাসহ লছলেছ ফৰ্মেটত ডিজিটাইজ কৰিব লাগিব। ব'ৰ্ন ডিজিটেল সৃষ্টিকৰ্মসমূহৰ লোকেল কপি কৰিব লাগিব। সেইবোৰ প্ৰণালীবদ্ধ কৰিবলৈ লাগিব প্ৰশিক্ষিত পেছাদাৰী কেটেলগাৰযআৰ্কাইভিষ্ট আৰু সংৰক্ষণ কৰিবলৈ লাগিব বৃহৎ ডাটা চাৰ্ভাৰ। সেই ডাটা চাৰ্ভাৰৰ আকৌ বেক-আপ চাৰ্ভাৰো লাগিব।

## সম্পাদকীয়

# সাংস্কৃতিক অস্তিত্বৰ সংকটত তেজপুৰ বিশ্ববিদ্যালয়

অসমৰ সাংস্কৃতিক অস্তিত্বৰ সৈতে আত্মীয়তা ৰখা, জনতাৰ হৃদয়ৰ শিল্পী জুবিন গাৰ্গৰ অকাল বিদায়ে গোটেই ৰাজ্যখনক শোকাকুল কৰি পেলোৱাৰ লগে লগে সমাজত লুকাই থকা কেইবাটাও জটিলতা আৰু অসন্তুষ্টি পৰিস্ফুত কৰি তুলিছে। তেজপুৰ বিশ্ববিদ্যালয়ত শিল্পীজনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানক লৈ সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতি, ছাত্ৰ-ছাত্ৰী আৰু উপাচাৰ্যৰ মাজত হোৱা সংঘৰ্ষ, আৰু ইয়াৰ পিছত দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ সিদ্ধান্তে এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে- এই ঘটনাটো এটা বিচ্ছিন্ন অভিযোগ নে আমাৰ উচ্চশিক্ষানুষ্ঠানসমূহৰ প্ৰশাসনিক ব্যৱস্থাত বিৰাজ কৰা ৰোগৰ এক প্ৰকাশ মাত্ৰ? নিঃসন্দেহে, জুবিন গাৰ্গৰ দৰে ৰাষ্ট্ৰীয় ব্যক্তিত্বৰ মৃত্যুত ৰাজ্য চৰকাৰে তিনিদিনীয়া শোক পালনৰ সময়ছোৱাত বিশ্ববিদ্যালয় এখনৰ ফালৰ পৰা আনুষ্ঠানিক শ্ৰদ্ধাঞ্জলিৰ কোনো ব্যৱস্থা নোহোৱাটোৱে ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ এক বৃহৎ শ্ৰেণীৰ মানুহৰ মনত আঘাত দিয়ে। শোণিতপুৰৰ জিলা আয়ুক্তই তদন্তৰ নিৰ্দেশ দিয়াটোৱে এই মনস্তাপৰ গুৰুত্ব স্বীকাৰ কৰাৰ ইংগিত। কিন্তু সাধাৰণ ৰাইজৰ মনত এই সন্দেহই ঠাই কৰি আহিছে যে এই তদন্তটোৱে ঘটনাৰ পৃষ্ঠভূমিত থকা মুখ্য সমস্যাসমূহ চিনাক্ত কৰিব পাৰিব নে ই কেৱল চাপৰ পৰিস্থিতি সাময়িকভাৱে নিয়ন্ত্ৰণ কৰাৰ এক আহিলা হিচাপেহে কাম কৰিব। ঘটনাটোৱে যিটো গুৰুত্বপূৰ্ণ প্ৰসংগ আগত দাঙি ধৰে সেয়া হ'ল বিশ্ববিদ্যালয়ৰ প্ৰশাসন আৰু ছাত্ৰসমাজৰ মাজৰ সম্পৰ্কৰ দুৰ্বলতা। উপাচাৰ্য শম্ভু নাথ সিঙৰ বিৰুদ্ধে উঠা অপমানজনক মন্তব্যৰ অভিযোগ, জনসম্পৰ্ক বিষয়া সমৰেশ বৰ্মনৰ পদত্যাগ আৰু তেওঁ উত্থাপন কৰা স্বৈৰাচাৰী শাসন আৰু দুৰ্নীতিৰ গুৰুত্বপূৰ্ণ অভিযোগসমূহে ইয়াৰ আগতেই বিশ্ববিদ্যালয়ৰ পৰিৱেশ কিমান উত্তপ্ত আছিল সেয়া স্পষ্ট কৰি তুলিছে। জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলিৰ ঘটনাটোৱে এই উত্তপ্ত জুইত ঘৃতাহুতিৰ কামহে কৰিলে। গতিকে, বৰ্তমানৰ তদন্তে যদি কেৱল শ্ৰদ্ধাঞ্জলি অনুষ্ঠানক লৈ হোৱা সংঘৰ্ষলৈয়ে সীমিত হৈ থাকে, তেন্তে ই সম্পূৰ্ণৰূপে বিফল হ'ব। ইয়াৰ প্ৰধান লক্ষ্য হ'ব বিশ্ববিদ্যালয়ৰ প্ৰশাসনত বিৰাজ কৰা বুলি অভিযোগ কৰা দুৰ্নীতি, স্বেচ্ছাচাৰিতা আৰু কৰ্তৃপক্ষৰ জবাবদিহিতাৰ অভাৱৰ দিশসমূহৰ এক নিৰপেক্ষ আৰু স্বচ্ছ তদন্ত কৰা। সাধাৰণ ৰাইজৰ মনত এই সন্দেহে দেখা দিছে যে এইবাৰৰ তদন্তটোও পূৰ্বৰ দৰে কাগজী সফলতাহে হ'ব? বিশ্ববিদ্যালয়ে দ্ৰুততাৰে জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি স্থাপন আৰু মৰণোত্তৰভাৱে ডক্টৰেট ডিগ্ৰী প্ৰদানৰ ঘোষণাটোৱে সন্মান প্ৰদৰ্শনৰ আন্তৰিকতা নে ছাত্ৰ অসন্তুষ্টি আৰু তদন্তৰ চাপত লোৱা ৰাজনৈতিকভাৱে সুবিধাজনক সিদ্ধান্ত— এই কথাটোও বিবেচনাৰ বিষয়। ৰাইজে সাৱধানেৰে চাব লাগিব যে এই ঘোষণাবোৰ কাৰ্যকৰী ৰূপ লয় নে নলয়। অৱশ্যে তেজপুৰ বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ সংকটটো এক সুযোগ হিচাপেও পৰিগণিত হ'ব পাৰে। ই এখন উচ্চশিক্ষানুষ্ঠানক ইয়াৰ প্ৰাথমিক লক্ষ্য—যি হ'ল জ্ঞানৰ মুক্ত বতৰা, গণতান্ত্ৰিক মূল্যবোধ আৰু স্বচ্ছ প্ৰশাসন— লৈ উভতি যোৱাৰ বাট মুকলি কৰি দিব পাৰে। ছাত্ৰ-শিক্ষক-কৰ্মচাৰী সকলোৰে অংশগ্ৰহণত এক সক্ৰিয় আৰু জবাবদিহিতামুখী পৰিৱেশ গঢ়ি তোলাটো সময়ৰ অপৰিহাৰ্য দাবী। জুবিন গাৰ্গৰ সৃষ্টিশীলতা আৰু স্পষ্টবাদিতাই যি মুক্ত চিন্তাৰ পৰিৱেশক সদায়ে সমৰ্থন কৰিছিল, তেজপুৰ বিশ্ববিদ্যালয়ত যদি তেওঁৰ স্মৃতিত সঁচাকৈয়ে এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ সূচনা হয়, তেন্তে সেয়া হ'ব জাতীয় শিল্পীজনক দিয়া সৰ্বশ্ৰেষ্ঠ শ্ৰদ্ধাঞ্জলি। দণ্ডাধীশৰ তদন্তই কেৱল এটা ঘটনাৰ তদন্ত নকৰি, এখন শিক্ষানুষ্ঠানক ইয়াৰ মহত্বপূৰ্ণ গন্তব্যপথলৈ পুনৰ্দিশা দিয়াটোৱেই হ'ব ইয়াৰ সফলতাৰ মাপকাঠি।

# জুবিন গাৰ্গ ডিজিটেল আৰ্কাইভ প্ৰতিষ্ঠা হওক

মানৱ প্ৰতিম শৰ্মা

পৰিসংখ্যাৰ ফালৰ পৰা জুবিন গাৰ্গৰ সৃষ্টিৰাজি অভিলেখ গঢ়িব পৰাকৈ বিশাল। ১৯৯২ চনৰ পৰা আজিলৈ ৩৮, ০০০ গীত, বহুকেইখন চিনেমা, বহুতো মিউজিক ভিডিঅ' জুবিনে সৃষ্টি কৰিলে। কেৱল এয়াই নহয়; সহস্ৰাধিক মঞ্চানুষ্ঠান, টিভি শ্ব', সাক্ষাৎকাৰ, ভাষণ, বক্তব্য, সামাজিক মাধ্যমৰ পোষ্ট আদিও জুবিনৰ সৃষ্টিশীল কৰ্মৰ আওতালৈ আহে। এইবোৰৰ লগতে যদি আমি বিভিন্ন মাধ্যমত জুবিনৰ বিষয়ে আনে লিখা প্ৰবন্ধ, প্ৰশস্তি, শত-সহস্ৰ ফটো-ভিডিঅ', বাতৰি আদি ধৰোঁ, তেন্তে জুবিন বিষয়ক এক সুবৃহৎ তথ্যভাণ্ডাৰ অসমৰ আছে। জুবিনৰ মৃত্যুৰ পিছত লাখ লাখ অনুৰাগীৰ শ্ৰদ্ধাঞ্জলি বাৰ্তা আৰু হাজাৰ হাজাৰ নিউজ ক্লিপিঙৰ কথা নকলোঁৱেই বা। অসমখনৰ স্বাৰ্থত, অসমৰ কলা সংস্কৃতিৰ স্বাৰ্থত, অসমীয়া নামৰ পৰিচয়টোৰ স্বাৰ্থত এই অতুলনীয় অভূতপূৰ্ব তথ্যভাণ্ডাৰ উত্তৰসূৰীলৈ সংৰক্ষিত হৈ থকাটো বিচাৰোঁ। ইয়াৰ বাবে এক বৃহৎ পৰিসৰৰ ডিজিটেল আৰ্কাইভ প্ৰতিষ্ঠা হওক। ভাৰত তথা অসমৰ চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয় আৰু প্ৰসাৰ ভাৰতীৰ পৃষ্ঠপোষকতাত, অসমৰ ৰাইজ, মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহৰ সহযোগত আৰু জুবিনৰ পৰিয়ালৰ সন্মতিত এই প্ৰকল্পটো আৰম্ভ হওক।

ডিজিটেল আৰ্কাইভ স্থাপন কৰা উজু কথা নহয়। ইয়াত বিভিন্ন পৰ্যায়ৰ কাম থাকে। জুবিনৰ সৈতে জড়িত এনালগ মাধ্যমসমূহ যেনে কেছেট, প্ৰিণ্ট ফটো, কাকত আলোচনীৰ লেখা আদি শুদ্ধ আৰু সম্পূৰ্ণ মেটাডাটাসহ লছলেছ ফৰ্মেটত ডিজিটাইজ কৰিব লাগিব। ব'ৰ্ন ডিজিটেল সৃষ্টিকৰ্মসমূহৰ লোকেল কপি কৰিব লাগিব। সেইবোৰ প্ৰণালীবদ্ধ কৰিবলৈ লাগিব প্ৰশিক্ষিত পেছাদাৰী কেটেলগাৰ/আৰ্কাইভিষ্ট আৰু সংৰক্ষণ কৰিবলৈ লাগিব বৃহৎ ডাটা চাৰ্ভাৰ। সেই ডাটা চাৰ্ভাৰৰ আকৌ বেক-আপ চাৰ্ভাৰো লাগিব।

সামাজিক মাধ্যমত জুবিন গাৰ্গৰ বিষয়ে আলোচনা যোৱা দুটা দশক ধৰি চলি আছে। যোৱা কেইদিন অৱধাৰিতভাৱে তাৰ পৰিমাণ সহস্ৰগুণ বাঢ়িছে। এই পোষ্টবিলাকৰ এশ শতাংশ নহ'লেও ষাঠি শতাংশক এপিআই আৰু অন্যান্য সঁজুলি ব্যৱহাৰ কৰি সংগ্ৰহ কৰিব পৰা যায়। জুবিন গাৰ্গৰ প্ৰতি অসমবাসীৰ আৱেগৰ জীয়া খতিয়ান এই পোষ্টবোৰৰো সংৰক্ষণ জৰুৰী।

ইয়াৰ লগতে আহে আইনী বাধ্যবাধকতাৰ কথা। ভাৰতত অডিঅ'-ভিডিঅ' ৰেকৰ্ডিঙৰ কপিৰাইট থাকে উন্মোচনৰ ৫০ বছৰ পিচলৈ। অৰ্থাৎ অনামিকাৰো কপীৰাইট ২০৪২ চনলৈ আছে। গতিকে জুবিনদাৰ গীত আৰু ভিডিঅ'ৰ স্বত্বাধিকাৰ থকা মিউজিক লেবেল/প্ৰডাকচন হাউছসমূহৰ লগত আইনী চুক্তিৰ কথা আহিব। একেই চুক্তিৰ কথা সাংস্কৃতিক অনুষ্ঠানৰ ভিডিঅ', নিউজক্লিপিং, পডকাষ্টসমূহৰ লগতো আহিব। তদুপৰি আৰ্কাইভটোৱে যাতে নিজেও ৰয়েল্টী উপাৰ্জন কৰিব পাৰে সেয়া নিশ্চিত কৰিব লাগিব। এই আটাইবোৰ তদাৰক কৰিবলৈ আইনী তথা ব্যৱসায়িক অভিজ্ঞতাসম্পন্ন লোকৰ সমিতি বা ন্যাস লাগিব। (এইখিনিতে উল্লেখ কৰিব খুজোঁ, জুবিন গাৰ্গৰ সৃষ্টিৰাজিৰ কপিৰাইট ৰয়েল্টি আদিত বিভিন্ন অনিয়মৰ অভিযোগ ইতিমধ্যে উত্থাপিত হৈছে। এই জঞ্জালবোৰ মাৰি নতুনকৈ চম্ভালিবলৈ নিঃস্বাৰ্থ পেছাদাৰী ব্যক্তি/প্ৰতিষ্ঠান নিয়োগ কৰাটো অতি জৰুৰী। 'জুবিনদা' নামটোৰ গুৰুত্ব অসমত সদায়ে থাকিব আৰু এই নামটোৰ পৰা হোৱা প্ৰতিটো উপাৰ্জনৰ লভ্যাংশ জুবিনৰ পৰিয়াল/উত্তৰাধিকাৰীয়ে পাব লাগে। মাইকেল জেকছনৰ মৃত্যুৰ সময়ত ধাৰত পোত খাই থকা 'মাইকেল জেকছন ইষ্টেট'ক দুজন মেনেজাৰে ২.৫ বিলিয়ন ডলাৰ সম্পত্তিৰ অনুষ্ঠান কৰি তুলিছে। আজি জেকছনৰ মৃত্যুৰ ১৬ বছৰ পিছতো তেওঁৰ মাতৃ আৰু সন্তানে বুজন পৰিমাণৰ ধন মাহিলী লাভ কৰে)।

এই ডিজিটেল আৰ্কাইভটো হৈ পৰিব জুবিন গাৰ্গক জীয়াই ৰাখিবলৈ কৰা সমস্ত প্ৰচেষ্টাৰ মূল ভেঁটি। ভৱিষ্যত প্ৰজন্মই, গৱেষকে, পৰ্যটকে এই আৰ্কাইভৰ দ্বাৰা জুবিনৰ শিল্পীসত্ত্বাক অনুধাৱন কৰিব পাৰিব। অনুভৱ কৰিব জুবিনৰ বিশালতা। জুবিনৰ গীত, সুৰ, কণ্ঠ, অভিনয়ৰ ওপৰত শৈক্ষিক গৱেষণা বিশেষ হোৱাই নাই। তদুপৰি জুবিনৰ জীৱনদৰ্শন, ৰাইজৰ জুবিনৰ প্ৰতি আৱেগ, ৰজাঘৰ প্ৰজাঘৰৰ সৈতে জুবিনৰ সম্পৰ্কৰ ডাইনামি' আৰু সদৌ শেষত জুবিনৰ অস্বাভাৱিক মৃত্যু তথা তাৰ পিছৰ অসমৰ পৰিস্থিতিৰ ওপৰত ভৱিষ্যতে শই শই গৱেষণা হ'ব। এই সকলোবোৰৰ বাবে প্ৰাৰম্ভিক সমলৰ উৎস হ'ব এই আৰ্কাইভ। আৰ্কাইভৰ ডাটাবেছ যিমানে বিশাল আৰু শুদ্ধ হ'ব ভৱিষ্যতে আমি সিমানে শুদ্ধকৈ জুবিনৰ এ. আই. প্ৰতিৰূপো সৃষ্টি কৰিব পাৰিম। লগতে এই আৰ্কাইভটোৰ দ্বাৰা তেওঁৰ শিল্পকৰ্ম সঁচা অৰ্থত অসমৰ/অসমীয়াৰ হৈ থাকিব। মনত ৰখা উচিত যে ফেচবুক/ইনষ্টাগ্ৰাম/ইউটিউব আদি আমেৰিকান কোম্পানী আৰু এওঁলোকৰ ডাটা চাৰ্ভাৰবিলাক আমেৰিকাৰ উপৰিও ডেনমাৰ্ক, ছিংগাপুৰ, টাইৱান আদি বিভিন্ন দেশত সিঁচৰতি হৈ থাকে। কাইলৈ ডোনাল্ড ট্ৰাম্পে গুগলক ভাৰতত ব্যৱসায় বন্ধ কৰিবলৈ আদেশ দিব পাৰে, পৰহিলৈ টাইৱানৰ ডাটা চেণ্টাৰত চীনে মিছাইল ফুটাই দিব পাৰে। সিমান দূৰলৈ নাযাওঁয়েই,



যান্ত্ৰিক বিজুতি বা 'পলিচি চেঞ্জ'ৰ ফলত যদি জুবিনৰ কেইশমান গান ইণ্টাৰনেটৰ পৰা হেৰাই যায় তেতিয়া? ইতিমধ্যে জুবিনৰ অন্ত্যেষ্টিক্ৰিয়াৰ পিছদিনা পুৱাই মায়াবিনী গীতটো কেইঘণ্টামানৰ কাৰণে স্পটিফাইৰ পৰা নোহোৱা হৈ গৈ আমাক ভেবাচেকা খুৱাই থৈছে। সেইবাবেই জুবিনৰ জীৱন-কৃতিৰ সমস্ত চেভ হৈ থকা ডিজিটেল আৰ্কাইভটো ফিজিকেল ডাটা চেণ্টাৰৰ সৈতে অসমত প্ৰতিষ্ঠা হোৱা প্ৰয়োজন। ক্লাউডতো থাকিব, কিন্তু বেকআপৰ বেকআপ হিচাপেহে।

এনে এক বৃহৎ আৰ্কাইভ প্ৰতিষ্ঠা, পৰিচালনা আৰু নিয়মীয়াকৈ আপগ্ৰেড কৰি থাকিবলৈ প্ৰচুৰ অৰ্থ সম্পদ আৰু মানৱ সম্পদৰ প্ৰয়োজন হ'ব। আৰ্কাইভ অফিছ আৰু ডাটা চেণ্টাৰ বাৰু ৰাইজ তথা চৰকাৰী-বেচৰকাৰী বৰঙনিৰে সজা হ'ল। শ্ৰমসাধ্য কামসমূহ যেনে স্কেনিং কৰা, আপলোড কৰা, ক্লাছিফাইং-কেটেলগিং কৰা, বেকআপ বনোৱা, লিগেল ড্ৰাফটিং কৰা আদি কাম বাৰু মহাবিদ্যালয় - বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু স্বেচ্ছাসেৱকে কৰি দিলে। কিন্তু স্থায়ী বিষয়া-কৰ্মচাৰীৰ দৰমহা, বিদ্যুৎ বিল, বিভিন্ন অনলাইন চাবস্ক্ৰিপ্‌ছন, ভৱিষ্যৎ সম্প্ৰসাৰণ আদিৰ খৰচ কেনেকৈ আহিব? আহিব, যদিহে জুবিনৰ সৃষ্টিকৰ্মৰ পৰা হোৱা উপাৰ্জনৰ সঠিক ব্যৱস্থাপনা প্ৰণালী গঢ়ি তুলিব পৰা যায় (আৰ্কাইভটোৱো তাৰে এটা অংগ হ'ব)। নহ'লে গোটেই প্ৰচেষ্টাটোৱে ফুটুকাৰ ফেন হ'ব। থকাখিনিও অথলে যাব। অসমত শিল্পীৰ দুৰৱস্থাহে নিত্য নৈমিত্তিক বাতৰি। বিষ্ণু ৰাভাৰ ঘৰৰ ছাল উৰুখা, ভূপেন হাজৰিকা সমাধিৰ অক্ষয় বন্তি গেছৰ অভাৱত নুমোৱা, গু.বি.ৰ ভূপেন হাজৰিকা আৰ্কাইভৰ ৱেবছাইট বহুদিন ধৰি ডাউন হৈ থকা আদি নঞৰ্থক বাতৰিৰ বিপৰীতে 'জুবিন গাৰ্গ বৈদ্যুতিন অভিলেখাগাৰ' এক সুন্দৰ সফল উদাহৰণ হৈ জিলিকি থাকক।

# হাৰ্টথ্ৰৱ জুবিনৰ মৃত্যু - এটা ৰহস্য

আয়শা ছিদ্দিকা

অসমীয়া সংস্কৃতিৰ আকাশত উজ্জ্বল নক্ষত্ৰ আছিল জুবিন গাৰ্গ। অসমীয়া ভাষা- সংস্কৃতি, সংগীত আদি যিজনক লৈ জনগণ গৌৰৱ অনুভৱ কৰিছিল, যিজনৰ কণ্ঠই মানুহক কঁপাই তুলিছিল, যাক অসমীয়াৰ হিয়াৰ আমঠু বুলি কয়। যাৰ অবিহনে অসম শূন্য যেন লাগে তেনে ব্যক্তি এজনৰ অকস্মাত মৃত্যু এক অমীমাংসিত ৰহস্য। ১৯ ছেপ্তেম্বৰ, ২০২৫ এই দিনটো অসমবাসীৰ ইতিহাসত শোকৰ দিন হিচাপে লিখা থাকিব। সময় যিমানেই গৈ আছে কথাবোৰ যেন আৰু বেছি জটিল হৈ আছে। অসমৰ হৰ্টথ্ৰৱ জুবিন যিজন মানুহ অসমীয়াৰ হৃদয়ৰ স্পন্দন। মুকলি কৈ সমালোচনা কৰি কোনো প্ৰভাৱশালী ব্যক্তিলৈ ভয় নকৰা চাগে তেৱেঁই প্ৰথম অসমীয়া ব্যক্তি। তেওঁৰ বিয়োগৰ বাতৰিয়ে সমগ্ৰ অসমত এক শোকৰ ছাঁ পেলাইছে। আৰু লগতে মৃত্যুটো যে এটা সাধাৰণ মৃত্যু নহয় সেই কথাৰ ইংগিত দিছে সামাজিক মধ্যমত প্ৰচাৰ হোৱা কিছুমান স্ক্ৰীনশটে আৰু তাৰে পৰা এইটো স্পষ্ট হয় হে জুবিনৰ প্ৰতি যত্নৰ গাফিলতিত, কিছুমানৰ স্বাৰ্থত পূৰণত অসমে কেতিয়াও পূৰণ নহ'বলগীয়া ক্ষতিৰ অংশীদাৰ হ'ল।

সমগ্ৰ অসমবাসীৰ মনত এটাই প্ৰশ্ন যদি জুবিন দাৰ সাধাৰণ মৃত্যু কিংবা সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ দৰে অকস্মাত দুৰ্ঘটনা নহয় তেন্তে মৃত্যুৰ প্ৰকৃত কাৰণ কি...? জুবিন গাৰ্গৰ সংগী এজনৰ সাক্ষাৎকাৰ যেন ৰহস্যবোৰ আৰু গম্ভীৰ কৰি তুলিছে। তেওঁৰ ভাষ্য মতে, মৃত্যুৰ কিছু সময় পূৰ্বে জুবিন গাৰ্গৰ মুখ-নাকৰ পৰা বগা কিবা যেন ওলাইছিল আৰু তেওঁৰ শৰীৰ নিথৰ হৈ পৰিছিল। যদি সঁচাকৈয়ে এয়া পানীত সাঁতুৰি ক্লান্ত হোৱাৰ ফল, তেন্তে ছিংগাপুৰ চিকিৎসালয়ে মৃত্যুৰ কাৰণক পানীত পৰি মৃত্যু বুলি কেনেকৈ ঘোষণা কৰিলে? এইবোৰ কথাই এক গভীৰ দ্বন্দ্বৰ সৃষ্টি কৰিছে।

এইয়া কোনো গুপ্ত ষড়যন্ত্ৰ নেকি। জুবিন গাৰ্গ এজন সহজ সৰল মানুহ। তেওঁ কাকো খাটিৰ নকৰে কাকো কেৰেপ নকৰে। আৰু ভাল মনৰ মানুহক সকলোয়ে সহ্য কৰিব নোৱাৰে। তেখেতৰ মৃত্যু এটা দুৰ্ঘটনা বুলি কোনেও মানি ল'ব পৰা নাই। জুবিন গাৰ্গ কোনো সাধাৰণ শিল্পী কিংবা মাথোঁ এজন গায়ক নহয়। তেওঁৰ জীৱনৰ প্ৰতিটো দিন, প্ৰতিটো পদক্ষেপ তেওঁৰ অনুৰাগীৰ ওপৰত প্ৰভাৱ পেলাইছিল। ৰাজনীতি হওক সমাজনীতি হওক কিংবা সংগীত প্ৰত্যেক ক্ষেত্ৰত তেখেতে মুক্ত কণ্ঠেৰে কথা কৈছিল, প্ৰতিবাদ কৰিছিল। কোনো প্ৰভাৱশালী শক্তিলৈ ভয় নকৰি সত্য কথা প্ৰকাশ কৰা জুবিনৰ জীৱনৰ শেষত এনে অস্বচ্ছ পৰিস্থিতি গঢ়ি উঠা সঁচাই ভাবিবলগীয়া বিষয়।

সমগ্ৰ অসমবাসীৰ মনত এতিয়া মাত্ৰ এটাই প্ৰশ্ন জুবিন গাৰ্গৰ মৃত্যু সাধাৰণ হ'ব নোৱাৰে ইয়াৰ আঁৰৰ ৰহস্য আছে সেই ৰহস্যটো কি..? সামাজিক মাধ্যমত হৈ থকা কথাৰ অমিলৰ বাবেই এনে প্ৰশ্ন উদয় হয় মনত। কিন্তু উত্তৰ এতিয়াও সঠিক পোৱা নাই। যদিও ছিংগাপুৰৰ চিকিৎসালয়ে প্ৰক্ৰিয়াগতভাৱে এক সাধাৰণ মৃত্যু বুলি ঘোষণা কৰিছে, তথাপিও জুবিন গাৰ্গৰ অনুৰাগীৰ মনৰ সন্দেহৰ আভা আঁতৰোৱা কঠিন। ইয়াৰ বাবে CBI(Central Bureau of Investigation)ৰ তদন্ত কৰি ৰহস্য ভেদ কৰা উচিত।

অসমৰ বাবে জুবিন গাৰ্গ কেৱল এজন সংগীতজ্ঞ নহয় তেওঁ আছিল অসমীয়া জাতিসত্তাৰ জীৱন্ত প্ৰতীক। সেয়ে তেওঁৰ মৃত্যুৰ সম্পূৰ্ণ সত্য উন্মোচন কৰা কেৱল পৰিয়াল বা অনুৰাগীৰ বাবে নহয় সমগ্ৰ অসমীয়া সমাজৰ বাবে অত্যাৱশ্যক। অসমবাসী এতিয়াও আশা কৰি আছে সত্য প্ৰকাশ পাব। জুবিন গাৰ্গৰ দৰে মানুহৰ কেতিয়াও মৃত্যু হ'ব নোৱাৰে প্ৰতিটো হৃদয়ত জীয়াই থাকে অনাদি অনন্ত কাল পৰ্যন্ত আৰু প্ৰজন্মৰ পিছত প্ৰজন্মলৈ। কিন্তু যদি হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰকৃত ৰহস্য উন্মোচিত নহয় তেন্তে অসমীয়াৰ হৃদয়ত শূন্যতা আৰু ক্ষত থাকি যাব। কৰ্তৃপক্ষক জগৰীয়া কৰি যাব যুগে যুগে।

জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যই এতিয়াও প্ৰশ্নৰ পাহাৰ গঢ়ি আছে। সময় যিমানেই যাব, তাত আকৌ নতুন নতুন সন্দেহ জন্ম দিব। । জোনমণি ৰাভাৰ দৰেই জুবিন গাৰ্গৰ এই বিষয়টোও সময়ৰ বুকুত বিলীন হৈ যাব যেন লাগিছে। জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উদঘাটন কৰি যদি কোনো দোষী হয় তেন্তে দোষীক উপযুক্ত শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। কোনো এজনৰ স্বাৰ্থৰ বাবে সমগ্ৰ অসম শোকাহত। অসমীয়াৰ হিয়াৰ আমঠু যদি ন্যায় নাপায় অসম যে নজ্বলিব তাত কোনো সন্দেহ নাই।

# সুৰৰ পূজাৰীৰ বিদায় বেলাত আবেগৰ অপৈণত প্ৰকাশ

প্ৰণবেন্দ্ৰ শৰ্মা

বিক্ষিপ্ত চিন্তা মাথোঁ, কোনো লাগবান্ধ নাই। আৰু কিমান সময় বাকী, হয়তো মহাপ্ৰস্থানৰ পথত স্বৰ্গৰথৰ যাত্ৰা আৰম্ভ হৈছে। আজি ঘূৰি ফুৰোঁতে গছ এডালৰ তলত এখন ফলকত দেখিছিলোঁ লিখা আছে "সঙ্গীতৰ উপহাৰ চিৰ যুগমীয়া।" তেওঁৰ উপহাৰে আমাৰ জাতিটো সমৃদ্ধিশালী কৰি থৈ গ'ল অনন্ত কাললৈ। বিদায়বেলাত তেওঁলৈ আমাৰ উপহাৰ কি?

যোৱা তিনিদিন ধৰি খোজ কাঢ়ি আছোঁ, অস্থিৰ মনটোক স্থিৰ কৰিবলৈ কেৱল খোজ কাঢ়ি আছোঁ। এখন অচিন চহৰ, জীৱনত প্ৰথমবাৰৰ বাবে আহিছোঁ। গুৱাহাটীৰ পৰা, অসমৰ পৰা হেজাৰ হেজাৰ মাইল দূৰৈত, আনকি প্ৰবাসত মোৰ চিনাকি পৰিৱেশৰ পৰাও হেজাৰ মাইল দূৰৈত এটা অচিনাকি সৰোবৰৰ পাৰে খোজকাঢ়ি আছোঁ, হাতত ভ্ৰাম্যভাষটো। ঘণে ঘণে চকু যায় ভ্ৰাম্যভাষলৈ, ইথিৰত ভাহি অহা খবৰবোৰে মন উতলা কৰি তোলে। লক্ষ্যজনৰ সমাবেশ, হিয়াৰ আমঠুজনক এবাৰ শেষবাৰলৈ ওচৰৰ পৰাৰ চোৱাৰ হাবিয়াস চিৰবিদায় দিয়াৰ আগতে। আবেগৰ বানত উটিভাহি গৈছে শোকাকুল জনতা। মই চাই আছোঁ দূৰৈৰ পৰা, বহু দূৰৈৰ পৰা, চেষ্টা কৰিছোঁ হৃদয়ঙ্গম কৰিবলৈ এই কূল ভাঙি যোৱা আবেগৰ অৰ্থ। নিজকে প্ৰশ্ন কৰিছোঁ বাৰংবাৰ, যি দেখিছোঁ এয়া জানো সত্য। এয়া জানো সম্ভৱ? নজৰবিহীন আবেগৰ এই স্বতঃস্ফূৰ্ত প্ৰকাশৰ শেষ পৰিণতি কি? আৰু কেইঘণ্টামানৰ পাছতেই যেতিয়া তেওঁলোকৰ মৰম, চেনেহ, আদৰ, শ্ৰদ্ধাৰ পাত্ৰজনৰ নশ্বৰ দেহ পঞ্চভূতত বিলীন হৈ যাব তেতিয়া লক্ষজনৰ এই আবেগৰ বান্ধ ভাঙি যাব নে সুপ্ত হৈ নিজৰ বুকুৰ ভিতৰতে গুজৰি-গুমৰি থাকি কোনোবাদিনা জ্বালামুখীৰ উদ্‌গীৰণ ঘটিব? এই আবেগক এক ধনাত্মক দিশলৈ বোৱাই লৈ গৈ জনতাৰ হিয়াৰ আমঠুজনৰ স্মৃতি চিৰ যুগমীয়া কৰিবলৈ নেতৃত্ব দিবলৈ কোনো উপযুক্তজন ওলাবন নে নেতৃত্বৰ অভাৱত মৰুভূমিত এটুপি বৃষ্টিৰ দৰে ই বাষ্পীভুত হৈ বতাহত উৰি যাব? প্ৰশ্ন বহুত কিন্তু উত্তৰ নাই। তাৰ আগতেই কিন্তু নিজকে প্ৰশ্ন কৰিছোঁ মই বহুবাৰ আৰু নিজকেই উত্তৰ দিবলৈ চেষ্টা কৰিছোঁ মই: যিজনৰ লগত মোৰ ব্যক্তিগত কোনো পৰিচয় নাই, যাৰ জীৱনৰ বিষয়ে যোৱা তিনিদিনৰ আগতে বিষদ ভাৱে মই একোৱেই নাজানিছিলোঁ, যাৰ অনুষ্ঠান জীৱনত মই মাথোঁ দুবাৰেই চাইছোঁ, যাৰ গান শুনি মই ডাঙৰ হোৱা নাই, তেওঁৰ মহা প্ৰয়াণত মোৰ এই বিষাদ সঁচাকৈয়ে আন্তৰিক নে? নে মই মাথোঁ এই গণ-আবেগৰ ঢৌত উটি যোৱা এক সামান্য খেৰকুটা? মই কোনো নেতা নহয় ৰাজনৈতিক ভাৱে শুদ্ধ উত্তৰ এটা, বৰ্তমান যুগৰ ভাষাত যিটোক PC বুলি কয়, দিবলৈ। যোৱা তিনিদিনে সামাজিক মাধ্যমত অজস্ৰ এনে জনৰ লেখা দেখিছোঁ যিয়ে নেকি আনকি কিছুদিনৰ আগতো তেওঁক অনাৱশ্যকীয় সমালোচনাৰ শব্দেৰে বুৰাই দি সংস্কৃতিৰ জাবৰৰ দমলৈ নিক্ষেপ কৰিছিল। আজি তেনে বহুতৰে সামাজিক মাধ্যমৰ লেখা দেখি কেৱল আচৰিত হোৱাই নহয়, ভাবিবলৈ বাধ্য হৈছোঁ যে বহুতেই সেই আবেগৰ ভটিয়ণী সোঁতত কৃত্ৰিমতাৰ বসনেৰে বিভূষিত হৈ ভক্তৰ শাৰীত থিয় হৈছে। তাৰ মাজতেই কিছুৱে আকৌ নিজৰ ব্যৱসায়িক স্বাৰ্থক আগবঢ়াবলৈও কুণ্ঠা কৰা নাই। কি বুলি এওঁলোকক ধিক্কাৰ জনাও, মৃত্যুকো এওঁলোকে ব্যৱসায়লৈ নমাই হে শান্তি পায়। এই তিনিদিনতে আন এচামক দেখিছোঁ আকৌ তেওঁলোকৰ সমালোচনাৰ লিখনিৰে বহুতকে থকাসৰকা কৰাৰ প্ৰয়াস, যেন মহাপ্ৰস্থানৰ পথিকজনে তেওঁৰ স্মৃতি সংৰক্ষণৰ ঠিকা তেওঁলোকৰ ওপৰতেই ন্যস্ত কৰি গৈছে। এনে সমালোচকসকলৰ বিষয়ে ক'বলৈ একোৱেই নাই। অনাইবনাই ঘূৰি ফুৰোঁতে মনলৈ আহে মাথোঁ ঘূৰাই পকাই দুশাৰীমান বাক্য-

সমালোচনাই যাৰ জীৱনৰ শান্তি,
নাকামোৰিলে কুকুৰক মানুহে,
জীৱন হয় যে বৃথা,
অশান্তি, কেৱল অশান্তি।

মনত মোৰো অশান্তি এই সময়ত। যেতিয়া দেখোঁ যে বহুতেই জীৱনত নিজৰ প্ৰিয়জনক হেৰুওৱা মানুহগৰাকীকো শান্তিৰে থাকিবলৈ দিয়া নাই। তেওঁৰ কাপোৰ-কানি, জোতা আদিৰ ওপৰতো চকু। আন এচামে আকৌ ষড়যন্ত্ৰ সূত্ৰৰ উদ্ভাৱন কৰি তেওঁক দোষৰ ভাগীও সজাবৰ চেষ্টা নকৰাকৈ থকা নাই। এয়েই শিকিলে নেকি তেওঁৰ পৰা যিজনাৰ প্ৰতি তেওঁলোকৰ চিন্তাৰ অন্ত নাই। এওঁলোকক উত্তৰ দিব যোৱাটোও হ'ব অৰণ্য ৰোদন।

মনটোক লেকাম লগাবলৈ চেষ্টা কৰোঁ কিন্তু সুৰুঙা পালেই উৰা মাৰে দূৰলৈ বহু দূৰলৈ। নিজকে লেখক, সাহিত্যিক, কবি একো বুলিয়েই নাভাবোঁ কিন্তু কেতিয়াবা নিজকে সম্বৰণ কৰিব নোৱাৰি লিখোঁ, মনলৈ যি আহে তাকেই লিখোঁ। অপৈণত হাতৰ আবেগিক চিন্তাধাৰাৰ অপৈণত প্ৰকাশ। কাৰো হয়তো পঢ়াৰ যোগ্য নহয়। তথাপি লিখোঁ, লিখিয়েই মনটোক সান্ত্বনা দিবলৈ চেষ্টা কৰোঁ। তেনে এক মুহূৰ্তত মনলৈ আহিছিল আউলী-বাউলী হৈ তলৰ শব্দবোৰ।

Before you speak,
Shut your mouth and
open your ears,
Before you write,
Stop your fingers
and open your eyes,
Then let the
heart take over and
let the feelings roll,
Out will come the truth,
Truth and only the truth,
Let's not the head
dictate the heart,
Lest pragmatism rules and
innocence dies and
the world will never see
The real you.

কোৱাৰ আগতে শুনা, লিখাৰ আগতে চকু মেলি চোৱা, হৃদয়ঙ্গম কৰা, খুলি দিয়া হৃদয়ৰ অনুভূতি, মুক্ত কৰি দিয়া আবেগক তোমাৰ, তেতিয়াহে কলমৰ পৰা আহিব ওলাই সত্য, মাথোঁ সত্য, চিনি পাব পৃথিবীয়ে তোমাক নিজৰ ৰূপত। মগজুৱে হৃদয়ক কৰিলে শাসন, বাস্তৱৰ আঙুলি পৰশত মৃত্যু হ'ব নিষ্কলুষতাৰ, সৰলতা হ'ব শ্বহীদ আৰু পৃথিৱীয়ে কাহানিও তোমাক নাপাব দেখা।

বিক্ষিপ্ত চিন্তা মাথোঁ, কোনো লাগবান্ধ নাই। আৰু কিমান সময় বাকী, হয়তো মহাপ্ৰস্থানৰ পথত স্বৰ্গৰথৰ যাত্ৰা আৰম্ভ হৈছে। আজি ঘূৰি ফুৰোঁতে গছ এডালৰ তলত এখন ফলকত দেখিছিলোঁ লিখা আছে "সঙ্গীতৰ উপহাৰ চিৰ যুগমীয়া।" তেওঁৰ উপহাৰে আমাৰ জাতিটো সমৃদ্ধিশালী কৰি থৈ গ'ল অনন্ত কাললৈ। বিদায়বেলাত তেওঁলৈ আমাৰ উপহাৰ কি? লক্ষ গুণমুগ্ধই তেওঁৰ সোঁৱৰণত এডাল মাথোঁ বৃক্ষৰোপণ কৰি আজন্ম সেই বৃক্ষৰ প্ৰতিপালন কৰি তেওঁৰ স্মৃতি জীয়াই ৰাখিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'লে প্ৰকৃতিপ্ৰেমীজনৰ আত্মাই নিশ্চয় শান্তি পাব। এজন অৰণ্যমানৱে একক প্ৰচেষ্টাৰে যদি এখন অৰণ্যৰ সৃষ্টি কৰিব পাৰে তেনেহ'লে এই নিযুত জনতাৰ প্ৰচেষ্টাই সোণৰ অসমখন চিৰ সেউজীয়া কৰি তুলিব যে সেয়া নিশ্চিত। তেতিয়া তেওঁ সেই লক্ষ-নিযুত জনতাৰ বুকুত নহয়, লগতে থাকিব চিৰদিনলৈ আৰু অনাগত প্ৰজন্মই সেই বৃক্ষৰ তলত যেতিয়া তেওঁৰেই গান এটি গুণগুণাব, নামি আহিব নিতৌ তেওঁ এই ধৰালৈ।

ঘূৰি নহা পথেৰে
গুচি গ'ল যিজনা
পাৰিবা কি আনিব
ঘূৰাই তেওঁক কোনোবাই,
আবেগৰ শলিতাৰ চাকিগছা
পাৰিবা জানো ৰাখিব চিৰদিনলৈ
বুকুতে জ্বলাই,
মন্দিৰৰ থাপনাত
নকৰিবা বন্দী
পাষাণ প্ৰতিমা ৰূপত,
প্ৰকৃতিৰ প্ৰেমিক দৰদীজনক
নকৰিবা ভগবান,
মানুহৰ বুকুতেই
ৰাখা যেন মানুহৰ ৰূপত,
তেওঁ যে প্ৰকৃতিৰ সন্তান,
মানৱতাৰ আলিঙ্গন,
প্ৰকৃতিৰ সংৰক্ষণ,
সেয়েই হওক বিদায় বেলাত,
তেওঁলৈ জনোৱা
সশ্ৰদ্ধ সন্মান।

# সমাজৰ নিঃকিন নিঃস্বজনলৈ সহায়ৰ হাত আগবঢ়াইছিল জুবিনে

ড° জিতেন হাজৰিকা



ৰাজ্যখনৰ লগতে সমগ্ৰ দেশবাসীক কন্দুৱাই অকালতে আমাৰ মাজৰ পৰা হঠাতে চিৰদিনৰ বাবে হেৰাই যোৱা জুবিন গাৰ্গ প্ৰকৃতাৰ্থত আছিল জনতাৰ শিল্পী, হিয়াৰ আমঠু। এক অতি সুমধুৰ কণ্ঠস্বৰৰ অধিকাৰী জুবিন গাৰ্গৰ প্ৰতিভাৰ পৰিচয় অসমবাসীয়ে বিগত প্ৰায় তিনিটা দশকৰ পূৰ্বেই উমান পাইছিল। জুবিন গাৰ্গ অসমবাসীৰ বাবে কেৱল যে এজন জনপ্ৰিয় গায়কহে আছিল সেই কথা মানি ল'ব নোৱাৰি। অনন্য শিল্পী সত্তাৰ মাজেৰেই তেওঁ বিশেষকৈ বানাক্ৰান্ত আৰু সমাজৰ নিঃকিন-নিঃস্বসকললৈ সহায়ৰ হাত আগবঢ়োৱাৰ উপৰিও সংকটকালীন পৰিস্থিতিত ৰাজ্যবাসীৰ সামগ্ৰিক কল্যাণ সাধনৰ হকে সময়ে সময়ে উদাত্ত কণ্ঠ নিগৰাই প্ৰয়োজন সাপেক্ষে ৰাইজক নেতৃত্ব প্ৰদান কৰি সামাজিক দায়বদ্ধতা পালন কৰি আহিছে। কিছুসংখ্যক সমালোচকে তেওঁক স্বভাৱগতভাৱে খেয়ালী মগজুৰ ব্যক্তিৰূপে অভিহিত কৰি আহিছে যদিও কাৰ্যতঃ অতি স্পষ্টবাদী, মেৰুদণ্ড পোনকৈ ৰখা এগৰাকী অসমীয়া, স্বাভিমানী আৰু মত প্ৰকাশৰ ক্ষেত্ৰত সামান্যতমো আপোচ কৰিববলৈ সচৰাচৰ অসন্মত এজন নিৰ্ভীক ব্যক্তিৰূপেই অসমবাসীৰ হৃদয়ত জুবিনে এক বিশেষ স্থান লাভ কৰি আহিছে। এক স্বকীয় ধ্যান-ধাৰণাৰে পুষ্ট হৈ তেনেকৈয়ে আজীৱন পৰিচালিত হৈ নিজস্ব দৃষ্টিভংগীৰে আদৰ্শ প্ৰতিষ্ঠা কৰিব বিচৰা, স্বাধীনমনা, এক সুকীয়া গায়ন শৈলীৰে চহকী শিল্পীগৰাকী যে আচলতে বহুমুখী প্ৰতিভাৰ আকৰ আছিল সেই কথা তেওঁৰ স্বৰচিত আৰু সুৰাৰোপিত গীতসমূহ, সংগীত আৰু চলচ্চিত্ৰৰ পৰিচালনা, অভিনয় আদিৰ মাজেৰে সুন্দৰকৈ পৰিস্ফুট হৈ উঠিছিল, যি কথাৰ প্ৰমাণ আমি সকলোৱে বিগত সময়ছোৱাত প্ৰত্যক্ষ কৰি আহিছোঁ। স্বকীয় শৈলীৰে আবেগ ঢালি গোৱা গীতসমূহেৰে অনেকৰে হৃদয়ত চিৰস্থায়ী সাঁচ বহুৱাই থৈ আমাক সকলোকে এৰি কোনোবা অজান মুলুকলৈ গুচি যোৱা অসমবাসীৰ প্ৰাণৰ স্পন্দন স্বৰূপ জুবিন গাৰ্গৰ মৃত্যু আমাৰ বাবে যে এক অপূৰণীয়,অসহনীয় ক্ষতি, সেই কথাত কোনো সন্দেহ নাই। ৰাজ্যখনৰ লগতে দেশজুৰি আজি শোকৰ বন্যা বৈছে। শিশুৰ পৰা আৰম্ভ কৰি বয়োবৃদ্ধসকললৈকে চতুৰ্দিশে আজি দেখিছোঁ মাথোঁ স্বতঃস্ফূৰ্ত শ্ৰদ্ধাঞ্জলি। আজি যেন চিংগাপুৰৰ সেই সমুদ্ৰখনক চিঞৰি চিঞৰি ক'ম- "হে সমুদ্ৰ, তুমি আমাৰ অমূল্য ৰত্নটিক আমাৰ মাজৰ পৰা হঠাতে এনেকৈ লৈ যোৱাৰ অধিকাৰ ক'ৰ পৰা পালা?"

অন্যান্যসকলৰ লগতে আমিও আজি স্বাভাৱিকতে শোকাহত, বাকৰুদ্ধ। সদ্য-প্ৰয়াত শিল্পীজনলৈ জনাইছোঁ আমাৰ আন্তৰিক হিয়াভৰা শ্ৰদ্ধাঞ্জলি। অদৃষ্টজনাই তেওঁৰ আত্মাক সদ্গতি প্ৰদান কৰে যেন, এয়ে তেৱাঁৰ ওচৰত আমাৰ একান্তপ্ৰাৰ্থনা।

*লেখক- উপাচাৰ্য্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়*

*সমগ্ৰ জাতীয় জীৱনত এটা দশকজুৰি আপুৰুগীয়া গীত চিনেমাৰে হিয়াৰ আমঠু হৈ পৰা জনতাৰ শিল্পী জুবিন গাৰ্গে শিল্পীসকলৰ ভিতৰত অতি কম দিন জীয়াই থকা শিল্পী। জনতাৰ শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাতকৈও কম দিন জীয়াই থাকি শিল্প সাধনাত ব্ৰতী হৈ থাকি বাস্তৱবাদী চিন্তা চৰ্চাৰে অসমীয়া কলা-কৃষ্টিক প্ৰতিষ্ঠা কৰি জাতিটোৰ মন প্ৰাণ মুহিবলৈ সক্ষম হৈছিল জুবিন গাৰ্গে।*

# যুগনায়কৰ অৱসান হোৱা নাই, সামাজিক প্ৰতিষ্ঠাহে হ'ল

পিংকু মণি ৰায় চৌধুৰী

এতিয়াৰে পৰা মায়াবিনী ৰাতিৰ বুকুত বাজি উঠিব তেওঁৰেই সংগীত। অসমৰ লক্ষ লক্ষ জনতাক দিবা-নৈশ স্বপ্ন দেখুৱাই সাৰে ৰাখিবলৈও সমৰ্থবান হ'ল তেওঁ। অথচ প্ৰকৃতিৰ বুকুত নিজে গভীৰ প্ৰশান্তিৰে শুই থাকিল। সমগ্ৰ অসম আজি জুবিনবিহীন হৈ যেন বাকৰুদ্ধ হৈ পৰিছে। অসমবাসীৰ নয়ণৰ মণি জুবিনৰ অবৰ্তমানত সকলোতে আজি কেৱল জুবিনৰ ফটোৰ সন্মুখত চাকি ধূপ জ্বলাই জুবিনৰ গীতেৰে চৌপাশ মুখৰিত হৈ পৰিছে। প্ৰাণৰ স্পন্দনস্বৰূপ শিল্পীগৰাকীক হেৰুৱাই আবেগিক হৈ যেন সকলো ভাঙি পৰিছে। লুইতৰ পাৰত সৃষ্টিৰ নিজৰা বোৱাই দিয়া অসমীয়াৰ হিয়াৰ আমঠুৰূপে আত্মপ্ৰকাশ কৰি নিজেই আঁতৰি গ'ল। যান্ত্ৰিক স্বাৰ্থপৰ মানৱ সমাজখনক যেন তীব্ৰ ক্ষোভ অভিমান কৰি আঁতৰি আহিল। যিখন সমাজ তেওঁৰ সৃষ্টিৰাজিক ব্যৱহাৰ কৰি আঢ্যৱন্ত হ'ল সেইখন সমাজ আজি শিল্পীগৰাকীৰ অবৰ্তমানত শোকবিহ্বল হৈ পৰিল। আনহে নালাগে অসমৰ প্ৰত্যেকঘৰ মানুহৰ প্ৰতিজন সদস্য উচুপি উঠিল, যাৰ মৃত্যুৰ বাতৰি আজিও বিশ্বাস কৰিব নোৱাৰি অগণন গুণমুগ্ধই কৰুণ আৰ্তনাদ কৰিছে। বাস্তৱবাদী তথা নিৰ্ভিক মনৰ গৰাকী যিজন অসমীয়াই ৰজাঘৰীয়াৰ কিবা বেয়া দেখিলেই কৈ উঠিছিল, "ঘেণ্টা কাকো খাতিৰ নকৰোঁ!"

আজি আৰু তেনেদৰে নিৰ্ভীক নিৰপেক্ষতাৰে 'অসমকণ্ঠ' হৈ অসমীয়া জাতিটোক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ যেন আৰু দ্বিতীয়জন নোলাব। তেওঁ লিখি যোৱা গীত-কথা-সুৰেৰে প্ৰতিখন নগৰ, চহৰ, গাঁও, চুবুৰী, অফিচ-কাছাৰী,শিক্ষানুষ্ঠানত যেন একেই গুঞ্জন। অথচ তেওঁ সাগৰত শুই আকাশী পথেৰে আহি আকাশক গাত লৈ প্ৰকৃতিৰ মাজত স্বস্তিৰ নিশ্বাস ল'লে। যাৰ অবিহনে অসমখন যেন স্তব্ধ হৈ গ'ল। যিজন ব্যক্তিক দহ লক্ষাধিক অনুৰাগীয়ে শেষ যাত্ৰাত সংগ দিলে। জনতাৰ গীত গাই অভিনয় কৰি ৰেকৰ্ড গঢ়া লোকজনে মৃত্যুৰ পাছতো ৰেকৰ্ড গঢ়িলে। যাৰ সমাধিত পৃথিৱীৰ ইতিহাসত সংগীতশিল্পী হিচাপে দ্বিতীয় বৃহত্তম ভিৰ হোৱাৰো চৰ্চা হ'ল।

সংগীতৰ সাধনাৰে অসমবাসীৰ হৃদয় জিনিবলৈ সক্ষম হোৱা জনতাৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৱে অসমবাসীক মৰ্মাহত কৰি তুলিছে। হৃদয়স্পৰ্শী গানেৰে যুৱ-প্ৰজন্মৰ মাজত অত্যধিক জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হোৱা এই শিল্পীগৰাকীয়ে মাত্ৰ ৫৩ বছৰ ধৰাৰ বুকুত থাকি সকলোকে কন্দুৱাই আকস্মিকভাৱে বিদায় মাগিলে। ১৮ নৱেম্বৰ ১৯৭২ চনত মেঘালয়ৰ তুৰাত জন্ম হোৱা শিল্পীগৰাকীৰ প্ৰকৃত নাম আছিল জুবিন বৰঠাকুৰ। পিতৃ মোহিনী মোহন বৰঠাকুৰ আৰু মাতৃ স্বৰ্গীয় ইলি বৰঠাকুৰ। প্ৰসিদ্ধ গীতিকাৰ জুবিন মেহতাৰ নামেৰে নাম ৰখা হৈছিল জুবিনৰ। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা জুবিনে প্ৰথমে জগন্নাথ মহাবিদ্যালয়ত নামভৰ্তি কৰি পৰৱৰ্তী সময়ত গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়লৈ সলনি হৈছিল জুবিনৰ স্নাতক ডিগ্ৰীৰ জীৱন। পৰৱৰ্তী পৰ্যায়ত জুবিন গাৰ্গ নামেৰে পৰিচিত হোৱাৰ উপৰিও কেইবাটাও নামেৰে জনাজাত হৈছিল শিল্পীজন। জুবিন গ'ল্ডি, অসমৰ হাৰ্টথ্ৰব, লুইত কণ্ঠ, হামিং সম্ৰাট আদি তেওঁৰ অভিধা আছিল।

গুগলে যিজন ব্যক্তিক "The humming king of the World" নামেৰে স্বীকৃতি দিয়াক লৈও চৰ্চা চলিছে। মৃতকৰ প্ৰতি জীৱ জন্তুৰ ভালপোৱাও দেখিলে ৰাইজে। অসম সাহিত্য সভা,সদৌ অসম ছাত্ৰ সন্থা আৰু চৰকাৰৰ তত্বাৱধানত যাৰ সমাধিক লৈ সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়া হ'ল। যিজন শিল্পীৰ নশ্বৰ দেহ গুৱাহাটী বিমানবন্দৰৰ পৰা কাহিলীপাৰালৈ নিবলৈ এম্বুলেন্সক ৬ ঘণ্টাৰ প্ৰয়োজন হ'ল। আনহে নালাগে অন্য দেশৰ ৰাজকীয় প্ৰতিনিধিয়েও যিজন শিল্পীৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জনাবলৈ আহিল। যাৰ অবৰ্তমানত ক্ৰিকেটবলীয়া অসমীয়াই ভাৰত-পাকিস্তানৰ মেচো নাচালে। তেওঁ যেন আছিল এজন অঘোষিত ৰজা যাৰ অবিহনে ৰাজ্যবাসীয়ে আজি যেন অভিভাৱককহে হেৰুৱালে। প্ৰতিজন শিল্পীয়ে যাৰ বাবে চকুলো টুকিছে, ভৱিষ্যত প্ৰজন্মৰ বাবে হাত-ভৰিৰ চাপ সংৰক্ষণ কৰিলে, অন্ত্যেষ্টিক্ৰিয়া নকৰি কাৰোবাৰ দেহটো সংৰক্ষণ কৰাৰ দাবী উঠিল। বিমানবন্দৰত নিথৰ দেহটো আহি পাওঁতে সকলোৱে নিজৰ কৰ্তব্য এৰি জয়ধ্বনি দি প্ৰাণপণ দৌৰিলে। ট্ৰাক ৰেলী, এম্বুলেন্স ৰেলী দেখি সকলো হতবাক, বাকৰুদ্ধ। যিজন ব্যক্তিৰ বাতৰি The New York Times ত প্ৰচাৰিত হ'ল, যিজনক বিশ্বৰ উচ্চতম বুৰ্জ খলিফাত শ্ৰদ্ধাঞ্জলি দিলে, আমেৰিকান বেণ্ডে "মায়াবিনী" সুৰ তুলিলে, প্ৰতিজন ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাই শ্ৰদ্ধাঞ্জলি দিলে, BCCI য়ে সন্মান জনাই আগন্তুক মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী অনুষ্ঠান(৩০ চেপ্তেম্বৰ)ত এজন মানুহৰ জীৱনীভিত্তিক অনুষ্ঠান ৰাখিলে, ভ্ৰাম্যমাণ থিয়েটাৰসমূহৰ প্ৰদৰ্শনী ৰখাই দিয়া হ'ল। ৰাইজৰ দাবীত পুনৰ মৰণোত্তৰ পৰীক্ষা কৰা হ'ল, যিজন ব্যক্তিৰ নামত বিশ্ববিদ্যালয় খোলাৰ পোষকতা কৰি বৃত্তি - ফেল'শ্বীপ দিয়াৰ পৰিকল্পনা কৰিলে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান কৰিবলৈ নিদিয়াত বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক ছাত্ৰই মাৰপিট কৰাৰ দৰে গৰ্হিত নজিৰবিহীন কাম হ'ল। আনকি আত্মহত্যা কৰাৰ প্ৰৱণতা গঢ়ি উঠিল। কেতিয়াও নঘটা প্ৰকৃতিৰ নানা ৰূপ প্ৰত্যক্ষ কৰাৰো জনশ্ৰুতি উঠিল। জুবিনৰ আকৃতিৰ একাধিক ডাৱৰৰ চপৰা দেখিলে,ওলোটা ৰামধেনু, কেতিয়াও নেদেখা অদ্ভুত আকৃতিৰ ৰঙীন মেঘ দেখাৰ দৰেই যেন দিবাস্বপ্ন দেখিলে। অতি আচৰিত ধৰণেৰে ৰাজ্যখনৰ ক'তো বৰষুণ নিদি কেৱল এই বিশেষ ব্যক্তিজনৰ বাবেই বৰষুণ হোৱাও দেখিলে। যিজন বিশেষ ব্যক্তিক অসম সাহিত্য সভাই "ভাৰতৰত্ন" উপাধি প্ৰদানৰ বাবে দাবী জনালে।



অসমৰ জাতীয় জীৱনত এটা দশকজুৰি আপুৰুগীয়া গীত চিনেমাৰে হিয়াৰ আমঠু হৈ পৰা জনতাৰ শিল্পী জুবিন গাৰ্গে শিল্পীসকলৰ ভিতৰত অতি কম দিন জীয়াই থকা শিল্পীৰূপেও পৰিগণিত হ'ল। জনতাৰ শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰ-ৱালাতকৈও কম দিন জীয়াই থাকি শিল্প-সাধনাত ব্ৰতী হৈ থাকি বাস্তৱবাদী চিন্তা চৰ্চাৰে অসমীয়া কলা-কৃষ্টিক প্ৰতিষ্ঠা কৰি জাতিটোৰ মন প্ৰাণ মুহিবলৈ সক্ষম হৈছিল জুবিন গাৰ্গে। কিন্তু সংগীত শিল্পীজনৰ অভাৱ-অনাটনক লৈও সামাজিক মাধ্যমত সৰব চৰ্চা চলিল। অসমৰ আটাইতকৈ চেনেহৰ সম্পদটোৰ প্ৰতি কৰা এচাম মুখা পিন্ধা দানৱৰ অযত্ন আৰু অৱহেলা দেখি যেন সমগ্ৰ অসমবাসী যেন স্তম্ভিত হৈ পৰিল। সেয়েহে, সকলোৱে বিচাৰিছে জুবিন গাৰ্গৰ মৃত্যুক লৈ এক উচ্চ পৰ্যায়ৰ তদন্ত আৰম্ভ কৰক চৰকাৰে, যাতে জনতাৰ কণ্ঠ হৈ পৰা শিল্পীগৰাকীক উচিত ন্যায় প্ৰদান কৰিব পৰা যায়।

প্ৰণিধানযোগ্য যে অসমৰ জাতীয় জীৱনত এটা দশকজুৰি আপুৰুগীয়া গীত চিনেমাৰে হিয়াৰ আমঠু হৈ পৰা জনতাৰ শিল্পী জুবিন গাৰ্গে শিল্পীসকলৰ ভিতৰত অতি কম দিন জীয়াই থকা শিল্পী। জনতাৰ শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাতকৈও কম দিন জীয়াই থাকি শিল্প সাধনাত ব্ৰতী হৈ থাকি বাস্তৱবাদী চিন্তা চৰ্চাৰে অসমীয়া কলা-কৃষ্টিক প্ৰতিষ্ঠা কৰি জাতিটোৰ মন প্ৰাণ মুহিবলৈ সক্ষম হৈছিল জুবিন গাৰ্গে। সেয়েহে, কব পাৰি যুগ নায়কৰ লক্ষ লক্ষ জনতাৰ মাজত প্ৰাণ প্ৰতিষ্ঠাহে হ'ল, অৱসান ঘটা নাই।



# জুবিন গাৰ্গক আমি কেনেকৈ জীয়াই ৰাখিব পাৰো ?

বিদ্যুৎ বিকাশ শৰ্মা

যোৱা ওঠৰ ছেপ্টেম্বৰ, ২০২৫ তাৰিখটো অসমৰ বাবে যেন এক অভিশপ্ত দিন আছিল। কাৰণটো বহলাই কোৱাৰ প্ৰয়োজন নাই নিশ্চয়। অসমৰ মানুহৰ সাহস তথা গৌৰৱ তথা অহংকাৰৰ প্ৰতীক জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ বাতৰিয়ে সকলো স্তৰৰ মানুহৰ জীৱনত তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিলে। জীৱন স্তব্ধ হৈ পৰিল। শোকৰ ভৰত মানুহ নুব্জ্য হৈ পৰিল। তীব্ৰ ক্ৰোধত ফাটি পৰিল মানুহ। এই সকলোবোৰ স্বাভাৱিক আছিল। প্ৰয়াত শিল্পীৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শনৰ ক্ষেত্ৰত অসমৰ মানুহে পৃথিৱীৰ ভিতৰতে এক নজিৰ স্থাপন কৰিলে। হয়তো জনতাৰ শিল্পীৰ বিদায় এনেকুৱাই হোৱা উচিত। ২৩ ছেপ্টেম্বৰৰ অন্তেষ্টি ক্ৰিয়াৰ পিছত অসমৰ মানুহে আৰু কেতিয়াও জুবিন গাৰ্গৰ কায়িক ৰূপ দেখিবলৈ নাপায়। ইয়াৰ পিছত কোনো এখন ব'হাগ বিহুৰ মঞ্চত জুবিন গাৰ্গক দেখিবলৈ পোৱা নাযাব। তেন্তে ইয়াৰ পিছত কি? ইয়াৰ পিছত হয়তো জুবিন গাৰ্গৰ নামত সমাধি ক্ষেত্ৰ সজা হ'ব। ঠায়ে ঠায়ে জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি স্থাপন হ'ব। কোনোবা এখন দলং, কোনোবা এটা ৰাস্তা জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰা হ'ব। কিন্তু এনে ধৰণৰ কথা-কাণ্ডত জুবিন গাৰ্গৰ আত্মাই(মই ব্যক্তিগত ভাৱে আত্মা-পৰমাত্মা আদি ধাৰণাত বিশ্বাস নকৰো) সন্তুষ্টি পাব বুলি মোৰ মনে নধৰে।

মই জুবিন গাৰ্গৰ গীত শুনি ভাল পাও যদিও নিজৰ নামৰ মাজত অথবা পিছত ZG লিখা ধৰণৰ অনুৰাগী মই নহয়। জুবিন গাৰ্গৰ কোনো এখন মঞ্চ অনুষ্ঠান মই চাবলৈ যোৱা নাই যদিও বহু দিন বহু সময়ত জুবিন গাৰ্গৰ গীত শুনি আবেগত অভিভুত হৈছো, বিশুদ্ধ আনন্দত আপ্লুত হৈছো। যোৱা তিনি চাৰি দিনত জুবিনৰ বিভিন্ন অনুৰাগীয়ে সামাজিক মাধ্যমত লিখা বিভিন্ন কথা মনোযোগেৰে পঢ়িছো, পঢ়ি ভাব হৈছে যে জুবিন গাৰ্গ ৰাস্তা অথবা দলঙৰ নাম ফলকত, সমাধি ক্ষেত্ৰৰ অন্তহীন নীৰৱতা অথবা প্ৰতিমূৰ্তিৰ নিৰ্জীৱতাৰ মাজত সন্তুষ্ট হোৱা সত্তা নহয়। জুবিন গাৰ্গ সম্ভৱতঃ মানুহৰ মাজত, মানুহৰ হৃদয়ত জীয়াই থকাত অভ্যস্ত। গতিকে তেনে এটা সত্তাক আমি কেনেকৈ যুগমীয়া কৰিব পাৰো? এই কেইদিনৰ সামাজিক মাধ্যমৰ কথা-বতৰাবোৰ পঢ়ি, ভাবি মোৰ মনলৈ অহা কেইটামান কথা তলত উল্লেখ কৰা হ'ল ঃ

১) জুবিন গাৰ্গ মূলতঃ সংগীত শিল্পী। সংগীতেই তেওঁৰ জীৱন আছিল বুলি ক'লেও কিজানি অত্যুক্তি কৰা নহ'ব। গতিকে জুবিন গাৰ্গৰ নামত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সংগীতৰ গৱেষণা কেন্দ্ৰ স্থাপন কৰা হ'ব পাৰে। জনামতে জুবিন গাৰ্গে প্ৰায় চল্লিশটা ভাষাত গীত গাইছিল। সেই সকলোবোৰ ভাষাৰ গীতৰ ওপৰত গৱেষণা কৰাৰ, নতুন নতুন সংগীত সৃষ্টি কৰাত এই গৱেষণা কেন্দ্ৰই বিশেষ অৰিহণা যোগাব পাৰে।

২) আমি হয়তো পাহৰি গৈছো জুবিন গাৰ্গে "পথাৰ আমাৰ বজাৰ আমাৰ" নামৰ অনুষ্ঠান এটা আৰম্ভ কৰিছিল। এতিয়া এই অনুষ্ঠানটো কি অৱস্থাত আছে সেয়া মোৰ জ্ঞাত নহয়। সেই অনুষ্ঠানটো পুনৰ জীয়াই তুলি কৃষকৰ বাবে দালালবিহীন বজাৰ এখনৰ ব্যৱস্থা কৰা যায়।

৩) বোলছবিত অভিনয়, বোলছবিৰ নিৰ্দেশনাৰ ক্ষেত্ৰতো জুবিন গাৰ্গৰ আগ্ৰহ সকলোৱে জ্ঞাত। জুবিন গাৰ্গৰ এই আগ্ৰহৰ প্ৰতি সন্মান জনাই "National School of Drama(NSD)", "Film and Television Institute of India(FTII)" আদিৰ পৰ্যায়ৰ অনুষ্ঠান গঢ়ি তুলিব পাৰি।

৪) কিছু অনুৰাগীৰ কথাৰপৰা জানিবলৈ পোৱামতে জুবিন গাৰ্গ বেচ অধ্যয়নশীল মানুহ আছিল। গতিকে সকলো ধৰণৰ আধুনিক ব্যৱস্থা থকা পুথিভৰাল চহৰে চহৰে, গাৱে গাৱে গঢ়ি তুলিব পাৰি।

৫) জুবিন গাৰ্গৰ পশু প্ৰেমৰ কথাও চৰ্চালৈ আহিছে। গতিকে জুবিন গাৰ্গৰ নামত এনে কিছু পশু চিকিৎসা কেন্দ্ৰ স্থাপন কৰা যায় য'ত অভিভাৱকহীন পশু পক্ষী, বিভিন্ন কাৰণত আঘাতপ্ৰাপ্ত বনৰীয়া পশু-পক্ষীৰ চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰা যায়।

৬) অসহায় লোকক বিভিন্ন সময়ত জুবিন গাৰ্গে আৰ্থিকভাৱে সহায় কৰাৰ বাতৰিও প্ৰকাশিত হৈছে। জুবিন গাৰ্গৰ তেনে ইচ্ছাৰ প্ৰতি সন্মান জনাই কিছু দাতব্য অনুষ্ঠান(কৰুণাধাৰাৰ ধাৰণাৰে পৰিচালিত হ'ব পাৰে) গঢ়ি তুলিব পাৰি যিয়ে আৰ্থিকভাৱে দুৰ্বল লোকৰ বিপদত যথোপযুক্ত সহায় আগবঢ়াবলৈ সক্ষম হয়।

এতিয়ালৈ মনলৈ অহা ধাৰণাসমূহ এনেকুৱাই। এনে ধৰণৰ অনুষ্ঠানেহে জুবিন গাৰ্গক মানুহৰ মাজত, মানুহৰ হৃদয়ত জীয়াই ৰাখিব। আনেও ইয়াত নতুন নতুন কথা সংযোজন কৰিব পাৰে। এতিয়া প্ৰশ্ন হ'ব এনে অনুষ্ঠান স্থাপনৰবাবে পুঁজিৰ ব্যৱস্থা কেনেকৈ হ'ব। এনে অনুষ্ঠান সম্পূৰ্ণ চৰকাৰী পৃষ্ঠপোষকতাত হ'ব পাৰে, চৰকাৰ আৰু ৰাইজৰ পাৰস্পৰিক সহযোগিতাৰে হ'ব পাৰে অথবা সম্পূৰ্ণৰূপে ৰাইজৰ দান-বৰঙনিৰে স্থাপন হ'ব পাৰে। জুবিন গাৰ্গৰ শেষ যাত্ৰাৰ সহযোগী হ'বলৈ ওলাই অহা প্ৰতিজনে বছৰত মাত্ৰ ১০০.০০ টকাৰ বৰঙনি আগবঢ়ালেও এক বৃহৎ পুঁজি সংগৃহীত হ'ব পাৰে। ভাৰতৰত্ন সন্মানৰ বাবে যাৰ নাম উঠে তেনে এজন লোকৰ নামত চৰকাৰী অনুষ্ঠান হ'ব নোৱাৰাৰ কাৰণ নাই।

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত হ'ব। শ্যামকানু মহন্তৰ লগতে অইন দালাল,বেপাৰী সাংগো-পাংগ সকলৰ ভূমিকা পোহৰলৈ আহিব। কোনোবা দোষী প্ৰমাণিত হ'লে শাস্তি হ'ব। কিন্তু জুবিন গাৰ্গ আৰু দুনাই ঘূৰি নাহে। জুবিন গাৰ্গক বিভিন্ন অনুষ্ঠানৰ মাজেৰে জীয়াই ৰখাটো সমগ্ৰ অসমবাসীৰ বাবেই প্ৰয়োজনীয়। নহ'লে জুবিন গাৰ্গ পাহৰণিৰ গৰ্ভত হেৰাই যাবলৈ বহু বেছি সময়ৰ প্ৰয়োজন নহ'ব। হয়তো বছৰত দুবাৰ(জন্ম আৰু মৃত্যু দিৱসত) সমাধি ক্ষেত্ৰ সজাই তোলা হ'ব। প্ৰতিমূৰ্তি স্থাপন হলে সেইবোৰ এসময়ত চৰাই-চিৰিকতিৰ বিষ্ঠা ত্যাগৰ থল হিচাপে চিহ্নিত হ'ব।

মানুহে ক'ব পাৰে যে জুবিন গাৰ্গৰ অন্তেষ্টি ক্ৰিয়াই হোৱা নাই, তেনে স্থলত এনে কথা আলোচনাৰ সময় হোৱা নাই। মোৰ মতে সমূহীয়া স্মৃতি(Public memory)ৰ আয়ুস চুটি। অসমীয়া মানুহৰ ক্ষেত্ৰত সেয়া আৰু বেছি চুটি। এতিয়া মানুহৰ মাজত যি আবেগ, উন্মাদনাৰ সৃষ্টি হৈছে সেয়া সদায় নাথাকে। সকলোৱে নিজৰ নিজৰ জীৱনক লৈ ব্যস্ত হৈ পৰিবলৈ বাধ্য। গতিকে কোনোবাই এনে উন্মাদনাৰপৰা দূৰত নীৰৱে এনে অনুষ্ঠান গঢ়াৰ পৰিকল্পনাত ব্যস্ত হ'বই লাগিব। তেতিয়াহে জুবিন গাৰ্গ অসমীয়া মানুহৰ বাবে এক যুগমীয়া প্ৰেৰণাৰ শ্ৰোত হৈ বৈ থাকিব।

# নতুন সঙ্গীতৰ ধাৰা সৃষ্টি কৰিছিল জুবিন গাৰ্গে

ডাঃ সঞ্জীৱ কাকতি



অসমৰ সংগীত জগতৰ এগৰাকী স্বনামধন্য কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক, অভিনেতা জুবিন গাৰ্গৰ মৃত্যুত আমি মৰ্মাহত। সঁচা অৰ্থত ক'বলৈ গ'লে জুবিন আছিল সঙ্গীতৰ নতুন নতুন ধাৰা সৃষ্টি কৰা অনন্য ব্যক্তিত্বৰ অধিকাৰী। ড° ভূপেন হাজৰিকা, খগেন মহন্তৰ আদিৰ দৰে স্মৰণীয় কণ্ঠশিল্পী সকলেওঁ সুৰৰ যাদুৰে সৃষ্টি কৰি অসম বাসীৰ মন মুহি সফলতা লাভ কৰি যে গৈছে সেয়া নিঃসন্দেহে স্মৰণীয়। তেওঁলোকে এই সৃষ্টিৰ জৰিয়তে অসমীয়া সাংস্কৃতিক জগতক চহকী কৰি থৈ গৈছে। তেওঁলোক আমাৰ চিৰ নমস্য। কিন্তু জুবিন গাৰ্গ আছিল অনন্য। তেওঁ নতুন নতুন চিন্তা ধাৰাৰে সঙ্গীতৰ সুৰ ,লয় আৱিষ্কাৰ কৰি ভাল পাইছিল, যাৰ বাবে অসমৰ লগতে দেশৰ বাহিৰতো সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। মুঠতে তেওঁৰ ধাৰণা আছিল অন্যতম সুকীয়া। জুবিনৰ সেই ধাৰণাই আমাৰ উঠি অহা লৰা ছোৱালী তথা প্ৰজন্মক আকৰ্ষণ কৰিব পাৰিছে তথা মন জয় কৰিব পাৰিছে। চাবলৈ গ'লে তেওঁৰ ব্যক্তিত্বত আছিল ল'ৰালি সুলভ কথা বতৰা, আনহাতে কথা শৈলীত পূৰ্ণতাও মন কৰিব লগীয়া আছিল। সেয়েহে কব পাৰি যে সেই পূৰ্ণতা, সেই শিশু সুলভ ধাৰণা আনতকৈ বহুত বেলেগ-এইয়া মোৰ ধাৰণা হয়। আজী জীৱন আমাৰ মাজত নাই, কিন্তু তেওঁৰ সুৰ চিৰকাল আমাৰ মাজত থাকিব।জুবিনৰ মৃত্যুত আমি মৰ্মাহত, তেওঁৰ শোক সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

*লেখক- অধ্যক্ষ , অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়*

# জুবিন দা অমৰ হৈ ৰ'ব

নেত্ৰকমল সন্দিকৈ

সিদিনা গানৰ দৰেই সাগৰ তলিত শুই পৰিল আমাৰ সকলোৰে মৰমৰ জুবিনদা। প্ৰিয়জনৰো প্ৰিয় জুবিনদাৰ অস্বাভাৱিক বিয়োগত স্তব্ধ সমগ্ৰ। সাম্প্ৰতিক অসমৰ সংগীত জগতক উকা কৰি গুছি গ'ল নিতাল নিশাৰ জোনাক ঢালি..! হৃদয়ে-হৃদয়ে বাজি উঠিল "মায়াৱিনী ৰাতিৰ বুকুত।" আহ্ ...কি যান্ত্ৰণা..! আচলতে হিয়াৰ আমঠু টুকুৰা হেৰাই যোৱাৰ বেদনা কেৱল মাত্ৰ অনুভৱহে কৰিব পাৰি! এই অনুভৱী সুৰে সুৰেই আমি বাট বুলিছো। এন্ধাৰ বিনাশী পোহৰৰ আৰতি কৰিব শিকিছো। যি জুবিনদাই আমাক শিকাই গৈছে জাতি-ধৰ্ম-বৰ্ণ-ভাষা আদিৰ উৰ্ধত মুক্ত মানৱতাক।

দেউতাকৰ চাকৰি সূত্ৰে জুবিনদাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে ঘূৰাৰ সুবাদত বহু ভাষা, বহু সংস্কৃতি-সমাজক খুবেই ওচৰৰ পৰা পাইছিল। যিয়ে নেকি অতি উদাৰ মানৱতাবাদী মনৰ সুৰৰ ৰূপকাৰ হিচাপে নিজকে উত্তৰণ ঘটোৱাত সহায়ক হ'ল। জুবিনদা সদায় খাটিখোৱাৰ সৈতে থাকিয়ে ভালপাইছিল। শিশুৰ পৰা বয়জেষ্ঠলৈকে তেওঁ আছিল প্ৰিয়পাত্ৰ। মাতৃৰ হাতত ধৰিয়ে অসমৰ পৰা সাত সাগৰ তেৰ নদী পাৰহে জুবিনদাৰ চৰ্চিত বৰ্ণিল সংগীতৰ যাত্ৰা আৰম্ভণি ঘটিছিল। দীঘল চুলিৰ সাইলাখ মাইকেল জেকছনৰ দৰে লগা



ল'ৰাজন জুবিন বৰঠাকুৰৰ পৰা হ'লগৈ 'জুবিন গাৰ্গ'। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত পাশ্চাত্য সংগীতৰ 'গ'ল্ড মেডেলিষ্ট' হৈ উদ্যমেৰে আৰম্ভ কৰিলে সংগীতৰ নিৰালস্য সাধনা। চাৰ্লি চেপলিনৰ জীৱনে সমৃদ্ধ কৰা জুবিনদাই ৯০ দশকৰ আৰম্ভণিৰে পৰা এটাৰ পিচত এটাকৈ দি গ'ল চুপাৰহিট গীত আৰু গীত। কি বিহু, কি আধুনিক, ভক্তিমূলক মুঠতে পৃথিৱীৰ ৪০টা ভাষাত প্ৰায় ৩৮ হেজাৰ গীত উপহাৰ দি গৈছে। এটা কথা ক'বই লাগিব বলিউড জগতৰ একমাত্ৰ জুবিনদাই হৈছে ইমান সমূহ গীত গোৱা সংগীতসাধক। তদুপৰি, জুবিনদা হৈছে– "হামিং কিং অৱ দ্য ৱৰ্ল্ড।" জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ গীত গোৱা জুবিনদাই একাধাৰে গীত ৰচনা, কবিতা, বাদ্য-যন্ত্ৰ, অভিনয়, বোলছবি আদিত বিৰল প্ৰতিভাৰ উমান দি গৈছে। আৰ্তজনক সহায় কৰি ভালপোৱা জুবিনদাই কৰ্ম সংস্কৃতিয়ে ভৰা মানুহৰ জয়গান গোৱা এখন সোণৰ অসমৰ সপোন দেখিছিল। বিৰল প্ৰতিভাৰ আকৰ জুবিনদাই কিন্তু দুৰন্তভাৱে সংগীত সাধনা কৰি গ'ল। উত্তৰ প্ৰজন্মই জুবিনদাৰ এই প্ৰতিভাৰ উমানলৈ কৰ্ম সাধনা, অধ্যৱসায়ত গুৰুত্ব দিব লাগিব তেহে জুবিনদাৰ সেই সপোনৰ অসমখন গঢ়িব পাৰিব। সংগীতৰ উপৰিও ফুটবল খেলি ভালপোৱা জুবিনদাই লাভলীনাৰ পৰা হিমালৈকে গাঁৱে-ভূঁএঃ সকলোকে নিজৰ ভাই-ভনী জ্ঞান কৰি অসম তথা উঃপূৰ্বৰ ক্ৰীড়া উত্তৰণত সৰল ভূমিকা গ্ৰহণ কৰি আহিছে। জাতিৰ দুৰ্যোগৰ সময়ত জুবিনদা সদায় আগত আছিল। "কা" আন্দোলনকে ধৰি, বান-খহনীয়া, পৰিৱেশ সংৰক্ষণ আদিৰ ক্ষেত্ৰতো তেখেতে মুখ্য ভূমিকা পালন কৰিছিল। তেখেতে প্ৰায়ে কৈছিল-এটা জাতিক কিতাপেহে ৰক্ষা কৰিব পাৰে। সেয়ে ব্যক্তিগতভাৱেও জুবিনদা কিতাপকৰ পোক আছিল। তেখেতৰ বিভিন্ন ভাষা বিভিন্ন বিষয়ৰ জ্ঞানৰ পৰিসীমা বৰ বিশাল আছিল।

নদ-নদী, পাহাৰ-পৰ্বত, গছ-গছনি, জীৱ-জন্তু আদিক ভালপোৱা জুবিনদা আছিল প্ৰকৃতাৰ্থতে আজন্ম প্ৰকৃতিপ্ৰেমীও। সেয়ে হয়তো তামোলপুৰৰ হাইস্কুলীয়া জীৱনৰ সময়ত ঘৰৰ চৌপাশখন চিৰিয়াখানা ৰূপে গঢ়ি তুলিছিল।

আচলতে জুবিন গাৰ্গ এটি মাথোঁ নাম নহয় ই এক "অসমৰ জাতীয় সম্পদ।" এই দুৰ্লভ সম্পদটি আজি ভিৰৰ মাজত থাকিও তিল তিলকৈ যেন হেৰাই গ'ল। আচলতে বহুৱে জুবিনদাৰ সৰলতাৰ সুযোগ গ্ৰহণ কৰিলে! ই কিন্তু এক অক্ষমণীয় অপৰাধ। এই অপৰাধৰ দয়া নাই, ক্ষমা নাই। অপৰাধীৰ শাস্তি আইনে যেন বিলম্ব নকৰে এইয়ে আশা আৰু কাতৰ প্ৰাৰ্থনা। জুবিনদা যদিও আজি কায়িকভাৱে আমাৰ মাজত নাই কিন্তু সকলোৱে হৃদয়ে-হৃদয়ে বুঢ়ালুইতৰ দৰেই বৈ থাকিব অবিৰত। লগতে জুবিনদা ইতিহাসৰ স্বৰ্ণিল বুকুত সদায় অমৰ হৈ ৰ'ব। জয় জুবিনদা জয়।

*এটা বৰ দুখৰ কথা যে বহু সময়ত অনেকে জুবিন গাৰ্গৰ উতনুৱা গীত-মাতবিলাক দেখে আৰু সমালোচনা কৰে। কিন্তু তেওঁলোকে আনকি আমাৰ অসমৰ লোক-সংগীতেই কেৱল নহয়, বিশেষকৈ ধৰ্মীয় গীত-মাতো শুনিছে। জুবিনক সেইসকলৰ কোনেও খন্তেকৰ বাবেও পাহৰিব নোৱাৰে। মোৰ মনত পৰিছে মোৰ এটা কাহিনী এটা গোটে চলচ্চিত্ৰ ৰূপ দিওঁতে জুবিনে তাত যি গীতটি পৰিৱেশন কৰিছে, মই সেই গীতটিৰ কথাও পাহৰিব নোৱাৰোঁ।*

# জুবিন গাৰ্গ অমৰ হওক

ড° নগেন শইকীয়া



হঠাৎ এটি টেলিফোন আহিল । সুধিলে, জুবিন গাৰ্গৰ বিষয়ে আপুনি কিবা এটা ক'বনে?মই তেতিয়া কঁকালৰ বিষত পৰি আছোঁ। মই কথাটো একো নুবুজাকৈ ক'লোঁ, মই এতিয়া লিখা সম্ভৱ নহ'ব। তাৰ এঘন্টামানৰ পিছত এজনে ক'লে যে জুবিন গাৰ্গে ছিংগাপুৰত সাগৰত স্কু'বা ড্ৰাইভিং কৰিবলৈ গৈ প্ৰাণ হেৰুৱালে । তেতিয়া স্বাভাৱিকতে মোৰ কন্ঠ-শব্দ যেন হেৰুৱাই পেলালোঁ। জুবিন গাৰ্গে নিঃসন্দেহে বিভিন্ন সময়ত মানুহৰ মনত আতংক সৃষ্টি নকৰা নহয়। কিন্তু তেওঁ যে এনেভাৱে অসমৰ জনসাধাৰণক আনকি ভাৰতবৰ্ষৰ জনসাধাৰণক এটা ভয়ংকৰ খবৰ দিব এই কথা ভাবিব নোৱাৰি। জুবিন গাৰ্গৰ যিসকল অনুৰাগী দুখী হৈ পৰিছে ময়ো এতিয়া তেওঁলোকৰে এজন। আৰু এটা বৰ দুখৰ কথা যে বহু সময়ত অনেকে জুবিন গাৰ্গৰ উতনুৱা গীত-মাতবিলাক দেখে আৰু সমালোচনা কৰে । কিন্তু তেওঁলোকে আনকি আমাৰ অসমৰ লোক-সংগীতেই কেৱল নহয়, বিশেষকৈ ধৰ্মীয় গীত-মাতো শুনিছে। জুবিনক সেই সকলৰ কোনেও খন্তেকৰ বাবেও পাহৰিব নোৱাৰে। মোৰ মনত পৰিছে মোৰ এটা কাহিনী এটা গোটে চলচ্চিত্ৰ ৰূপ দিওঁতে জুবিনে তাত যি গীতটি পৰিৱেশন কৰিছে, মই সেই গীতটিৰ কথাও পাহৰিব নোৱাৰোঁ। আমি এতিয়া জুবিনক নতুনকৈ আৱিষ্কাৰ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব। এইটোৱেই যেন আমাৰ পণ হয়।

## জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত

প্ৰেৰণ কৰিছে। এই সন্দৰ্ভত ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে কয়, "অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৱে সমগ্ৰ বিশ্বতে শোকৰ ছাঁ পেলাইছে। শিল্পীগৰাকীৰ শেষ দৰ্শন, শেষকৃত্যত অসমৰ লক্ষ লক্ষ জনতাই অশ্ৰুসিক্ত নয়নেৰে তেখেতক শেষ বিদায় দিছে। অসমৰ মানুহৰ দুখ দুগুণে বঢ়াইছে শিল্পীগৰাকীৰ মৃত্যুক লৈ সৃষ্টি হোৱা ৰহস্যই। এয়া দুৰ্ঘটনা নহয় বৰঞ্চ এক পৰিকল্পিত ষড়যন্ত্ৰ বুলিও অভিযোগ উত্থাপন হৈছে। জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত কোনো প্ৰশ্নই উত্তৰহীন হৈ থকাটো অসমৰ ৰাইজে, ছাত্ৰ সন্থাই নিবিচাৰে। ছাত্ৰ সন্থাই জুবিন গাৰ্গৰ মৃত্যুৰ এক উচ্চস্তৰীয়, নিৰপেক্ষ আৰু পানী নসৰকা তদন্তৰ দাবী জনাইছে। "ইফালে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত উচ্চতম ন্যায়ালয়ৰ নিৰীক্ষণত চি বি আইৰ দ্বাৰা কৰোৱাৰ দাবী জনাই অসম জাতীয় পৰিষদে প্ৰধানমন্ত্ৰীলৈ এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাৰ স্বাক্ষৰ সম্বলিত এই পত্ৰখনত পৰিষদে জনতাৰ শিল্পীগৰাকীৰ হঠাৎ, অকাল আৰু ৰহস্যজনক মৃত্যুক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ৰাজনৈতিক প্ৰভাৱত তদন্ত স্থানীয় সংস্থাৰ হাতত গতাই দিলে ন্যায়ৰ পৰা বঞ্চিত হ'ব পাৰে বুলি আশংকা কৰি পৰিষদে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ চি বি আই তদন্তৰ বাবে প্ৰধানমন্ত্ৰীক তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিবলৈ আৰু উচ্চতম ন্যায়ালয়ে নিৰীক্ষণ কৰাৰ বাবে আহ্বান জনায়। পৰিষদে বিবৃতিত কয়, "জুবিন গাৰ্গৰ মৃত্যুৰ কাৰণ গুৰুতৰ অপৰাধমূলক গাফিলতি বা পূৰ্ব পৰিকল্পিত ষড়যন্ত্ৰ বুলি তীব্ৰ সন্দেহ কৰাৰ বাবে মানুহে আন্দোলন কৰিছে, মাত মাতিছে, উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে। এই ঘটনাৰ লগত বাৰে বাৰে নাম জড়িত হৈ থকা মূল অভিযুক্তজনৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী, অন্যান্য ৰাজ্যিক মন্ত্ৰী, ভাৰত চৰকাৰৰ মন্ত্ৰীকে ধৰি শীৰ্ষ ৰাজনৈতিক নেতৃত্বৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। উচ্চতম পদবীত থকাসকলকে ধৰি শীৰ্ষ আমোলা আৰু জ্যেষ্ঠ আৰক্ষী বিষয়াৰ সৈতেও তেওঁ ঘনিষ্ঠ সম্পৰ্ক বজাই ৰাখে। মুখ্যমন্ত্ৰী, বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় মন্ত্ৰী আৰু জ্যেষ্ঠ আৰক্ষী বিষয়াৰ সৈতে মূল অভিযুক্তৰ ফটো ৰাজহুৱা ডমেইনত ইতিমধ্যে ভাইৰেল হৈ পৰিছে। এই শক্তিশালী সংযোগৰ বাবেই আৰক্ষীয়ে ইচ্ছাকৃতভাৱে তেওঁক গ্ৰেপ্তাৰ কৰাত পলম কৰা বুলি বহুল সন্দেহ প্ৰকাশ পাইছে। মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ সৈতে তেওঁৰ ব্যৱসায়িক সম্পৰ্ক থাকিব পাৰে বুলিও চৰ্চা চলিছে, যাৰ ফলত চলি থকা তদন্তৰ নিৰপেক্ষতাক লৈ অধিক উদ্বেগ প্ৰকাশ পাইছে।" বিবৃতিত লগতে উল্লেখ কৰা হয়, "সমগ্ৰ অসমৰ ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে যে কিয় এই আইনখন আখৰে আখৰে পালন কৰা হোৱা নাই। সন্দেহজনক বা অস্বাভাৱিক মৃত্যুৰ যিকোনো ক্ষেত্ৰতে আইনী প্ৰক্ৰিয়াটো স্পষ্ট: প্ৰমাণ নষ্ট কৰাৰ লগতে সাক্ষীক প্ৰভাৱিত কৰাটো ৰোধ কৰিবলৈ অভিযুক্তক তৎক্ষণাত গ্ৰেপ্তাৰ কৰিব লাগিব। তথাপি এই কাণ্ডৰ কেইবাদিনো পিছতো কোনো লোকক গ্ৰেপ্তাৰ কৰা হোৱা নাই আৰু অভিযুক্তক আগতীয়াকৈ জামিন লাভ কৰিবলৈ সময় দিয়া যেন লাগে। এই বিলম্বতাৰ ফলত জনসাধাৰণৰ সন্দেহ গভীৰ হৈ পৰিছে যে দোষীসকলক ৰক্ষা কৰাৰ প্ৰয়াস কৰা হৈছে।" "আন এক জটিলতা হ'ল ছিংগাপুৰত এই ঘটনা সংঘটিত হৈছে। অসম আৰক্ষী বা ইয়াৰ চি আই ডি শাখাৰ তাত তদন্তৰ প্ৰত্যক্ষ অধিকাৰ নাই। বিদেশৰ মাটিৰ যিকোনো তদন্তৰ বাবে ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বহিঃৰাষ্ট্ৰৰ সংশি-ষ্ট কৰ্তৃপক্ষৰ সৈতে সমন্বয় স্থাপন কৰিব লাগিব। ইয়াৰ ফলত চলি থকা চি আই ডি তদন্তক অকাৰ্যকৰী কৰি তোলাই নহয়, অপ্ৰয়োজনীয়ভাৱে দীঘলীয়া আৰু জটিল হৈ পৰে। ইয়াৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থিত আৰু আন্তঃৰাষ্ট্ৰীয় সমন্বয়ৰে চলোৱা চি বি আইৰ তদন্ত এনে ক্ষেত্ৰত অধিক কাৰ্যক্ষম আৰু ব্যৱহাৰিক হ'ব।" বিবৃতিত লগতে কোৱা হয়। বিবৃতিত লগতে কোৱা হয়, "সেয়ে অসমৰ ৰাইজ আৰু বিশ্বজুৰি জুবিন গাৰ্গৰ প্ৰশংসকসকলে সমগ্ৰ বিষয়টোৰ ওপৰত চি বি আইৰ তদন্তৰ তীব্ৰ দাবী জনাইছে। অৱশ্যে আমিও গুৰুত্বসহকাৰে ক'ব বিচাৰো যে কেৱল চি বি আইৰ নিৰপেক্ষতাৰ ওপৰত ৰাইজৰ সম্পূৰ্ণ বিশ্বাস নাই, কিয়নো মাননীয় উচ্চতম ন্যায়ালয়েও বিগত সময়ত উল্লেখ কৰিছে যে চি বি আই চৰকাৰৰ 'পিঞ্জৰাবদ্ধ কপৌ'ৰ দৰে কাম কৰে। এই কাৰণেই এই দাবী কেৱল চি বি আইৰ তদন্তৰ বাবে নহয়, বৰঞ্চ ভাৰতৰ মাননীয় উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ নিৰীক্ষণ আৰু তত্বাৱধানত কৰা তদন্তৰ বাবে, যাতে স্বচ্ছ আৰু নিৰপেক্ষভাৱে ন্যায় নিশ্চিত হয়।" ইফালে অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বুধবাৰে জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ তদন্ত কৰিবলৈ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ নেতৃত্বত চি বি আইৰ তদন্তৰ দাবী জনাই ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## টাৰচেম মিট্টালৰ বিৰুদ্ধে

ফেন ক্লাবৰ এগৰাকী সদস্য তথা জুবিনৰ দীৰ্ঘদিনৰ ঘনিষ্ঠ বন্ধু হৃষীকেশে টাৰচেম মিট্টাল আৰু জুবিনৰ বৰ্তমানৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে এই এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ কৰা হৈছে যে জুবিন গাৰ্গৰ সৃষ্টিৰাজিৰ ৰয়েলটিৰ ধনৰ ভাগ-বটোৱাৰাৰ বিষয়টোৰ সৈতে এই মৃত্যুৰ সম্পৰ্ক থাকিব পাৰে। হৃষীকেশে শিৱসাগৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ উদ্দেশ্যে লিখা পত্ৰত জানিবলৈ দিছে যে, "১৯ ছেপ্টেম্বৰত অসমৰ বিশিষ্ট সংগীত শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই সমগ্ৰ ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘটনাৰ তদন্তৰ দায়িত্ব ৰাজ্য চৰকাৰে চি আই ডিৰ হাতত তুলি দিছে। কিন্তু জুবিনৰ সৃষ্টিৰাজিৰ ৰয়েলটিৰ ধনৰ অংশ লাভৰ বিষয়টোক কেন্দ্ৰ কৰি সামাজিক মাধ্যম আৰু সংবাদ মাধ্যমত বহু আলোচনা চলিছে।" পত্ৰত আৰু উল্লেখ কৰা হৈছে যে টাৰচেম মিট্টাল জুবিনৰ প্ৰাক্তন মেনেজাৰ আছিল আৰু তেওঁৰ বৰ্তমানৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। টাৰচেম মিট্টালেই সিদ্ধাৰ্থ শৰ্মাক জুবিনৰ মেনেজাৰ হিচাপে নিযুক্তি দিয়াৰ কথা জানিব পৰা গৈছে। এই প্ৰেক্ষাপটত হৃষীকেশে সন্দেহ প্ৰকাশ কৰিছে যে জুবিনৰ মৃত্যুৰ আঁৰত ধনৰ লোভ থাকিব পাৰে আৰু এই ঘটনা পৰিকল্পিত হত্যা হ'ব পাৰে। তেওঁৰ দাবী, টাৰচেম মিট্টালক গ্ৰেপ্তাৰ কৰি জেৰা কৰিলে জুবিনৰ মৃত্যুৰ ৰহস্য উদঘাটিত হ'ব পাৰে। এজাহাৰত হৃষীকেশে উল্লেখ কৰিছে, "টাৰচেম মিট্টালক তদন্তৰ আওতালৈ নানিলে জুবিনৰ মৃত্যুৰ আঁৰৰ সত্য কেতিয়াও পোহৰলৈ নাহিব আৰু দোষীয়ে শাস্তিৰ পৰা ৰেহাই পাব। তেনে কাৰণে জুবিন গাৰ্গৰ ন্যায়ৰ স্বাৰ্থত টাৰচেম মিট্টালৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি তেওঁক অতি সোনকালে গ্ৰেপ্তাৰ কৰাৰ বাবে অনুৰোধ জনাইছো।" এই এজাহাৰে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত নতুন মাত্ৰা যোগ কৰিছে। ৰাইজৰ মাজত এই ঘটনাৰ সত্য উদঘাটন আৰু দোষীৰ শাস্তিৰ দাবী তীব্ৰ হৈ উঠিছে।

## মন্ত্ৰী পীযুষ হাজৰীকাক 'মাছ

কংগ্ৰেছৰ ছাত্ৰ সংগঠন এন এছ ইউ আইৰ বিৰুদ্ধে নিকৃষ্ট ৰাজনীতিৰ অভিযোগ উত্থাপিত হৈছে। সংগঠনটোৱে মন্ত্ৰী পীযুষ হাজৰীকাক কৈৱৰ্ত সম্প্ৰদায়ৰ পৰা অহাৰ কাৰণে তাচ্ছিল্য কৰি 'মাছ বেপাৰী' বুলি কটু মন্তব্য কৰাৰ অভিযোগ উঠিছে। সামাজিক মাধ্যমত এন এছ ইউ আয়ে লিখিছে, "এগৰাকী নিৰ্লজ্জ 'মাছ বেপাৰী'য়ে জুবিনদাৰ নামত ভুৱা এআই ভিডিঅ'ৰ জৰিয়তে ৰাজনীতি কৰিবলৈ আৰম্ভ কৰিছে। শান্তিৰে জিৰণি লওক মিষ্টাৰ পীযুষ হাজৰীকা... অহ, ক্ষমা কৰিব, মাছ বেপাৰী।" এই মন্তব্যই কেৱল মন্ত্ৰী হাজৰীকাক নহয়, কৈৱৰ্ত সম্প্ৰদায়কে অপমান কৰা বুলি বিভিন্ন মহলে তীব্ৰ নিন্দা কৰিছে। মন্ত্ৰী পীযুষ হাজৰীকাই জুবিনৰ মৃত্যুক কেন্দ্ৰ কৰি ৰাজনীতি নকৰিবলৈ কংগ্ৰেছক সতৰ্ক কৰি দিছিল। তেওঁৰ পৰিয়ালে মীন পালনক জীৱিকা হিচাপে গ্ৰহণ কৰিছে আৰু এই কামৰ প্ৰতি তেওঁলোক গৰ্বিত। কিন্তু কংগ্ৰেছৰ ছাত্ৰ সংগঠনটোৱে তেওঁৰ জাতি আৰু পৰিয়ালৰ পেশাক লৈ তাচ্ছিল্যমূলক মন্তব্য কৰিছে। ইয়াৰ উপৰি সংগঠনটোৱে 'শান্তিৰে জিৰণি লওক' বুলি লিখি মন্ত্ৰীৰ মৃত্যু কামনা কৰাৰ অভিযোগ উঠিছে। এই ঘটনাৰ প্ৰতিক্ৰিয়াত মন্ত্ৰী পীযুষ হাজৰীকাই সামাজিক মাধ্যমত ক্ষোভ প্ৰকাশ কৰি কয়, "মই কংগ্ৰেছৰ মুখা খুলি দিয়াৰ বাবে তেওঁলোকে মোৰ জাতি আৰু জীৱিকাক লৈ তাচ্ছিল্য কৰিছে। আমি মীন পালন কৰোঁ আৰু এই কামৰ বাবে গৰ্বিত। এনে দুখৰ সময়ত জুবিনক লৈ ৰাজনীতি নকৰিবলৈ কৈছিলোঁ, কিন্তু তেওঁলোকে মোক 'মাছ বেপাৰী' বুলি অপমান কৰি মোৰ মৃত্যু কামনা কৰিছে। এয়াই কংগ্ৰেছৰ প্ৰকৃত চৰিত্ৰ।" তেওঁ লগতে উল্লেখ কৰে যে তেওঁৰ প্ৰতিবাদৰ পাছত কংগ্ৰেছৰ সংগঠনে জুবিন সম্পৰ্কীয় এআই ভিডিঅ' মচি পেলাইছে আৰু তেওঁলোকৰ পেজো বন্ধ কৰিছে। মন্ত্ৰী প্ৰশান্ত ফুকনে এই ঘটনাৰ তীব্ৰ নিন্দা কৰি কয়, "এটা ৰাজনৈতিক দলৰ ছাত্ৰ সংগঠনে জাতি আৰু পেশাক লৈ তাচ্ছিল্য কৰাটো অগ্ৰহণযোগ্য। এন এছ ইউ আয়ে অসমৰ ৰাইজৰ পৰা ক্ষমা খুজিব লাগে।" মন্ত্ৰী কৌশিক ৰায়ে প্ৰশ্ন তুলি কয়, "অনুসূচিত জাতিৰ এগৰাকী মন্ত্ৰী হোৱাৰ কাৰণে এনে কটু মন্তব্য কৰা হৈছে নেকি?" বিধায়ক মানৱ ডেকাইও এই কাৰ্যক লজ্জাজনক বুলি অভিহিত কৰি কয়, "জাতি আৰু পেশাক লৈ এনে মন্তব্য কেতিয়াও গ্ৰহণযোগ্য নহয়। কংগ্ৰেছে জুবিনৰ মৃত্যুক লৈ ৰাজনীতি কৰাৰ বাবে মন্ত্ৰী হাজৰীকাই তেওঁলোকৰ মুখা খুলি দিছিল, আৰু এতিয়া তেওঁলোকে এই নীচ ৰাজনীতিৰে প্ৰতিক্ৰিয়া জনাইছে।" এই ঘটনাই অসমৰ ৰাজনৈতিক পৰিস্থিতিত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ দুখৰ মুহূৰ্তত এনে জাতিগত তাচ্ছিল্য আৰু ৰাজনীতিৰ বিৰুদ্ধে সৰৱ হৈছে বিভিন্ন মহল।

## নিশাৰ অন্ধকাৰত কাটি

গুৱাহাটী ক্লাৱৰ পৰা নুনমাটিলৈ সংযোগী উৰণ সেতুৰ নিৰ্মাণৰ কাম আৰম্ভ হোৱাৰ পৰাই এই প্ৰকল্প বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈ আছে। শেহতীয়াকৈ দীঘলীপুখুৰীৰ অতি নিকটত এই সেতুৰ খুঁটা নিৰ্মাণৰ কাম আৰম্ভ হোৱাৰ খবৰে সচেতন ৰাইজৰ মাজত তীব্ৰ অসন্তোষৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গে জীৱিত অৱস্থাত এই প্ৰকল্পৰ বিৰুদ্ধে সৰৱ হৈছিল, আৰু তেওঁৰ মৃত্যুৰ পাছতো চৰকাৰে তেওঁৰ এই ইচ্ছাক অগ্ৰাহ্য কৰাৰ অভিযোগ উঠিছে। এই উৰণ সেতুৰ নিৰ্মাণ কাৰ্য আৰম্ভৰ পৰাই বিতৰ্কৰ সৃষ্টি কৰিছিল। প্ৰকল্পৰ বাবে গুৱাহাটী ক্লাৱৰ পথৰ কাষৰ গছ কাটি পেলোৱাৰ সিদ্ধান্তৰ বিৰুদ্ধে সচেতন জনতাই তীব্ৰ প্ৰতিবাদ জনাইছিল। জুবিন গাৰ্গ নিজেও এই আন্দোলনত জড়িত হৈ দীঘলীপুখুৰীৰ প্ৰাকৃতিক সৌন্দৰ্য সংৰক্ষণৰ বাবে স্পষ্ট মত প্ৰকাশ কৰিছিল। তেওঁ কৈছিল যে কোনো কাৰণতেই দীঘলীপুখুৰীৰ সৌন্দৰ্য নষ্ট কৰিবলৈ দিয়া নহ'ব। আন্দোলনৰ চাপত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল যে সেতুখনৰ নক্সা সলনি কৰা হ'ব আৰু গছবোৰ বিজ্ঞানসন্মতভাৱে স্থানান্তৰ কৰা হ'ব। তেওঁ আশ্বাস দিছিল যে সেতুখন ৰিজাৰ্ভ বেংকৰ পৰিৱৰ্তে গুৱাহাটী ক্লাৱৰ পৰা কিছু দূৰত শেষ হ'ব। এই ঘোষণাৰ পাছত আন্দোলন কিছু পৰিমাণে শান্ত হৈছিল। কিন্তু শেহতীয়া তথ্য অনুসৰি, লোকনিৰ্মাণ বিভাগে দীঘলীপুখুৰীৰ অতি নিকটত সেতুৰ খুঁটা নিৰ্মাণৰ বাবে কুজকাৰাজ আৰম্ভ কৰিছে। নিৰ্মাণৰ সামগ্ৰী ইতিমধ্যে স্থানত মজুত কৰা হৈছে, যাৰ ফলত মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতিৰ প্ৰতি সন্দেহৰ সৃষ্টি হৈছে। এই পৰিস্থিতিৰ প্ৰতিবাদত সচেতন জনতাৰ একাংশই বিশিষ্ট চিন্তাবিদ অপূৰ্ব বৰুৱাৰ নেতৃত্বত চানমাৰিস্থিত লোকনিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তাৰ কাৰ্যালয়ত উপস্থিত হৈ বিষয়টোৰ সবিশেষ জানিবলৈ চেষ্টা কৰে। মুখ্য অভিযন্তাই স্পষ্ট কৰি কয় যে দীঘলীপুখুৰীৰ এটা কোণত সেতুখনৰ এটা খুঁটা নিৰ্মাণৰ পৰিকল্পনা আছে। এই কাৰ্য সম্পন্ন কৰিবলৈ হ'লে পুনৰ দীঘলীপুখুৰীৰ পাৰৰ কেইবাটাও গছ কাটিবলৈ হ'ব। এই ঘটনাই মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি আৰু বিভাগৰ কাৰ্যকলাপৰ মাজত অসঙ্গতিৰ ইংগিত দিয়ে। অপূৰ্ব বৰুৱাই এই বিষয়ত গভীৰ আক্ষেপ প্ৰকাশ কৰি কয়, "মুখ্যমন্ত্ৰীৰ কথা আৰু বিভাগৰ কামৰ মাজত কোনো মিল নাই। আমি এই বিষয়ত অধিক তথ্য সংগ্ৰহ কৰি আগন্তুক দিনত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিম।" এই পৰিস্থিতিয়ে দীঘলীপুখুৰীৰ পৰিৱেশ সংৰক্ষণৰ প্ৰশ্নৰ লগতে জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ বিষয়টোকো পুনৰবাৰ চৰ্চালৈ আনিছে।

## তেজপুৰ বিশ্ববিদ্যালয়ৰ

বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ মাজৰ সংঘাতে জটিলতা বৃদ্ধি কৰিছে, যাৰ ফলত প্ৰশাসনে এই ঘটনাৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ জাৰি কৰিছে। জুবিন গাৰ্গৰ প্ৰতি অসন্মান প্ৰদৰ্শন আৰু কেম্পাছত উদ্ভৱ আইন-শৃংখলাজনিত পৰিস্থিতিৰ তদন্তৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। শোণিতপুৰৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে এই বিষয়ে জানোৱা নিৰ্দেশত কয়, "তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অভিযোগ উত্থাপন কৰিছে যে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই জুবিন গাৰ্গৰ প্ৰতি যথাযথ সন্মান প্ৰদৰ্শন কৰা নাই। এই আচৰণ অসমৰ কিংবদন্তি শিল্পীৰ প্ৰতি অপমানৰ সমতুল্য।" তেওঁ আৰু জানিবলৈ দিয়ে যে বিশ্ববিদ্যালয়ৰ পৰা কোনো আনুষ্ঠানিক শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী আয়োজন নকৰাটোৱে ছাত্ৰ-ছাত্ৰীৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। উপাচাৰ্য শম্ভু নাথ সিঙৰ বিৰুদ্ধে শ্ৰদ্ধাঞ্জলি আয়োজনকাৰী ছাত্ৰ-ছাত্ৰীৰ প্ৰতি অপমানজনক মন্তব্য কৰাৰ অভিযোগও উঠিছে। অতিৰিক্ত জিলা দণ্ডাধীশ কমল বৰুৱাক ১০ দিনৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিলৰ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ মাজতে, তেজপুৰ বিশ্ববিদ্যালয়ে মঙলবাৰে এটা বিবৃতি জাৰি কৰি জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি কেম্পাছত স্থাপন আৰু তেওঁক মৰণোত্তৰ সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদানৰ পৰিকল্পনা ঘোষণা কৰিছে। বুধবাৰে সন্ধিয়া শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ মাজত এই পৰিস্থিতি আৰু উপাচাৰ্যৰ ভূমিকাৰ ওপৰত এখন বৈঠকো অনুষ্ঠিত হয়। বৈঠকত সৰ্বসন্মতিক্ৰমে উপাচাৰ্যক অপসাৰণ কৰি বিশ্ববিদ্যালয়ৰ উন্নতিৰ বাবে যোগ্য ব্যক্তি নিযুক্তিৰ দাবী উত্থাপিত হয়। এই বিতৰ্কৰ মাজত বিশ্ববিদ্যালয়ৰ জনসম্পৰ্কৰক্ষী বিষয়া সমৰেশ বৰ্মনে পদত্যাগ কৰিছে। তেওঁ উপাচাৰ্য শম্ভু নাথ সিঙৰ স্বৈৰাচাৰী আচৰণ আৰু দুৰ্নীতিৰ অভিযোগ তুলি পদত্যাগৰ সিদ্ধান্ত গ্ৰহণ কৰে। সমৰেশ বৰ্মনে কয়, "উপাচাৰ্যৰ স্বেচ্ছাচাৰী শাসন আৰু নীতি-নিয়মৰ বিৰুদ্ধে শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী একত্ৰিত হৈছে। মই তেওঁৰ পদত্যাগৰ দাবী জনাইছো।" তেওঁ আৰু অভিযোগ কৰে যে উপাচাৰ্যই বিশ্ববিদ্যালয়ৰ উন্নয়নৰ বাবে অহা ধন দুৰ্নীতিৰে আত্মসাৎ কৰিছে আৰু বিলাসী জীৱনযাপনৰ লগতে বিদেশ ভ্ৰমণৰ কাৰণে এই ধনৰ অপব্যৱহাৰ কৰিছে। পদত্যাগৰ পিছত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলে উপাচাৰ্যৰ দুৰ্নীতিৰ বিৰুদ্ধে সৰৱ হৈ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰ ওচৰত তদন্তৰ দাবী জনাইছে। সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাই এই বিষয়ে জিলা আয়ুক্তৰ ওচৰত স্মাৰকপত্ৰ প্ৰদান কৰি ছাত্ৰ সমাজৰ দাবী সমাধানৰ আহ্বান জনাইছে। সন্থাই কয়, "অসম চুক্তিৰ ফলত তেজপুৰত স্থাপিত এই বিশ্ববিদ্যালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ পিছত তেওঁৰ প্ৰতি অসমীয়াৰ আৱেগক অৱহেলা কৰিছে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ বাবে অনুমতি নিদিয়াৰ ফলত ছাত্ৰ সমাজে আন্দোলনত নামিছে। আমি ছাত্ৰ-ছাত্ৰীৰ পক্ষত সদায় থাকিম।" ইয়াৰ সমান্তৰালভাৱে, জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ দাবীত অভিনেতা তথা ৰাইজৰ দলৰ নেতা অলক নাথে তেজপুৰৰ কছাৰী গাঁও আৰক্ষী থানাত গোচৰ ৰুজু কৰিছে। তেওঁ কয়, "জুবিনৰ মৃত্যুৰ ৰহস্য ক্ৰমশঃ জটিল হৈ পৰিছে। শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰ গোস্বামীৰ পলাতক অৱস্থাৰ পিছতো আৰক্ষীৰ নিষ্ক্ৰিয়তা প্ৰশ্নৰ সৃষ্টি কৰিছে।" তেওঁ লগতে মুখ্যমন্ত্ৰীৰ তদন্তৰ প্ৰতি সন্তোষ প্ৰকাশ কৰি কয়, "মুখ্যমন্ত্ৰীয়ে এই ঘটনাৰ গুৰুত্ব উপলব্ধি কৰিছে। তেওঁ জুবিনক ভালপোৱাৰ বাবে তদন্তত সন্তুষ্ট হ'লে ৰাইজৰ ন্যায় নিশ্চিত হ'ব।" এই বিতৰ্কৰ সূত্ৰপাত হৈছিল ২১ ছেপ্টেম্বৰত, যেতিয়া ছাত্ৰ সমাজে জুবিনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ বাবে কৰ্তৃপক্ষৰ পৰা সহযোগিতা নাপাইছিল। অসম চৰকাৰে তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰাৰ পিছতো বিশ্ববিদ্যালয়ে শ্ৰদ্ধাঞ্জলিৰ বাবে অনুমতি নিদিয়াৰ অভিযোগ উঠিছিল। ছাত্ৰ-ছাত্ৰীয়ে ২২ ছেপ্টেম্বৰৰ ভিতৰত শ্ৰদ্ধাঞ্জলি আয়োজন আৰু উপাচাৰ্যৰ অপমানজনক মন্তব্যৰ বাবে ক্ষমা বিচাৰিবলৈ দাবী জনাইছিল। সোমবাৰে প্ৰশাসনিক ভৱন আবদ্ধ কৰি উপাচাৰ্যক পত্ৰ প্ৰেৰণ কৰাৰ লগতে তেওঁক আৱদ্ধ কৰি ৰখাৰ ঘটনাও ঘটিছিল। এই ঘটনাই তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ দায়িত্বশীলতাৰ ওপৰত প্ৰশ্নৰ সৃষ্টি কৰিছে, আৰু তদন্তৰ ফলাফলৰ ওপৰত ৰাইজৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## জুবিন মোৰ কাৰণে

স্বাৰ্থত জুবিন গাৰ্গক ব্যৱহাৰ কৰিছিল। এই অভিযোগৰ সত্যতা এতিয়া শ্যামকানুৰ নিজৰ ভতিজী সৃজনী ভাস্ব মহন্তই প্ৰমাণ কৰিছে। ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত নৰ্থইষ্ট ফেষ্টিভেলত অংশগ্ৰহণৰ বাবে গৈ অসমৰ প্ৰাণৰ প্ৰতিমূৰ্তি জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাই সমগ্ৰ অসমক শোকত ডুবাইছিল। এই ঘটনাৰ পিছত শ্যামকানু মহন্তৰ বিৰুদ্ধে দোষীৰ শাস্তিৰ দাবী উঠিছে। সৃজনী ভাস্ব মহন্তই ফেচবুক পোষ্টৰ জৰিয়তে শ্যামকানুৰ আচৰণৰ তীব্ৰ নিন্দা কৰি তেওঁৰ ব্যৱহাৰৰ কথা প্ৰকাশ কৰিছে। সৃজনীয়ে তেওঁৰ পোষ্টত উল্লেখ কৰিছে যে কেইবছৰ পূৰ্বে পাৰিবাৰিক আলোচনাৰ সময়ত শ্যামকানু মহন্তই জুবিন গাৰ্গক 'পণ্য' বুলি মন্তব্য কৰিছিল। তেওঁ লিখিছে, "জুবিনৰ স্বাস্থ্যৰ বিষয়ে কথা উঠাৰ সময়ত শ্যামকানুৱে কৈছিল, 'বাদ দিয়া, মোৰ কি আহে-যায়, জুবিন মোৰ কাৰণে মাত্ৰ এটা commodity।" সৃজনীয়ে শ্যামকানুৰ এই মনোভাৱৰ তীব্ৰ নিন্দা কৰিছে আৰু তেওঁৰ সৈতে কোনো সম্পৰ্ক নথকাৰ কথা স্পষ্ট কৰিছে। তেওঁ কয়, "জন্মসূত্ৰে তেওঁৰ সৈতে তেজৰ সম্পৰ্ক আছে, কিন্তু তাৰ বাহিৰে আমাৰ মতাদৰ্শ আৰু কৰ্মৰ কোনো মিল নাই।" সৃজনীয়ে জুবিনক লৈ শ্যামকানুৰ দ্বিমুখী আচৰণৰ সমালোচনা কৰি কয় যে শেহতীয়াকৈ তেওঁ জুবিনক 'ৰাজহাড়' আৰু 'আত্মা' বুলি আখ্যা দিছিল, যিটো তেওঁৰ পূৰ্বৰ মন্তব্যৰ সৈতে মিল নাখায়। তেওঁ ক্ষোভ প্ৰকাশ কৰি লিখিছে, "জুবিনৰ জীৱনৰ সৈতে খেলা কৰা প্ৰত্যেকৰ কঠোৰ শাস্তি হওক। এই ঘটনাৰ সঠিক তদন্তৰ দাবী জনাইছো।" সৃজনীৰ এই পোষ্টৰ জৰিয়তে শ্যামকানুৰ বিৰুদ্ধে উত্থাপিত অভিযোগে নতুন মাত্ৰা লাভ কৰিছে। জুবিনৰ মৃত্যুৰ তদন্তত শ্যামকানুৰ ভূমিকাৰ বিষয়ে গভীৰ তদন্তৰ দাবী তীব্ৰতৰ হৈছে।

## জুবিন গাৰ্গৰ মৃত্যুকাণ্ডৰ

গ্ৰেপ্তাৰ কৰা হয়। তেওঁ জুবিনৰ ছিংগাপুৰ ভ্ৰমণৰ সময়ত অন্যতম সংগী আছিল। শেখৰ জ্যোতি গোস্বামীৰ বাসগৃহত এছ আই টিয়ে তালাচী অভিযান চলাইছিল, যাৰ পাছত তেওঁক গ্ৰেপ্তাৰ কৰা হয়। জানিব পৰা মতে, শেখৰ ছিংগাপুৰৰ সাগৰৰ য়াট ভ্ৰমণত জুবিনৰ সৈতে আছিল। অসমলৈ উভতি আহি তেওঁ জুবিনৰ মৃত্যুৰ সন্দৰ্ভত কেইবাটাও বিস্ফোৰক মন্তব্য কৰিছিল। তেওঁ দাবী কৰিছিল যে জুবিনৰ ওঁঠ আৰু ভৰি নীলা হৈ পৰাৰ কথা তেওঁ লক্ষ্য কৰিছিল। উল্লেখ্য, জুবিনৰ নশ্বৰ দেহৰ সৈতে শেখৰ দিল্লীৰ পৰা একেখন বিমানত অসমলৈ উভতি আহিছিল। এই গ্ৰেপ্তাৰে জুবিনৰ মৃত্যুৰ তদন্তত নতুন মোৰ এটাৰ সৃষ্টি কৰিছে। এছ আই টিৰ তদন্ত এতিয়া কোন দিশলৈ গতি কৰিব, তাৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

## জুবিনৰ মৃত্যু সন্দৰ্ভত

ঘটনাৰ এটা সপ্তাহ পাৰ হৈ গৈছে। যোৱা ১৯ ছেপ্টেম্বৰত লাজাৰাছ দ্বীপৰ ওচৰত সাগৰত সাঁতুৰি থকাৰ সময়ত জুবিনৰ মৰ্মান্তিক মৃত্যুৱে সমগ্ৰ অসমক শোকত ডুবাইছে। এই ঘটনাৰ পিছত অসম এছ'চিয়েচন ছিংগাপুৰৰ বিৰুদ্ধে ৰাইজৰ ক্ষোভ তীব্ৰ হৈ উঠিছে। বৃহস্পতিবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল যে জুবিনৰ সৈতে সেই য়টত উপস্থিত থকা সকলোকে তদন্তৰ আওতালৈ আনা হ'ব। কিন্তু পাঁচ দিনৰ পাছতো অসম এছ'চিয়েচন ছিংগাপুৰৰ কিছু সদস্যৰ উদাসীনতা আৰু তদন্তত সহযোগিতাৰ ক্ষেত্ৰত নীৰৱতাই জনমানসত সন্দেহৰ সৃষ্টি কৰিছে। অসম এছ'চিয়েচন ছিংগাপুৰে ইনষ্টাগ্ৰামত এটা বিবৃতি প্ৰকাশ কৰি জুবিনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। বিবৃতিত উল্লেখ কৰা হৈছে, "আমাৰ প্ৰিয় জুবিনদাৰ অকাল মৃত্যুৱে ছিংগাপুৰৰ অসমীয়া সম্প্ৰদায়ক গভীৰ শোকত ডুবাইছে। আমাৰ কেইজনমান সদস্যই বৰ্তমান ছিংগাপুৰৰ কৰ্তৃপক্ষৰ তদন্তত সহযোগিতা কৰি আছে। তদন্ত সম্পূৰ্ণ নোহোৱালৈকে আমি এই বিষয়ত ৰাজহুৱা মন্তব্যৰ পৰা বিৰত থাকিম। আমি জুবিনৰ পৰিয়াল আৰু অসমৰ প্ৰতি গভীৰ সমবেদনা জনাইছো।" এই বিবৃতিৰ জৰিয়তে এছ'চিয়েচনে নিজৰ দায়িত্ব এৰাই চলাৰ চেষ্টা কৰা বুলি জনমানসত অভিযোগ উঠিছে। ঘটনাৰ সৈতে জড়িত তথ্য অনুসৰি, জুবিন গাৰ্গ সেই দুৰ্ঘটনাৰ সময়ত এটা য়টত সাঁতুৰিবলৈ গৈছিল, যিখন অসম এছ'চিয়েচন ছিংগাপুৰৰ এজন সদস্যই বুকিং কৰিছিল। য়টত উপস্থিত আছিল এছ'চিয়েচনৰ সদস্য দেৱজিত হাজৰিকা, সিদ্ধাৰ্থ বৰা, অভিমন্যু তালুকদাৰ, ৰিপকমল শইকীয়া, ৰাজিদ আহমেদ, পৰীক্ষিত শৰ্মা, আৰু তন্ময় ফুকন। জুবিনে লাইফ জেকেট পৰিধান নকৰাকৈ সাগৰত জঁপিয়াই পৰাৰ সময়ত এই সদস্যসকলৰ আচৰণক ভয়ংকৰভাৱে অসংবেদনশীল বুলি অভিযোগ উঠিছে। ভাইৰেল হোৱা ভিডিঅ' ফুটেজত এই কথাৰ প্ৰমাণ পোৱা গৈছে। ৰাইজৰ মাজত প্ৰশ্ন উঠিছে যে জুবিনৰ স্বাস্থ্যৰ সমস্যাৰ কথা জনাৰ পিছতো তেওঁক সুৰক্ষা নিশ্চিত কৰাত এছ'চিয়েচনৰ সদস্যসকল কিয় উদাসীন আছিল? কোনোৱে তেওঁক লাইফ জেকেট পিন্ধিবলৈ বা সাগৰত নামিবলৈ বাধা দিয়াৰ চেষ্টা কিয় নকৰিলে? এই প্ৰশ্নবোৰে অসম এছ'চিয়েচন ছিংগাপুৰৰ প্ৰতি সন্দেহৰ মাত্ৰা বৃদ্ধি কৰিছে। অসম আৰক্ষীয়ে এই ঘটনাৰ তদন্তৰ বাবে উচ্চ পৰ্যায়ৰ বিশেষ তদন্তকাৰী দল (এছ আই টি) গঠন কৰিছে, যাৰ নেতৃত্বত আছে চি আই ডিৰ বিশেষ ডি জি পি মুন্না প্ৰসাদ গুপ্তা। এই দলত নজন বিষয়া জড়িত, যিয়ে ঘটনাৰ প্ৰতিটো দিশ তন্নতন্নকৈ তদন্ত কৰিব। ইয়াৰ সমান্তৰালভাৱে, এডিচনেল এছ পি মৰমী দাসৰ নেতৃত্বত এটা দলে জুবিনৰ ভিচেৰা নমুনা দিল্লীৰ কেন্দ্ৰীয় ফৰেনচিক বিজ্ঞান পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰিছে। উন্নত টকিন'লজি পৰীক্ষাৰ জৰিয়তে মৃত্যুৰ সঠিক কাৰণ নিৰ্ধাৰণৰ আশা কৰা হৈছে। জুবিনৰ সৈতে য়টত উপস্থিত থকা ব্যক্তিসকলৰ ভূমিকাৰ তদন্তৰ ওপৰত ৰাইজৰ দৃষ্টি নিবদ্ধ হৈ আছে। মুখ্যমন্ত্ৰীৰ ঘোষণা অনুসৰি এই সকলোকে তদন্তৰ আওতালৈ অনাৰ প্ৰতিশ্ৰুতিৰ ফলাফল কেনে হয়, সেয়া লক্ষণীয় হ'ব।

## জুবিন সিমান অসুস্থ

ইণ্ডিয়া ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্তই সামাজিক মাধ্যমত এটা নতুন ভিডিঅ' বাৰ্তা প্ৰকাশ কৰি নিজকে নিৰ্দোষী বুলি দাবী কৰিছে। তেওঁ কয়, "ৰাইজৰ ক্ষোভৰ ভয়ত মই গুৱাহাটীলৈ যোৱা নাই। মোক কিছুমানে মিছা দোষাৰোপ কৰি দোষী প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে।" শ্যামকানুৱে ভিডিঅ'টোত জুবিনৰ স্বাস্থ্যৰ বিষয়েও মন্তব্য কৰি কয় যে জুবিন ছিংগাপুৰলৈ যোৱাৰ পূৰ্বে মুম্বাইত সুস্থভাৱে গীত পৰিৱেশন কৰিছিল। তেওঁৰ মতে, সামাজিক মাধ্যমত প্ৰচাৰিত জুবিনৰ অসুস্থতাৰ কথা সম্পূৰ্ণ মিছা। ইয়াৰ উপৰি তেওঁ দাবী কৰে যে বহুতো ভুৱা আৰু এআই-নিৰ্মিত ভিডিঅ' সামাজিক মাধ্যমত চলি আছে। শ্যামকানুৱে স্পষ্ট কৰে যে জুবিন নিজেই নৰ্থ ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণৰ বাবে তেওঁৰ সৈতে যোগাযোগ কৰিছিল। তেওঁ কয়, "১৭ ছেপ্টেম্বৰত পোনপটীয়া বিমান থকাৰ কাৰণে জুবিনে কিছু জিৰণি ল'বলৈ আগতীয়াকৈ ছিংগাপুৰলৈ আহিছিল।" তেওঁ আৰু জনাই যে জুবিনৰ মৃত্যুৰ ঘটনাস্থলীৰ পৰা তেওঁলোক বহু দূৰত আছিল আৰু এই ঘটনাৰ সৈতে তেওঁলোকৰ কোনো সম্পৰ্ক নাই। জুবিনৰ মৃত্যুৰ খবৰ পোৱাৰ পাছত নৰ্থ ইষ্ট ফেষ্টিভেলৰ সকলো অনুষ্ঠান তৎক্ষণাত বাতিল কৰা হৈছিল বুলি শ্যামকানুৱে উল্লেখ কৰে। তেওঁ নিজৰ শোক প্ৰকাশ কৰি কয়, "জুবিনক হেৰুৱাই ময়ো গভীৰভাৱে শোকাহত। তেওঁৰ মৃত্যুৰ দুখে মোক মৰ্মাহত কৰিছে।" তদুপৰি, তেওঁ বৰ্তমান অসমত নথকাৰ কথাও ভিডিঅ'টোত স্পষ্ট কৰে। শ্যামকানুৱে সমগ্ৰ ঘটনাৰ তদন্তৰ ভাৰ আইনৰ ওপৰত এৰি দি কয় যে সত্য উদঘাটিত হ'ব। এই ভিডিঅ' বাৰ্তাৰ জৰিয়তে তেওঁ নিজৰ স্থিতি স্পষ্ট কৰাৰ লগতে ৰাইজৰ মাজত উত্থাপিত অভিযোগৰ প্ৰত্যুত্তৰ দিয়াৰ চেষ্টা কৰিছে।

## 'জয় জুবিন দা' বুলি

সংঘটিত হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ শোকত এজন ব্যক্তিয়ে 'জয় জুবিন দা' বুলি চিঞৰি ব্ৰহ্মপুত্ৰ নদীত জাঁপ দিয়ে। এই অঘটনৰ পাছত আৰক্ষীয়ে ব্যক্তিজনৰ সন্ধানত তীব্ৰ তালাচী অভিযান আৰম্ভ কৰিছে, কিন্তু এতিয়ালৈকে তেওঁৰ কোনো সন্ধান পোৱা নাই। ঘটনাটো সংঘটিত হৈছে জালুকবাৰীৰ শৰাইঘাটৰ পুৰণি দলঙৰ ওপৰত। জুবিন গাৰ্গৰ অকাল মৃত্যুৰ শোকে সমগ্ৰ অসমক স্তব্ধ কৰি ৰাখিছে। তেওঁৰ এজন অনুৰাগীয়ে এই শোক সহ্য কৰিব নোৱাৰি ব্ৰহ্মপুত্ৰৰ গভীৰ পানীত জাঁপ দিয়াৰ সিদ্ধান্ত লয়। তেওঁৰ এই আত্মঘাতী পদক্ষেপে স্থানীয় লোকৰ মাজত তীব্ৰ শোক আৰু উদ্বেগৰ সৃষ্টি কৰিছে। নদী আৰক্ষীৰ দলটোৱে ঘটনাস্থলীত উপস্থিত হৈ তৎক্ষণাত উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। তথাপি ব্যক্তিজনৰ কোনো সন্ধান এতিয়ালৈকে পোৱা নাই। এই ঘটনাই জুবিন গাৰ্গৰ জনপ্ৰিয়তা আৰু তেওঁৰ অনুৰাগীৰ মাজত থকা গভীৰ আৱেগিক সংযোগৰ গভীৰতাক পুনৰবাৰ প্ৰতিফলিত কৰিছে।

## শ্যামকানু-সিদ্ধাৰ্থৰ বাসগৃহ

তদন্তকাৰী বিষয়া ৰ'জী কলিতাৰ নেতৃত্বত এই অভিযানত শ্যামকানু মহন্তৰ বাসগৃহত তালাচী চলোৱা হয়। আজি পুৱাৰ পৰা গীতানগৰৰ কাৰ্বি পথত কেন্দ্ৰীয় ৰিজাৰ্ভ আৰক্ষী বাহিনীৰ (চি আৰ পি এফ) উপস্থিতিত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। শ্যামকানু মহন্তৰ বাসগৃহৰ বাহিৰত এই নিৰাপত্তা দিয়া হৈছে যাতে অভিযানত কোনো ধৰণৰ বিঘিনি সৃষ্টি নহয়। স্থানীয় সূত্ৰৰ মতে, বুধবাৰে নিশা শ্যামকানু মহন্ত গুৱাহাটীলৈ উভতি আহিছে বুলি কিছুমানে দাবী কৰিছে, যদিও এই তথ্যৰ সত্যতা এতিয়াও নিশ্চিত হোৱা নাই। ইফালে, নিৰাপত্তাৰ কঠোৰ ব্যৱস্থাৰ মাজতো স্থানীয় মহিলাসকলৰ একাংশই শ্যামকানু মহন্তৰ বাসগৃহৰ সন্মুখত সমবেত হৈ প্ৰতিবাদ প্ৰকাশ কৰিছে। তেওঁলোকে শ্যামকানু মহন্তৰ গ্ৰেপ্তাৰৰ দাবীৰ লগতে ন্যায়ৰ বাবে সৰৱ হৈছে। এই প্ৰতিবাদৰ মাজতো আৰক্ষীৰ তদন্ত অব্যাহত আছে। এই অভিযানৰ উদ্দেশ্য আৰু ফলাফল সম্পৰ্কে এতিয়ালৈকে কোনো আনুষ্ঠানিক তথ্য প্ৰকাশ কৰা হোৱা নাই। তদন্তৰ পৰৱৰ্তী পৰ্যায়ৰ বাবে সকলোৰে দৃষ্টি এতিয়া আৰক্ষীৰ পৰৱৰ্তী পদক্ষেপৰ ওপৰত। আনহাতে আজি এছ আই টিয়ে জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ ঘৰত অভিযান চলায়। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে গুৱাহাটীৰ মানপাৰাস্থিত অৰ্কিড হিলভিউ এপাৰ্টমেণ্টত থকা সিদ্ধাৰ্থ শৰ্মাৰ ফ্লেটত এছ আই টিয়ে অভিযান চলায়। দীৰ্ঘসময় অভিযান চলাই এছ আই টিৰ বৃহৎ দলটোৱে বহু গুৰুত্বপূৰ্ণ নথিপত্ৰ আৰু এটা লেপটপ জব্দ কৰে। দণ্ডাধীশৰ উপস্থিতিত এছ আই টিৰ দলটোৱে তলা ভাঙি সিদ্ধাৰ্থ শৰ্মাৰ ঘৰত প্ৰৱেশ কৰি অভিযান চলায় কাৰণ ঘৰটোত সেই সময়ত কোনো নাছিল। এপাৰ্টমেণ্টটোৰ তৃতীয় মহলাত সিদ্ধাৰ্থ শৰ্মাৰ ঘৰ। ইফালে সিদ্ধাৰ্থ শৰ্মাৰ ঘৰৰ সন্মুখত বহুসংখ্যক জুবিনপ্ৰেমী সমবেত হয়। সকলোৱে ন্যায় বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰে। আনকি উত্তেজিত জনতাই আৰক্ষীৰ বাধা নেওচি এপাৰ্টমেণ্টৰ গেট খুলি ভিতৰত প্ৰৱেশৰ চেষ্টা চলায়। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উক্ত স্থানত বহু সংখ্যক নিৰাপত্তাৰক্ষী মোতায়েন কৰা হয়। হাজাৰ হাজাৰ লোক সমবেত হৈ জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজৰ প্ৰতিবাদৰ মাজতে এছ আই টিৰ দলটোৱে অভিযান চলাই ওলাই যোৱাৰ সময়ত উত্তেজিত ৰাইজে শিল দলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে। এই ঘটনাত আৰক্ষীৰ বাহনো ক্ষতিগ্ৰস্ত হৈছে। এক কথাত উত্তেজিত জনতাই তদন্তকাৰী দলটোকে আক্ৰমণৰ লক্ষ্য কৰি লয়। প্ৰতিবাদকাৰীসকলৰ মাজত ভিক্টৰ দাসক দেখিবলৈ পোৱা যায়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়ে লাঠিচালনা কৰিবলৈ বাধ্য হয়। একপ্ৰকাৰ ৰণক্ষেত্ৰত পৰিণত হয় সিদ্ধাৰ্থ শৰ্মাৰ বাসগৃহৰ সন্মুখভাগ। উত্তেজিত জনতাই শীঘ্ৰে সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰৰ দাবী জনাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে এই ঘটনাৰ পিছত আৰক্ষীয়ে অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰে ভি"ৰ দাস আৰু অজয় ফুকনক।

## জুবিনৰ মৃত্যুৰ ন্যায় বিচৰা

পাছতই দুই অভিযুক্তই উচটনিমূলক কাৰ্যকলাপত লিপ্ত হৈছিল বুলি অভিযোগ উঠিছে। ঘটনাৰ সবিশেষ অনুসৰি, চি আই ডিৰ দলটোৱে সিদ্ধাৰ্থ শৰ্মাৰ বাসগৃহত তদন্তৰ কাম শেষ কৰি ওলাই যোৱাৰ পাছত কিছুমান ব্যক্তিৰ দ্বাৰা উত্তেজনাৰ সৃষ্টি হয়। এই পৰিস্থিতিত ভিক্টৰ দাস আৰু অজয় ফুকনে আৰক্ষীৰ ওপৰত আক্ৰমণৰ চেষ্টা কৰাৰ অভিযোগ উঠিছে। কিছুমান লোকে আৰক্ষীৰ দলৰ ওপৰত শিল নিক্ষেপ কৰিছিল বুলিও জানিব পৰা গৈছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে লাঠিচালনা কৰিবলৈ বাধ্য হৈছিল। এই ঘটনাৰ পাছত ভিক্টৰ দাস আৰু অজয় ফুকনক আৰক্ষীৰ ওপৰত আক্ৰমণৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হয়। এই ঘটনাই ধীৰেণপাৰা অঞ্চলত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে এই বিষয়ত তদন্ত অব্যাহত ৰাখিছে আৰু পৰিস্থিতি শান্ত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

## জুবিন গাৰ্গৰ ৰচনা

ইংৰাজী আৰু হিন্দী ভাষাত প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ পিছত তামিল, তেলুগু, কান্নাড়া আৰু মালয়ালম ভাষাতো তেওঁৰ ৰচনা প্ৰকাশৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। বৃহস্পতিবাৰে যোৰহাটৰ অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয়ত আয়োজিত এক সংবাদমেলত সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এই ঘোষণা কৰে। তেওঁ কয়, "জুবিন গাৰ্গ এগৰাকী জাতীয় সত্তা আছিল, যাৰ বিদায়ে সকলোকে মৰ্মাহত কৰিছে। তেওঁৰ মানৱতাবাদী দৰ্শনৰ পূৰ্ণতাৰ বাবে দোষীসকলক শাস্তি দিয়া অত্যন্ত প্ৰয়োজনীয়। এই কাৰ্যই চৰকাৰৰ ভূমিকাক বিশ্বৰ সন্মুখত উজ্জ্বল কৰিব।" তেওঁ লগতে জানিবলৈ দিয়ে যে জুবিনৰ ৰচনাসমূহৰ সংকলনৰ কাম ইতিমধ্যে আৰম্ভ হৈছে, আৰু ২০২৬ চনৰ মধ্যভাগৰ ভিতৰত তিনিটা ভাষাত এই ৰচনাৱলী প্ৰকাশৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ড গোস্বামীয়ে উল্লেখ কৰে যে জুবিনৰ গীত আৰু কবিতাসমূহ বিশ্ববৰেণ্য শিল্পীৰ সৃষ্টি হিচাপে চিৰকাল জীপাল থাকিব। তেওঁ কয়, "এই ৰচনাসমূহ অসমীয়া, ইংৰাজী আৰু হিন্দীৰ উপৰি দক্ষিণ ভাৰতৰ চাৰিটা প্ৰধান ভাষাত প্ৰকাশৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। এই কাম সহজ নহয়, কিন্তু জুবিনৰ স্মৃতিৰ প্ৰতি এয়া আমাৰ শ্ৰদ্ধাঞ্জলি।" ইয়াৰ উপৰি, সাহিত্য সভাই জুবিন গাৰ্গক ভাৰতৰ সৰ্বোচ্চ সন্মান 'ভাৰতৰত্ন' প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ প্ৰেৰণ কৰিছে। অসম চৰকাৰকো এই বিষয়ত সহযোগিতাৰ বাবে আবেদন জনোৱা হৈছে। ড° গোস্বামীয়ে চৰকাৰৰ প্ৰতি আহ্বান জনাই কয়, "জুবিনৰ মৃত্যুৰ সৈতে জড়িত দোষীসকলৰ শাস্তি নিশ্চিত কৰাৰ বাবে প্ৰশাসনৰ সদিচ্ছা লক্ষ্য কৰিছো। এয়া ৰাইজৰ কাষ চপাৰ এক সুযোগ।" জুবিনৰ অকাল মৃত্যুৰ পিছত তেওঁৰ প্ৰতি অসমবাসীৰ মৰম আৰু শ্ৰদ্ধা সমগ্ৰ বিশ্বই প্ৰত্যক্ষ কৰিছে। সাহিত্য সভাৰ এই প্ৰয়াসে জুবিনৰ সৃষ্টিৰাজিক ভৱিষ্যত প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাৰ লগতে তেওঁৰ অৱদানক বিশ্বৰ সন্মুখত তুলি ধৰিব।

# জুবিন গাৰ্গৰ মৃত্যুৰ উচিত তদন্তৰ দাবী মানৱ অধিকাৰ সংগ্ৰাম সমিতি(মাছ)ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৫ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰাণৰো প্ৰাণৰ জুবিন গাৰ্গৰ মৃত্যু উচিত তদন্তৰ দাবী তুলিছে মানৱ অধিকাৰ সংগ্ৰাম সমিতি(মাছ)-এ। অসমবাসীৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ সুদূৰ চিংগাপুৰত মৃত্যু হোৱাটোক সহজে মানি ল'ব পৰা নাই 'মাছ'-এ। 'মাছ'ৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা বুবুমণি গোস্বামী, অধ্যক্ষ আদিত্য লহকৰ, ভাৰপ্ৰাপ্ত সচিব প্ৰধান ৰিতুল বৰুৱাৰ হৈ প্ৰচাৰ সচিব জিতুমণি নাথ আৰু সাংগঠনিক সচিব মনোজ দুৱৰাই আজি এক প্ৰেছ বিবৃতিযোগে কয়, "জুবিন গাৰ্গ অসমৰ এক উজ্জ্বল নক্ষত্ৰ, যাৰ কণ্ঠ প্ৰতিগৰাকী ব্যক্তিৰ মন আৰু হৃদয়ৰ কোঁহে কোঁহে চিৰপ্ৰবহমান গতিত নিগৰিত হৈ থাকিব। এনে এগৰাকী সুৰৰ যাদুকৰৰ যিধৰণে মৃত্যু নহওক কিয় অসম তথা ভাৰত চৰকাৰক আমি ইয়াৰ উচিত তদন্তৰ দাবী জনাইছোঁ। কোনো কাৰণতেই যাতে দোষী ব্যক্তি সাৰি যাব নোৱাৰে তাৰ সুব্যৱস্থা কৰাৰ লগতে কোনোধৰণৰ আসোঁৱাহ নাৰাখি উচিত তদন্ত কৰিবলৈ 'মাছ'ৰ তৰফৰ পৰা দাবী জনাইছোঁ। নিভাঁজ, সাহসী এইগৰাকী অসমীয়াক ষড়যন্ত্ৰ-অভিসন্ধি আৰু চক্ৰান্তৰে হত্যা কৰা কাৰ্যক আমি তীব্ৰ ভাষাৰে গৰিহণা দিছোঁ।" সংগঠনটোৱে লগতে প্ৰাণৰো আপোন শিল্পীগৰাকীৰ মৃত্যুৰ উচিত তদন্ত কৰি দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈকো দাবী জনোৱাৰ লগতে চি আই ডিৰ তদন্ত যাতে কোনো ধৰণৰ ভেকোভাওনাত পৰিণত নহয় তাৰ প্ৰতি সকলোকে দৃষ্টি ৰাখিবলৈও আহ্বান জনাইছে। এইক্ষেত্ৰত কোনোধৰণৰ আপোচ কৰা নহ'ব বুলিও সংগঠনটোৱে বিবৃতিযোগে সকীয়াই দিছে।

## আজি বিটিচি পৰিষদীয়

৪০টা পৰিষদীয় সমষ্টিৰ ৩১৬ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভৱিষ্যৎ নিৰ্ধাৰিত হ'ব। এই প্ৰক্ৰিয়া সুস্থভাৱে সম্পন্ন কৰাৰ বাবে বিটিআৰৰ বিভিন্ন জিলাৰ প্ৰশাসনে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। পৰ্বতঝোৰা মহকুমা প্ৰশাসনকে ধৰি বিটিআৰৰ জিলাসমূহত ভোটগণনাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বেলট বাকচসমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ষ্ট্ৰং ৰুমত সুৰক্ষিতভাৱে ৰখা হৈছে। প্ৰশাসনৰ তৰফৰ পৰা নিৰ্বাচনী প্ৰক্ৰিয়া নিৰপেক্ষ আৰু স্বচ্ছভাৱে সম্পন্ন কৰাৰ বাবে সকলো পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই ভোটগণনাৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি বিটিচিৰ ৰাজনৈতিক নেতৃত্বৰ ভৱিষ্যৎ নিৰ্ধাৰিত হ'ব, আৰু এই প্ৰক্ৰিয়াৰ প্ৰতি সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

## খৈৰাবাৰীৰ জ্যেষ্ঠ সাংবাদিক তথা স্বাস্থ্য বিভাগৰ কৰ্মচাৰী ভূমিতা চহৰীয়াৰ মাতৃৰ বিয়োগ

**অসম বাৰ্তা, খৈৰাবাৰী, ২৫ ছেপ্তেম্বৰ ঃ** ওদালগুৰি জিলাৰ খৈৰাবাৰীৰ একমাত্ৰ মহিলা সাংবাদিক খৈৰাবাৰী নিবাসী ভূমিতা চহৰীয়াৰ মাতৃ গোলাপী চহৰীয়াৰ (৭১) ২৪ ছেপ্টেম্বৰত নিজ গৃহত মৃত্যু হয়। বাৰ্ধক্যজনিত আৰু কিছুদিনধৰি ৰোগত আক্ৰান্ত হৈ আছিল ধৰ্মপ্ৰাণ মহিলাগৰাকী। মৃত্যুৰ সময়ত পুত্ৰ, জীয়ৰী জোৱাই, বোৱাৰী, নাতি নাতিনী আৰু বহু আত্মীয় স্বজনক এৰি থৈ যায়। গোলাপী চহৰীয়াৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় বি.এ. এল.এল.বি. বাবে বাৰ কাউন্সিল অফ ইণ্ডিয়াৰ অনুমতি

**অসম বাৰ্তা, বঙাইগাঁও, ২৫ ছেপ্তেম্বৰ ঃ** বাৰ কাউন্সিল অফ ইণ্ডিয়াই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত বি.এ এল.এল.বি পাঠ্যক্ৰম (সন্মান বিষয়) (পাঁচ বছৰীয়া সংযুক্ত পাঠ্যক্ৰম) আৰম্ভ কৰাৰ অনুমতি প্ৰদান কৰিছে। উল্লেখযোগ্য, যোৱা জুন মাহৰ ১২ তাৰিখে বাৰ কাউন্সিল অফ ইণ্ডিয়াই এই পাঠ্যক্ৰম মুকলি কৰাৰ সম্পৰ্কত পৰিদৰ্শন কাৰ্যসূচী সমাপন কৰিছিল। এই পৰিদৰ্শনৰ পিছত যাৱতীয় সকলো প্ৰয়োজনীয় বিধিসন্মত দিশৰ যোগাত্মকতা লাভ কৰি বিশ্ববিদ্যালয়খনক কালি এই অনুমতি প্ৰদান কৰিলে বাৰ কাউন্সিল অফ ইণ্ডিয়াই। বাৰ কাউন্সিল অফ ইণ্ডিয়াৰ BCI D - 3417: 2025 (LE Std. 11.9.2025) এক পত্ৰযোগে পঞ্জীয়কলৈ এই বাৰ্তা প্ৰেৰণ কৰা হৈছে। বাৰ কাউন্সিলৰ এই সিদ্ধান্তই বিশ্ববিদ্যালয়খনৰ শৈক্ষিক যাত্ৰাত এক নৱ সংযোগ ঘটাব। এই বাৰ্তাই বিশ্ববিদ্যালয় পৰিয়ালৈ সুখৰ বতৰা কঢ়িয়াইছে বুলি উপাচাৰ্য অধ্যাপক অশোক কুমাৰ বৰা, পঞ্জীয়ক ডঃ শৰৎ হাজৰিকাই জনাইছে। উল্লেখ্য, চলিত শিক্ষাবৰ্ষৰ পৰা বিশ্ববিদ্যালয়খনৰ গুৱাহাটী গোটত এই পাঠ্যক্ৰমৰ শুভাৰম্ভ হ'ব। প্ৰণিধানযোগ্য, বিশ্ববিদ্যালয়ৰ গুৱাহাটী গোটত ২০১৫ চনৰ পৰা এল এল এম আৰু পি এইচ ডি পাঠ্যক্ৰম অব্যাহত আছে।

## জুবিন গাৰ্গ

✍ এ.আৰ ৰহমান

তোমাৰ গানত আছিল—/ বসন্তৰ ৰং, ভাদৰ বৰষুণ / কেতিয়াবা উত্তপ্ত সাগৰৰ ঢৌৰ গৰ্জন / কেতিয়াবা শান্ত নদীৰ দৰে হাহাকাৰ

ধুমুহাৰ স'তে যাৰ বহু যুগৰ নাচোন
এন্ধাৰ যাৰ বহু দিনৰ আপোন
যিয়ে গানৰ পথাৰত শস্য সিঁচি
ভাগৰি নাযায় কোনো কাল
সেইজনেই একক অদ্বিতীয় জুবিন

তুমি আছিলা ধুমুহাৰ বজ্ৰকণ্ঠ
আকাশ বিদীৰ্ণ কৰা এক সুৰ
প্ৰেম, বিদ্ৰোহ, সাহস আৰু আশা

তুমি আছিলা জীৱনৰ জোনাক
এন্ধাৰ ভেদি পোহৰ উজ্বলোৱা এক প্ৰদীপ

তোমাৰ গীতত আছিল—
মাটি-মানুহৰ গোন্ধ
প্ৰভাতি ফুলৰ সুবাস
পথাৰ-চহৰ, পাহাৰ-নদী একাকাৰ কৰা এক ধ্বনি

তোমাৰ গান শুনি নিদ্ৰা যায় এটা যুগ
তোমাৰ গান শুনি সাৰ পায় এটা যুগ

তুমি আছিলা জনতাৰ শিল্পী
অসমী আইৰ নয়নমণি
দুখীয়াৰ দুখৰ সমভাগী, সুখৰ হাঁহি

তোমাৰ গানত আছিল—
বসন্তৰ ৰং, ভাদৰ বৰষুণ
কেতিয়াবা উত্তপ্ত সাগৰৰ ঢৌৰ গৰ্জন
কেতিয়াবা শান্ত নদীৰ দৰে হাহাকাৰ

তুমি জানিছিলা
কিদৰে গানেৰে প্ৰজন্মটোক বান্ধি ৰাখিব পাৰি
জনতাৰ শ্বাসৰ সৈতে একাকাৰ হ'ব পাৰি

গানৰ পৃথিৱীত সুৰৰ সোপানত
তুমি গঢ়ি গ'লা নতুন ইতিহাস

তুমি ধুমুহাৰ দৰে আহি ধুমুহাৰ দৰে গুচি গ'লা
কন্দুৱাই গ'লা কেউবাটাও জেনেৰেচন
কেনেকৈ বিদায় দিওঁ তোমাক কেনেকৈ!
গানেৰে জীৱন শিকোৱা মানুহজনক কেনেকৈ বিদায় দিওঁ!

বিদায় বুলি ক'ব নোৱাৰি—
জুবিন গাৰ্গ নামটো আমাৰ বুকুৰ স্পন্দন
অসমৰ আকাশত অনন্ত কাললৈ বাজি থাকিব তোমাৰ উল্লাস
হৃদয়ত অম্লান সোঁৱৰণ হৈ সদায় ৰৈ যাব জুবিন যুগৰ ইতিহাস।

## অন্তিম শয়নত জুবিন দা



মৰমৰ জুবিন দা
আজি যে তুমি অন্তিম শয়নত
একেবাৰে নিতাল মাৰি শুই পৰিছা
তুমিতো আগেয়ে এনে নাছিলা
তোমাৰ শিশু সুলভ মনেৰে ইমান সময়ে
ক'ৰ পৰা যে ক'ত পালাগৈ হেঁতেন...
কিন্তু তুমিচোন আজি
নিচ্চুপ হৈ পৰি ৰৈছা
অসমী আইৰ বুকুৰ
উঁচুপনিবোৰ তুমি শুনিছানে?
উদং হৈ পৰা আইৰ কোলাত পৰি
বাগৰি বাগৰি কন্দা
তোমাৰ অনুৰাগীসকলৰ কষ্টবোৰ বাৰু
তুমি অনুভৱ কৰিছানে?
গছ-লতিকা, জীৱ-জন্তুকে ধৰি
আকাশ, বতাহ সকলোৰে
নিচ্চুপ মনৰ খলকনিবোৰ
তুমি বাৰু বুজিছানে?
তোমাৰ কথা ৰাখিবলৈ
সকলোৱে যে অশ্ৰুসিক্ত নয়নেৰে
আধা ফুটাকৈ "মায়াবিনি" গাইছে
সেয়া বাৰু তুমি শুনিছানে?

জুবিন দা
এবাৰলৈ মাত এষাৰ দিয়াচোন
গৰিমা বাৰো যেন
তোমাৰ সতে পাতিবলগীয়া
বহুত কথাই থাকি গ'ল
থাকি গ'ল শুভ্ৰ আকাশৰ তলত
তুমি পৰিচালনা কৰা
'ৰৈ ৰৈ বিনালে'
সকলোবোৰেই স্তব্ধ হৈ পৰিল
স্তব্ধ হৈ পৰিল ব্যস্ত মহানগৰী
কিন্তু তুমিচোন আজি নাই
দুপাখি মেলি উৰা মাৰিলা
জ্যোতি-বিষ্ণুৰ ওচৰলৈ
ভূপেন ককাৰ কোলাত মূৰ থৈ
বহু দিনৰ পৰা বুকুত সামৰি লৈ ফুৰা
মনৰ অফুৰন্ত কথা পাতিবলৈ
আজি চাগৈ জংকীয়েও বৰ ৰং পাইছে
কিমান দিনৰ মূৰত যে তাই
ককায়েকক লগ পাব, কথা পাতিব,
আৰু যে কত কি
কিমান বছৰ যে হ'ল
আইৰ হাতৰ সোৱাদ লোৱাৰ
আয়ে হয়তো তোমালৈ ন ন ব্যঞ্জনেৰে
খোৱা বস্তু যুগুতাইছে
আকাশৰ জোনবাইটোৱে আজি
মিচিকিয়াই হাঁহি তোমাৰ আলিংগন কৰিছে
তুমি চাগৈ আজি বৰ সুখী ন
কিন্তু অসমভূমিত থকা
তোমাৰ সন্তানসকল যে
তুমি অবিহনে বৰ অসুখী হৈ পৰিছে
তোমাৰ গীত শুনি টোপনি যোৱা
অনুৰাগীসকল এতিয়া
ওৰে ৰাতি সাৰে আছে
তোমাৰ গীত শুনি
সাৰে আছে প্ৰকৃতিয়েও

মৃত্যু এক চিৰন্তন সত্য
পৃথিৱীত জন্ম লোৱা মানেই মৃত্যু হ'বই
তথাপি দেখোন মনটোৱে মনা নাই
তুমি যে নাই সেয়া প্ৰকৃতিয়েও
মানি ল'ব পৰা নাই
তুমি যে নাই সেয়ে শুনা নাই
ওভতনি পথত বাহৰ চৰাইজাকৰ
কোনো কল্লোল
জুবিন দা
জীৱনৰ অন্তিম যাত্ৰাত
শান্তিৰে শোৱা তুমি
আমি তোমাক আজি নকৰোঁ আমনি
আমি সকলোৱে গুণগুণাম 'মায়াবিনি'
জোনৰ দেশত গৈ সুখেৰে থাকিবা তুমি
আমি সকলোৱে অপেক্ষা কৰিম
তুমি উভতি অহালৈ
তোমাৰ মৃত্যু হোৱা নাই,
অসমীয়া জাতিৰ বুকুত চিৰদিনলৈ
অমৰ হৈ ৰ'বা তুমি।।

✍ কল্যাণী গগৈ(মুনু)



## সাগৰ তলিত শুবৰে মন

✍ সমুজ্জ্বল ডেকা

কাহিনীও নভবা/ আপোনাৰ মৃত্যু/ বৰ অসহনীয়/ বুকুখন বিষাইছে/ চকুপানীবোৰ ডাৱৰ হৈ/বৰষুণ ৰূপে ধৰণীত পৰিছে।

অশ্ৰুসিক্ত আজি
সকলোৰে মন,
গভীৰ নিদ্ৰাত মগ্ন
'জুবিন দা'ৰ নয়ন।
উজাগৰে কটাইছে
অজস্ৰ জনগণ,
বহু সৃষ্টি কৰি গ'ল পণ।
আপোনাৰ শ্ৰদ্ধাঞ্জলিৰ
বাবে অৰ্পণ প্ৰতিটো ক্ষণ।
কাহিনীও নভবা
আপোনাৰ মৃত্যু
বৰ অসহনীয়!
বুকুখন বিষাইছে,
চকুপানীবোৰ ডাৱৰ হৈ
বৰষুণ ৰূপে ধৰণীত পৰিছে।
আপুনি গীতত গোৱাৰ
দৰে সঁচাকৈ সাগৰ
তলিত শুই গ'ল।
আপোনাৰ ব্যক্তিত্ব
সাগৰৰ দৰে বিশাল,
সূৰ্যৰ দৰে উজ্জ্বল।
"দেহৰ ভৰষা নাই..." বুলি
আপুনিয়েইটো গাইছিল!
আপোনাৰ কথাই বৰকৈ
আমনি কৰে
ভাহি আহে আপোনাৰ মিচিকিয়া
হাঁহিৰ মুখখন প্ৰতিটো ক্ষণ।
মৃত্যুৰ পিছত
আপুনি কোৱাৰ দৰেই
সমগ্ৰ অসমতে বাজিছে
"মায়াবিনী ৰাতিৰ বুকুত..."
আপুনি সদায় অমৰ
আপোনাৰ গান
আমাৰ প্ৰাণ
সুখ-দুখৰ লগৰী।
"ৰৈ ৰৈ বিনালে" বুলি
আপুনিয়েইটো গাইছিল!
কিয়? কিয়?
স্বৰ্গৰ পৰাই মুক্তি দিব নেকি
বাৰু চিনেমাখন...
বাকী আধৰুৱা সাংস্কৃতিক
কামবোৰ আপুনি সৰগত
থাকিলে কোনে পূৰাব?
পৰজনমৰ শুভ লগনত
পূৰাবনে আমাৰ আশা?
আশাবোৰচোন কলিতে
মৰহি গ'ল!
বাৰু, জংকী বা'ৰ লগত স্বৰ্গতে
অহাবছৰ বিহুত গাব
"ঐ নাহৰ ফুলাৰ বতৰ"
আপোনাৰ নিশ্চয় মনত পৰিব
অনুৰাগীৰ কথা,
আজিৰ দিনটোৰ বেথা।
কি হ'ব এই জীৱন!
আপুনি নহ'লৈ...
আকৌ আহিবনে জুবিন দা
আমাৰ অসমলৈ?



## জাতি আজি দিশহাৰা হ'ল

✍ পংকজ দাস

ঘেণ্টা কাকো খাতিৰ নকৰা
স্বাভিমানী মানুহৰ জন
সঁচাকৈয়ে কাকো খাতিৰ নকৰাকৈয়ে
গুচি গ'ল।
ধুমুহাৰ সৈতে খেলা কৰি
পাখি মেলি উৰি গ'ল
আনে নোযোৱা বাটেৰে বাট বুলি
কোনো দিন উভতি নহাৰ বাটেৰে....

হাঁহিলে তুমি মুকুটামণি সৰে......
ভবাই নাছিলোঁ...
এনেকৈ এৰি চিৰদিনৰ বাবে
যাবাগৈ বুলি

সাগৰ তলিত শুব বিচৰা
খেয়ালী মনৰ মানুহজন
সাগৰতকৈও বিশাল আছিল
সেয়েহে আজি
সাগৰে বুকুৰ মাজত সাবটি ল'লে।
চিৰদিনৰ বাবে।


এটা যুগ
আৰু শেষ হৈ গ'ল।
এটা কণ্ঠ স্তব্ধ হৈ গ'ল
আৰুনো ক'ত পাম
সেই উষ্ম সুদীৰ্ঘ সুৰ-শ্বাস
এটি সোণালী তৰা খহি গ'ল।

জুবিনদা তোমাৰ অবিহনে
জাতি আজি দিশহাৰা হ'ল।

## ক্ৰমাগত ক্লান্ত অসম

✍ মনোৰঞ্জন বৰা

অসম, দুখীয়া আজি তোৰ দেশ,
নাই আজি ইয়াত কোনো সম্পদৰৱেশ।
জাতি মাটি সকলো যাব
থাকি যাব মাথোঁ তোৰ কংকাল।
দুদিনৰ পাছতে ভাষাও যাবগৈ
যদিও পালে দ্ৰৌপদী মৰ্যাদা।
তোক বিক্ৰী কৰি কৰি ৰজাঘৰীয়াই
কৰিছে ভোগ
যদিও দিছে অৰুণোদয়
যদিও দিছে লাখপতি বাইদেউৰ আঁচনি,
জনতাৰ কেঁচা ঘামৰ টকাৰে।
আমিবোৰ যান্ত্ৰিক মানৱে
ধাৰৰ সোঁতত পোত খাই
নিজৰ অস্তিত্বৰ কথা পাহৰি
সকলো এতিয়া যাযাবৰ।
অসম আৰু অসম হৈ নাথাকিব
বিদেশী ভূমি হ'ব গৈ অসম,
এতিয়া সেই লাচিতো নাই কনকো নাই
কৰি ল নিজে পণ
লুইতৰ পাৰৰে অসমীয়া আমি
সাজি ল'ম নিজে ৰণ।
মাৰিব লাগিব নাইবা মৰিব লাগিব
অসমৰ হকে আমি
মৃত্যুক নেওচি আগুৱাই যামগৈ
অসমীয়া ৰণুৱা আমি।
জাতিৰ হকে দেশৰ হকে
ওলাই আহ্ সকলোবোৰ
হ'বি গৈ নহ'বা বিদেশী অধীনৰ
অসমৰ চাকৰবোৰ।



## উদং বুকুৰ গান

✍ মাতু হাজৰিকা

সাৱটি ৰখাৰ হেঁপাহেৰে
হাঁহিছিল আৰু হুঁহুৱাইছিল
সাগৰত য়টৰ গান

পানী ভাঙি ভাঙি উচুপিছিল
বতাহ নাই
কথা নাই
গান নাই
সুৰ নাই...

সৃষ্টিৰ সাগৰত সাঁতুৰি-নাদুৰি
প্ৰকৃতিৰ সাগৰত সাঁতুৰি
নোভটিল গান

ৰঙ সলায় আহিল
লুইতৰ পাৰলৈ উশাহ নাহিল।

ধুমুহাৰ সৈতে নাচোন নচা
সাগৰৰ বক্ষত শুবলৈ যোৱা
কণ্ঠ স্তব্ধত
অসমৰ বতাহত এতিয়া
চকুলোৰ গান
দুখ আৰু শোকৰ
উদং বুকুৰ গান ...

'মায়াবিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি
ধৰা দিলা গোপনে আহি
হিয়াৰ কোণত...'

## অনুৰাগীৰ ধ্বনি

✍ মইনুল হক চৌধুৰী

জুবিন নাই—
শূন্য হ'ল আকাশ-বতাহ,
নিস্তব্ধ গছ-গছনি, প্ৰকৃতিৰ বুকুত
নিভাই গ'ল চৰাইৰ সুৰ,
চৌপাশে মাথোঁ অশ্ৰুসিক্ত নয়ন,
শব্দহীন পৰিবেশত থমকি ৰ'ল সময়।

নাই জুবিন,
নাই সেই মধুৰ সুৰ,
যি সুৰত মতলীয়া হৈছিল যুৱপ্ৰজন্ম।
জুবিন নহয় কেৱল এজন গায়ক—
তেওঁ মানেই অসমীয়া,
তেওঁ মানেই অসম।

তেওঁৰ কণ্ঠত জাগিছিল অহংকাৰ,
তেওঁৰ সুৰত বৈছিল
অসমীয়াৰ সত্তা, অসমীয়াৰ প্ৰাণ।
নিমিষতে আঁতৰি গ'ল জীৱন—
অপৰিসীম দুখৰ আঘাত।
তথাপি ৰৈ গ'ল মাথোঁ স্মৃতি,
যি স্মৃতি যুগে যুগে
অসমৰ হৃদয়ত বাজিব ধ্বনি হৈ।



## জুবিন দা

✍ বিতা বেগম

কৰ্মব্যস্ততাত ঘামি জুমি ক্লান্ত দেহা / কাৰ গানে পাহৰি জুৰাম কলিজা...।

প্ৰিয় শিল্পী সুৰ সম্ৰাট....
সঁচাকৈয়ে তুমি নথকা
অনুভৱ মানিব পৰা নাই
একেবাৰেই অসহনীয়...
নিষ্পাপ মনৰ নিথৰ দেহ...।

তেজ নিগৰি অহা প্ৰতিটো গান
হয়তো কোনোবাৰ শান্তিৰ সান।।

হে প্ৰিয় শিল্পী সুৰ সম্ৰাট
এতিয়া কোনে গাব প্ৰিয় গীতটি
কোনে লিখিব প্ৰিয় কবিতা
কাৰ গীত শুনি সান্ত্বনা দিম
মাজনিশা হুকহুকাই কান্দি উঠা
বুকুৰ অশ্ৰুসিক্ত আৰ্তনাদ
কিছুমান নজনা প্ৰশ্নৰ চিতা
কেনেকৈ নুমাম তোমাৰ গান বিহনে....।


সঁচাকৈ....
হাঁহিলেও তোমাৰ গান
কান্দিলেও তোমাৰ গান
হোৱাটছ্‌প ফেচবুক ইনষ্টাগ্ৰাম...
দিছোঁ তোমাৰ গানৰেই ষ্টেটাচ
কেনেকৈ থাকিম, কেনেকৈ মানিম....।।

কৰ্মব্যস্ততায় ঘামি জুমি ক্লান্ত দেহা
কাৰ গানে পাহৰি জুৰাম কলিজা...।

থাকিছো কতনা নতুন গানৰ বাট ধৰি
এতিয়া পাৰ হ'লেও জীৱন যুঁজি....
ছাই হৈ হৈ গ'লা উৰি সাগৰ তলি
নাই! নাহা আৰু কেতিয়াও উভতি....।

তথাপি....
তোমাৰ স্মৃতি প্ৰেমাসুৰেৰ আলিংগনে
মগ্ন হৈ শান্তিৰ শলিতা জ্বলাই
গানৰ পূজা কৰিয়েই যাম
উৰেটো জীৱন....

হে প্ৰিয় যুগ শিল্পী অসম প্ৰান.....
তুমি হীন ক্ৰন্দনে বিশ্ব ভাসমান
আকাশ-বতাহ, ৰ'দ-বৰষুণ...
সাগৰ, ডাৱৰ, জীৱ-জন্তু
হুকাতুৰ পৰিৱেশ
সমগ্ৰ দেশ।।



## অমৰ কণ্ঠ

✍ সংগীতা ডেকা

সূৰ্য্য আপুনি
যাৰ সেক লৈ আমাৰ বুকুবোৰে
সকলো দুখক পৰাজিত কৰিব বিচাৰে।
আপুনি একুৰা পৱিত্ৰ অদম্য অগ্নি শিখা
যি শিখা সদায়ে প্ৰজ্জ্বলিত হৈ থাকিব
আমাৰ বুকুত।
মনত ৰাখিব কিন্তু,
আজিৰে পৰা আপুনি ভগৱান হিচাপে
পূৰ্ণ ৰূপে দায়িত্বৱদ্ধ হ'ল...!
আমাৰ হৃদয়ৰ দায়িত্ব আপোনাৰ চৰণত অৰ্পণ
আপোনালৈ আমাৰ প্ৰতিখন হৃদয় আৰু তাৰ
স্পন্দনৰ শপত,
আকৌ যেন নকন্দুৱাই বুকু ভগাকৈ!
সাহস দিয়ক শক্তি দিয়ক আশীৰ্বাদ দিয়ক
এই ৰঙহীন পৃথিৱীলৈ যাতে
ৰঙবোৰ আকৌ উভতি আহে
আপোনাৰ সুৰক আপোনাৰ গানক
আলিংগন কৰি...
সাহস দিয়ক শক্তি দিয়ক আশীৰ্বাদ দিয়ক
যাতে আপোনাৰ জীৱন কাঢ়ি নিয়া
আমাৰ দুচকুত পানী দিয়া
অন্যায়কাৰী ৰাৱণবোৰ
অতি শীঘ্ৰেই বধ হয়।
হে সূৰ্য্য আমাৰ অন্তৰত সদায়ে উশাহ লৈ থাকক।
অলেখ অযুত শত সহস্ৰ মৰম
'গ'ল্ডি'।

## এটা গান শেষ হ'ল...

আজি বিশাল লুইতখন/তোমাৰ অবিহনে/ কেনেকৈ ব'ব বাৰু নিৰলে। / প্ৰকৃতিও আজি যেন স্তব্ধীভূত / অনুভৱ কৰিছে যেন তোমাৰ শূন্যতা।

ভৱা নাছিলোঁ
এনেকৈ এদিন
এটা গান শেষ হ'ব...
জুবিন, তুমি শিল্পী সত্তাৰ
সুৰৰ মায়াজালেৰে
অসমীয়া জাতিৰ হৃদয়ত
সৃষ্টি কৰিছিলা ধুমুহাৰ।
তোমাৰ গানৰ সুৰৰ ঝংকাৰত
উল্লসিত হৃদয় খনিত
জীৱন জীণাৰ
সোণোৱালী ঘাটত বহি
ৰচিছিলোঁ অলেখ সপোন।
তুমি আছিলা
অসমীয়া জাতিৰ স্বাভিমান
অসমীয়া জাতিৰ আৱেগ
অসমীয়া জাতিৰ গৌৰৱ।
হৃদয় জুৰোৱা
তোমাৰ প্ৰতিটো গান
গুণ গুণাই আঁতৰ কৰিছিলোঁ
বিষাদৰ মুহূৰ্তবোৰ।
তুমি গুচি গ'লা কিয় বাৰু
অতি সোনকালে।
আজি বিশাল লুইতখন
তোমাৰ অবিহনে
কেনেকৈ ব'ব বাৰু নিৰলে।
প্ৰকৃতিও আজি যেন স্তব্ধীভূত,
অনুভৱ কৰিছে যেন তোমাৰ শূন্যতা।
আজি অসমৰ আকাশে বতাহে
কেওঁ দিশে গুঞ্জৰিত হৈছে
কেৱল মায়াবিনী ৰাতিৰ বুকুত...
ৰোমন্থন কৰিছোঁ মাথোঁ
তোমাৰ স্মৃতি বোৰ।
প্ৰতিটো মুহূৰ্ত পাৰ কৰিছোঁ
তোমাৰ হৃদয় জুৰোৱা
গান বোৰ শুনি।
তোমাৰ পাখি লগা মনটোৱে
উৰি গ'লা দূৰ দিগন্তলৈ,
তুমি সাৰ নোপোৱাকৈ
শুই পৰিছিলা নিৰৱে
লুণীয়া পানীৰ
নীলম সাগৰৰ বুকুত।
তুমি গুচি গ'লা
কেতিয়াও উভতি নহা বাটেৰে।
সমগ্ৰ অসমীয়া জাতিৰ
হিয়াৰ আমঠু জুবিন,
তোমাক হেৰুৱাই
আজি সকলো বাকৰুদ্ধ,
বিষাদিত হৃদয় খনিৰে
দুচকুত নিগৰিছে তপত চকুলোঁ।
তথাপি তোমাক জীয়াই ৰাখিম
আমি প্ৰতি অসমীয়াৰ হৃদয়ত,
তুমি সদায় জিলিকি থাকিবা
অসমৰ আকাশত
এটি উজ্জ্বল নক্ষত্ৰ হৈ।

✍ ৰঞ্জন শইকীয়া

## কি সতেৰে বিদায় দিওঁ আপোনাক

✍ বৰষা গগৈ

জুবিন দা...
আপোনাক বিদায় কেনেকৈ দিওঁ
আমাৰ শৈশৱ-যৌৱন সকলো আছিল
আপোনাৰ গীতেৰে ঘৰ-গাঁও-নগৰ গুঞ্জৰিত হয়।
সেই ধ্বনি আজি থমকি ব'ল,
কিন্তু আপোনাৰ গীতত আমি
এতিয়াও হাঁহিম, কান্দিম।
আপুনি গুচি গ'লেও প্ৰতিটো বিহু গীতত,
প্ৰতিটো মৰমৰ সুৰত,
প্ৰতিটো জয়-উল্লাসত আপুনি সদায় থাকিব।
অসমীয়া জাতিৰ সুৰ,
অসমীয়া জাতিৰ হিয়াৰ মান।
জুবিন দা,
আপুনি চিৰদিন আমাৰ
মাজত অমৰ হৈ থাকিব।
জনতাৰ ভালপোৱা আৰু প্ৰাৰ্থনাৰ মাজতে।
আপুনি অসমক একত্ৰ কৰি গানত বন্দী কৰিছিল,
আপুনি গীতেৰে দুখক সান্ত্বনা দিছিল,
সুখত উল্লাস ভৰাইছিল,
আপোনাৰ স্বৰতেই অসমৰ সকলোৰে
হৃদয়ত আশা জন্মিছিল,
আপোনাৰ নামেৰেই
জনতাই নিজৰ পৰিচয় গঢ়িছিল।
আপোনাক কেতিয়াও বিদায় দিব নোৱাৰোঁ,
কাৰণ আপুনি আমাৰ
জীৱনচৰ্যাৰ এটা অংশ হৈ পৰিছিল।
আপোনাৰ গানেই আমাক জীয়াই ৰাখিব
আপোনাৰ মৰমেই আমাৰ হিয়াত দপ্‌দপাই
থাকিব।
তথাপি জীৱনৰ নিয়তিৰ নিয়ম বৰ কঠোৰ অ.....
জুবিন দা,
আপুনি চিৰকাল অসমৰ হৃদয়ত অমৰ হৈ থাকিব।"



## জুবিন দা উঠা

✍ অৰুণ শইকীয়া

জুবিন দা উঠা
উঠা জুবিন দা
বহুত দেৰি হ'ল
বেলি লহিয়াবৰ হ'ল
পুৱাৰ পৰা বহুজন
তোমাক মাত দিবলৈ
ঘৰৰ বাৰাণ্ডাত বহি আছে!

উঠা জুবিন দা!
ৰাতিলৈ অনুষ্ঠানো আছে
কাইলৈৰ পৰা নতুন চিনেমাৰো
দাবিঙৰ কাম আছে
লিখি ৰখা গানবোৰৰ
সুৰ দিব বাকী আছে!

উঠা জুবিন দা!
খাৰঘুলিৰ নতুন ঘৰটোৰ
কামো আছে
বেল গছজোপা বচাই
কামবোৰ কৰিব লাগিব
আৰু বাকী গছবোৰো নকটাকৈয়ে
কিদৰে ঘৰটো সজাব পাৰি
তাৰো পৰিকল্পনা বাকী আছে!

শুই নাথাকিবা আৰু জুবিন দা!
দেৰি হ'ল উঠা!
তোমাৰ মৰমৰ অসমখনিৰ কথা
বহু ভাবিব আছে
মুম্বাই এৰি তাৰবাবেই
অহা নাছিলা জানো
তোমাৰ পৰিকল্পনা
আৰু তোমাৰ সপোনৰ অসমখনি
ন-সাজযোৰ যে পিন্ধাম কৈছিলা
তাৰ বাবে বহুত কাম আছে
উঠা জুবিন দা!
উঠা না জুবিন দা!
প্লিজ উঠা!
প্লিজ, প্লিজ, প্লিজ!

# নাজিৰাত ক্ৰিছিল ফাউণ্ডেশ্যনৰ উদ্যোগত সমূহীয়া সজাগতামূলক সভা



**অসম বাৰ্তা, গেলেকী, ২৫ ছেপ্টেম্বৰ ঃ** গ্ৰামাঞ্চলৰ মহিলা সকলক চৰকাৰী বিভিন্ন আঁচনিৰ যোগেদি স্বাৱলম্বী কৰাৰ উদ্দেশ্যে নাজিৰাত ক্ৰিছিল ফাউণ্ডেশ্যনৰ উদ্যোগত মই প্ৰগতি আঁচনি আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ সহযোগত জিৱিকা সখী আৰু বিভিন্ন চৰকাৰী আঁচনিৰ হিতাধিকাৰীৰ সকলৰ সৈতে সমূহীয়া সজাগতামূলক সভা অনুষ্ঠিত হয়। নাজিৰাৰ এম, চি, ক্লাৱত অনুষ্ঠিত এই সভাত ভালেসংখ্যক জিৱিকা সখী আৰু হিতাধিকাৰী উপস্থিত থাকে। সভাখনত চৰকাৰী কেইবাটাও বিভাগৰ আঁচনি আৰু ইয়াৰপৰা কেনেকৈ লাভৱান হ'ব পাৰি সেই বিষয়ে গ্ৰামাঞ্চলৰ মহিলাসকলক আৰু সজাগ কৰিবলৈ কেইবাটাও চৰকাৰী বিভাগৰ বিষয়াই বক্তৃতা প্ৰদান কৰে। বিশেষকৈ গ্ৰামাঞ্চলৰ কাম কৰি থকা জিৱিকা সখী আৰু বিভিন্ন চৰকাৰী আঁচনি গ্ৰহণ কৰি স্বাৱলম্বী হবলৈ প্ৰয়াস কৰি থকা মহিলা সকলক প্ৰতি বছৰে পোনপটীয়াকৈ ৰাজ্যিক অধিকাৰী বা প্ৰতিটো চৰকাৰী বিভাগৰ মূৰব্বী বিষয়াসকলৰ সৈতে যোগসূত্ৰ ঘটোৱাই হৈছে এই সভাৰ উদ্দেশ্য বুলি জানিব দিয়ে অনুষ্ঠানত উপস্থিত ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ বিষয়া সকলে। আজিৰ এই অনুষ্ঠানত উপস্থিত আছিল ক্ষেত্ৰ প্ৰবন্ধক জুহেব জামান, আঞ্চলিক প্ৰবন্ধক মুস্তাফা আহমেদ, ইণ্ডিয়ান প'ষ্টেল পেমেণ্ট বেংকৰ ডি, এম আশিষ ৰয়, শিৱসাগৰ জিলাৰ কৃষি উন্নয়ন বিষয়া আছিফ বৰা, ভাৰতীয় জীৱন বীমা নিগম শিৱসাগৰৰ উন্নয়ন বিষয়া সুৰজ বড়া।

## জনজাতীয় গাঁৱত স্থাপন কৰা হৈছে একোটাকৈ সেৱা কেন্দ্ৰ

# আদি কৰ্মযোগী অভিযানৰ অধীনত ডিব্ৰুগড় জিলাৰ ৬৩খন জনজাতীয় গাঁৱত কৰ্মশালাৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰে জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবে বিভিন্নধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। "আদি কৰ্মযোগী অভিযান" হৈছে কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰদ্বাৰা পৰিচালিত এক অভিলাষী তথা দূৰদৰ্শী আঁচনি, যাৰ মুখ্য উদ্দেশ্য হ'ল জনজাতীয় লোকসকলৰ জীৱন যাত্ৰাৰ মান উন্নত কৰি স্বাৱলম্বী কৰি তোলা। এই আদি কৰ্মযোগী অভিযানৰ অধীনত ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ৬৩খন জনজাতীয় গাঁৱত কৰ্মশালাৰ আয়োজন কৰা হৈছে। ইয়াৰ সমান্তৰালভাৱে আদি কৰ্মযোগী অভিযান সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে উক্ত জনজাতীয় গাঁও সমূহত গ্ৰাম্য ভ্ৰমণৰ আয়োজন কৰাৰ লগতে আদি সেৱা কেন্দ্ৰও মুকলি কৰা হৈছে।এই আদি সেৱা কেন্দ্ৰসমূহত বিভিন্ন বিভাগৰ তথ্যসমূহ সংৰক্ষণ হৈ থাকিব। ফলত জনসাধাৰণে সহজে চৰকাৰী আচঁনি তথা সা-সুবিধাসমূহৰ বিষয়ে অৱগত হব পাৰিব। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত জনজাতীয় গাওঁসমূহত উন্নয়ন মূলক কামকাজ ৰূপায়ণৰ বাবে গ্ৰাম্য কাৰ্য পৰিকল্পনা প্ৰস্তুত কৰা হ'ব। উল্লেখযোগ্য যে, আদি কৰ্মযোগী অভিযান কেৱল এটা কাৰ্যসূচী নহয়, বৰঞ্চ ই জনজাতীয় জনসাধাৰণক সামাজিক জীৱনত ইতিবাচক পৰিবৰ্তন আনিবলৈ গ্ৰহণ কৰা এটি দীৰ্ঘম্যাদী কৌশল। এই আঁচনিৰ দ্বাৰা চৰকাৰী কৰ্মচাৰী সকলক উপযুক্ত প্ৰশিক্ষণ প্ৰদানৰ জৰিয়তে আদি কৰ্মযোগী হিচাপে সৱলীকৰণ কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে, লগতে স্বেচ্ছাসেৱী সংগঠন আদিকো এই পদক্ষেপত জড়িত কৰা হৈছে। জনজাতীয় অঞ্চল সমূহত সামৰ্থ্য বৃদ্ধি কাৰ্যসূচীৰ বাবে জিলা পৰ্যায়ৰ মাষ্টাৰ প্ৰশিক্ষণ সমিতি আৰু ব্লক পৰ্যায়ৰ মাষ্টাৰ প্ৰশিক্ষণ সমিতি সমূহ জিলা পৰ্যায় আৰু খণ্ড উন্নয়ন পৰ্যায়ত গঠন কৰা হৈছে।

## ৱাৰ্ড সদস্য কমৰুলক আক্ৰমণৰ চেষ্টা দুৰ্বৃত্তৰ

# বিন্নাকান্দিৰ অকচেক-পথাৰ পঞ্চায়তত তদন্তকাৰী দল উপস্থিত

**অসম বাৰ্তা, মোৰাঝাৰ, ২৫ ছেপ্টেম্বৰ ঃ** হোজাইৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ বিভিন্ন পঞ্চায়তত সংগঠিত বিয়াগোম দুৰ্নীতিৰ বাতৰিৰ পিছতে আৰম্ভ হল তদন্ত। আজি তদন্তৰ সময় ছোৱাত বিন্নাকান্দিৰ অকচেকপথাৰ গাঁও পঞ্চায়তত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। তদন্তকাৰী বিষয়াৰ সন্মুখত পঞ্চায়তটিৰ ৭ নং ৱাৰ্ড সদস্য কমৰুল ইছলামক আক্ৰমণৰ চেষ্টা চলোৱাৰ অভিযোগ উঠিছে। পঞ্চায়তটিৰ নৱ-নিৰ্বাচিত সভানেত্ৰী মঞ্জুৱাৰা বেগমৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ তুলি হোজাই জিলা আয়ুক্ত আৰু হোজাই জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াক ৱাৰ্ড সদস্য গৰাকীয়ে এক লিখিত অভিযোগ দিছিল। অভিযোগ অনুসৰি পঞ্চায়তটিৰ পূৰ্বৰ আঁচনিত পুনৰ ২০২৩-২৪ বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ ধনেৰে পঞ্চায়ত কাৰ্যালয়ৰ চিলিং নিৰ্মাণত ধন আৱণ্টন কৰি দুৰ্নীতি সংগঠিত কৰাৰ অভিযোগ। তাৰ পাছত অভিযোগৰ ভিত্তিত আজি পঞ্চায়তত তদন্ত কৰিবলৈ আহিছিল এটি দল। তদন্তকালীন অৱস্থাত বিষয়াৰ সন্মুখতে দুনীতি গাপ দিবলৈ সভানেত্ৰীৰ সাঙো পাঙো আৰু একাংশ ৱাৰ্ড সদস্যাৰ নমিনিয়ে পঞ্চায়ত কাৰ্যালয়ৰ ভিতৰে বাহিৰে উদ্ভাগুলি কৰাৰ অভিযোগ উঠিছে। পৰিস্থিতি ইমানেই যে ৱাৰ্ড সদস্য কমৰুলক ভয় ভাবুকি দিয়াৰ লগতে শাৰীৰিক অপদস্থ কৰাৰ বাবে উদ্ৰত হয়। এই ঘটনাই সমষ্টিজুৰি তীব্ৰ প্ৰতিক্ৰিয়াই বিৰাজ কৰিছে। ইপিনে যাৱতীয় ঘটনা সন্দৰ্ভত বিষয়াই একো মন্তব্য প্ৰদান নকৰাৰ বিপৰীতে সভানেত্ৰীয়ে পূৰ্বৰ সভাপতিৰ কাম বুলি কৈ আত্মপক্ষ সমৰ্থনত মন্তব্য দিয়ে। এতিয়া তদন্তৰ ফলাফল কি হ'ব সময়ত লক্ষণীয় হ'ব।

## সাংবাদিকৰ সুৰক্ষা আৰু বস্তুনিষ্ঠ সংবাদ প্ৰচাৰৰ লক্ষ্য

# শ্ৰীৰামপুৰত গঠন হ'ল নতুনকৈ সাংবাদিক সন্থা

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত শ্ৰীৰামপুৰত আজি সাংবাদিক সকলৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গঠন কৰা হল 'শ্ৰীৰামপুৰ জাৰ্নেলিষ্ট এছ'চিয়েছন'। অঞ্চলটোৰ জ্যেষ্ঠ তথা উদীয়মান সংবাদকৰ্মীসকলক সংগঠিত কৰি তেওঁলোকৰ সুৰক্ষা আৰু সংবাদ ক্ষেত্ৰত পেচাদাৰী মানদণ্ড ৰক্ষা কৰাই সংগঠনটোৰ মুখ্য উদ্দেশ্য। সংগঠনটোৰ গঠন সভা আজিৰে দিনা গোসাঁইগাঁও কমল নাথ ক্লাৱ প্ৰাংগণত অনুষ্ঠিত হয়। সভাটিৰ সভাপতিত্বে কৰে নিউজ লাইভ আৰু আমাৰ অসম-ৰ জ্যেষ্ঠ সাংবাদিক দুলাল চন্দ্ৰ ৰায়ে। সভাৰ অন্তত ৯ জনীয়া কাৰ্যনিৰ্বাহী সমিতি গঠন কৰা হয় যাৰ সভাপতি হিচাপে দুলাল চন্দ্ৰ ৰায় আৰু সাধাৰণ সম্পাদক ৰূপে অৰুণ কুমাৰ গুপ্তাক নিৰ্বাচিত কৰা হয়। তদুপৰি উপ-সভাপতি দানসাৰাং বসুমতাৰী, সহ-সাধাৰণ সম্পাদক, গোপাল ৰায়, প্ৰচাৰ সম্পাদক ৰফিকুল ইছলাম, সাংগঠনিক সম্পাদক ধনকেশ বৰ্মণ। নতুনকৈ গঠন হোৱা শ্ৰীৰামপুৰ জাৰ্নেলিষ্ট এছ'চিয়েছনে অহা দিনত সমাজৰ বাবে সত্য, ন্যায়সংগত আৰু বস্তুনিষ্ঠ বাতৰি প্ৰচাৰৰ লগতে সংবাদকৰ্মীসকলৰ অধিকাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণৰ সংকল্প প্ৰকাশ কৰে।

## কলং নৈ আৰু মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশাল বুকুত মহান শিল্পীগৰাকীৰ চিতাভস্ম বিসৰ্জন

# নগাঁওবাসীয়ে নেহৰুৱালীত জুবিন গাৰ্গৰ চিতাভস্মত অৰ্পণ কৰে গভীৰ শ্ৰদ্ধাঞ্জলি


**অসম বাৰ্তা, নগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ, ৰাজ্যবাসীৰ হিয়াৰ আমঠু, জনতাৰ শিল্পী জুবিন গাৰ্গ দেৱৰ মহাপ্ৰয়ানত সকলো শোকস্তমভ। শিল্পী গৰাকীৰ অন্তিম সংকাৰ যোৱা ইংৰাজী ২৩ ছেপ্টেম্বৰ, ২০২৫ তাৰিখে সোণাপুৰত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সমাপন কৰা হয়। নগাঁও-বটদ্ৰবা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াৰ বিশেষ উদ্যোগত আৰু নগাঁও জিলা প্ৰশাসনৰ সহযোগত জনতাৰ শিল্পী গৰাকীৰ চিতা ভস্ম ভাগ সম্পূৰ্ণ নীতি নিয়মেৰে সংগ্ৰহ কৰি ২৪ ছেপ্টেম্বৰত নগাঁৱৰ ঐতিহ্যমণ্ডিত শিল্পী গৰাকীৰ স্মৃতি বিজড়িত নেহৰুৱালীত জিলাবাসীয়ে শেষ শ্ৰদ্ধা নিবেদনৰ সু-ব্যৱস্থা কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত, জিলাখনৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণ, অনুষ্ঠান-প্ৰতিষ্ঠান, দল, সংগঠনে প্ৰাণৰ শিল্পী গৰাকীক পুষ্পাঞ্জলি অৰ্পণ কৰি অশ্ৰুসিক্ত নয়নেৰে অন্তিম বিদায় জনায়। সন্ধ্যাবেলা এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সমবেত হোৱা জিলাখনৰ প্ৰায় ৩০, ০০০ ৰো অধিক গুণমুগ্ধই শিল্পী গৰাকী অমৰ সৃষ্টি গীত, যি গীতটি বৰ্তমান আমাৰ জীৱনত এটি প্ৰাৰ্থনা ঘোষা সদৃশ হৈ পৰিছে, সেই "মায়াবিনী ৰাতিৰ বুকুত"- সমস্বৰে পৰিবেশন কৰি শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। আজি মহান শিল্পী গৰাকীৰ চিতা ভস্ম ভাগ দুভাগ কৰি এটি ভাগ সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে স্থানীয় বিধায়ক ৰূপক শৰ্মা, জিলা আয়ুক্ত দেৱাশিস শৰ্মা, জিলা আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা আৰু বহুকেই গৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত পুষ্পসজ্জিত নাওৰে লৈ গৈ কলংৰ বুকুত বিসৰ্জন দিয়া হয়। ইয়াৰোপৰি মহান শিল্পী গৰাকীৰ প্ৰতি সন্মান জনায়, আজি নেহৰুৱালীৰ বাকৰিত আৰু নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সন্মুখত নৱনিৰ্মিত উদ্যানখনত স্থানীয় বিধায়ক, জিলা আয়ুক্ত গৰাকী আৰু স্থানীয় ৰাইজৰ উপস্থিতিত শিল্পী জনাৰ অতি প্ৰিয় "নাহৰ" গছৰ পুলি ৰোপণ কৰা হয়। ইয়াৰ পিছতেই ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত গাতিকাৰা মোৰামাৰী অঞ্চল স্থিত মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশাল বুকুত শিল্পী জনে তেখেতৰ অন্তিম যাত্ৰা ব্ৰহ্মপুত্ৰৰ বুকুত বিচৰাৰ দৰেই আনভাগ চিতা ভস্ম নগাঁও-বটদ্ৰবা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, জিলা আয়ুক্ত দেৱাশিস শৰ্মা, জিলা আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, অতিৰিক্ত আৰক্ষী অধীক্ষক জয়ন্ত বৰা, ধিং ৰাজহ চক্ৰ বিষয়া সৌৰভ কুমাৰ দাস, নগাঁও জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা পিংকু মজুমদাৰকে প্ৰমুখ্য কৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বিসৰ্জন দিয়া হয়।

# পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ত ২৮ ছেপ্টেম্বৰত মাজুলী ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ছেপ্টেম্বৰ ঃ** মাজুলীৰ উচ্চ শিক্ষা অনুষ্ঠান পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ৩০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ উপলক্ষে মাজুলী জিলা ভিত্তিত এখন প্ৰাইজমাণি "ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা"ৰ আয়োজন কৰা হৈছে। অহা ২৮ ছেপ্টেম্বৰত মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰোপণ কোষৰ সৌজন্যত উক্ত মাজুলী জিলা ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সেইদিনা বিয়লি মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সৌজন্যত এখন লেখিকা সমাৰোহো অনুষ্ঠিত হ'ব বুলি মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰোপণ কোষৰ সমন্বয়ক মাইনু পায়ুনে জানিবলৈ দিছে। প্ৰাইজমাণি উক্ত, ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ প্ৰতিযোগীসকলৰ বয়স ১০ বছৰৰ পৰা ২০ বছৰৰ ভিতৰত হ'ব লাগিব। প্ৰতিযোগীসকলৰ যোগদান মাছুল ১০০.০০ টকা। প্ৰতিযোগীসকলে আগতীয়াকৈ যোগদানৰ বাবে ৯৪৩৫২ ০৩০২৪, ৯৪৩৫২ ০৮৪৫১, ৮০৯৯৩ ৫২২৫২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদযাপন সমিতিৰ হৈ অধ্যক্ষ অৰূপ জ্যোতি শইকীয়াই আহ্বান জনাইছে। উল্লেখযোগ্য যে উক্ত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাখন যোৱা ২১ ছেপ্টেম্বৰত আয়োজন কৰিছিল। কিন্তু, গণশিল্পী তথা নৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ মৃত্যুৰ বাবে' প্ৰতিযোগিতাখন স্থগিত ৰাখিবলগীয়া হৈছিল।

# ডিব্ৰুগড়ৰ নাট্য শিল্পী শান্তনু শৰ্মাৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ চৌকিডিঙ্গী উদয়পুৰ নিবাসী, ডিব্ৰুগড়ৰ সত্ৰীয়া সাংস্কৃতিক কেন্দ্ৰৰ প্ৰাক্তন সম্পাদক, সুদক্ষ অভিনেতা, যোগাসনবিদ, প্ৰবন্ধকাৰ, তথা সাহিত্যৰ লগত জড়িত শান্তনু শৰ্মাৰ (৬২) বুধবাৰে ৰাতি মৃত্যু হয়। কিছুদিন ধৰি ৰোগত আক্ৰান্ত হৈ মৃত্যু সাৱটি লোৱা শৰ্মাই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ নাটকৰ এজন নিয়মীয়া শিল্পী, আজনকা নাট্য চৰ্চাকেধৰি বহুকেইটা অনুষ্ঠানৰ লগত জড়িত থকা সাংস্কৃতি কৰ্মী শৰ্মা মৃত্যুৰ সময়ত পত্নী, কানৈ কমাৰ্চৰ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা মুনমুন শৰ্মা আৰু একমাত্ৰ কণ্যা- লগতে বহু আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ গৈছে। সমাজ সেৱক শৰ্মাৰ মৃত্যুত স্থানীয় ৰাইজৰ লগতে বহুকেইটা অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰা লগতে শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছে।




# গোলাঘাটৰ বাটা পইণ্টৰ নাম 'মায়াবিনী' নামেৰে নামকৰণ আৰু জুবিন গাৰ্গৰ পূৰ্ণাৱয়ব প্ৰতিমূৰ্ত্তি নিৰ্মাণৰ দাবীত জিলা আয়ুক্তক স্মাৰক-পত্ৰ

**ষ্টাফ ৰিপ'টাৰ, গোলাঘাট, ২৫ ছেপ্টেম্বৰ ঃ** অসমৰ বিশিষ্ট সংগীত শিল্পী, অসমৰ ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ দাবীত গোলাঘাটৰ অগ্ৰণী সামাজিক সংগঠন পাব্লিক ওৱেলফেয়াৰ ফ'ৰামে কালি গোলাঘাটৰ জিলা আয়ুক্তক এক স্মাৰকপত্ৰ প্ৰদান কৰে। ফ'ৰামৰ সভাপতি পৰীক্ষিত শইকীয়া আৰু সম্পাদক প্ৰকাশ বৰাৰ নেতৃত্বত বীৰেণ গগৈ, শুভাংশু বৰা আৰু মিলনজ্যোতি বৰুৱা সহিতে এটি সঁজাতি দলে গোলাঘাট জিলাৰ জিলা আয়ুক্তক সাক্ষাৎ কৰি এখনি স্মাৰক পত্ৰ প্ৰদান কৰি স্মাৰক পত্ৰত অসমৰ তথা ভাৰতৰ সংগীত জগতক সুৰৰ মায়াজালেৰে মোহিত কৰি ৰখা আৰু গোলাঘাটৰ জোৱাই জুবিন গাৰ্গৰ স্মৃতি গোলাঘাট নগৰত সজীৱ কৰি ৰাখিবৰ বাবে নিম্ন উল্লিখিত দাবীসমূহ উত্থাপন কৰে। সেই অনুসৰি গোলাঘাট নগৰৰ এমেচাৰ থিয়েটাৰ হ'লৰ সন্মুখৰ বাটা পইণ্টৰ পূৰ্বৰ পানীৰ ফোৱাৰা থকা স্থানত গোলাঘাটবাসী ৰাইজৰ সহযোগত জুবিন গাৰ্গৰ এক পূৰ্ণ অৱয়বৰ প্ৰতিমূৰ্ত্তি স্থাপন কৰিবলৈ Public Welfare Forum (ৰাজহুৱা কল্যাণ মঞ্চ)ৰ উদ্যোগত প্ৰয়াস কৰা হৈছে। উক্ত ঠাইডোখৰ গোলাঘাটবাসী ৰাইজক অৰ্পণ কৰি ফ'ৰামৰ প্ৰয়াসক মান্যতা প্ৰদানৰ অনুৰোধ জনায়। তদুপৰি উক্ত ঠাইডোখৰ বৰ্তমান বিভিন্ন নামেৰে জনাজাত যদিও অনাগত দিনত উক্ত ঠাইডোখৰ জুবিন গাৰ্গৰ স্মৃতিত 'মায়াবিনী' নামেৰে নামকৰণ কৰিবলৈ দাবী জনায়। আগন্তুক দুৰ্গা পূজাত গোলাঘাট জিলাৰ প্ৰতিখন পূজাস্থলীতে প্ৰতিদিনে সদ্য প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিবলৈ পূজা সমিতিসমূহক পৰামৰ্শ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈয়ো স্মাৰক-পত্ৰখনৰ জৰিয়তে দাবী জনায়।

## নগাই অসমৰ ভূমিত পাম অইল ৰূপন কৰিবলৈ লোৱাক লৈ তীব্ৰ প্ৰতিবাদ

# মেৰাপানী চীডফ্ৰামত পুনৰ উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, মেৰাপানী, ২৫ ছেপ্টেম্বৰ ঃ** অসম নাগালেণ্ড সীমান্তৰ মেৰাপানী ভেলৌগুৰীৰত নগাই অসমৰ মাটিত পাম অইল অৰ্থাৎ তৈল খেজুৰ পুলি উঠাই নিয়াৰ দাবীত আজি কৃষক ৰাইজে সাব্যস্ত কৰিছে প্ৰতিবাদ যিকোনো মুল্যৰ বিনিময়ত নগাক অসমৰ ভূমিত ৰূপন কৰিব নিদিয়ে বুলি তীব্ৰ প্ৰতিবাদ কৰে আজি প্ৰতিবাদকাৰীসকলে। উল্লেখযোগ্য যে অসমৰ মাটিৰ পৰা তৈলখেজুৰ পুলি সমূহ এসপ্তাহৰ ভিতৰত নাগালেণ্ডলৈ সমূহ ঘূৰাই পথোৱা আশ্বাস প্ৰদান কৰিছিল প্ৰতিবাদকাৰীসকলক অসমৰ নাগালেণ্ডৰ সীমান্ত দণ্ডাধিকগৰাকীয়ে কাৰীসকলক। ঘটনাস্থলী অতি উত্তপ্ত হৈ পৰাত মোতায়ন কৰা হৈছে CRPF বাহিনীৰ লগতে অসম আৰক্ষীৰ বৃহৎ দল। আনফালে নগাৰ বিৰুদ্ধে অসমৰ নাবালীকা ছোৱালী ধৰ্ষণৰ অভিযোগ আছে বুলি প্ৰতিবাদ কাৰীয়ে দাবী আৰু মূল অভিযুক্তক অতি শীঘ্ৰে কৰায়ত্ব দাবী জনাইছে প্ৰতিবাদ কাৰী ৰাইজে।

# শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় বি.এ. এল.এল. বি. বাবে বাৰ কাউন্সিল অফ ইণ্ডিয়াৰ অনুমতি

**অসম বাৰ্তা, নগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** বাৰ কাউন্সিল অফ ইণ্ডিয়াই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত বি.এ এল.এল.বি পাঠ্যক্ৰম (সন্মান বিষয়) (পাঁচ বছৰীয়া সংযুক্ত পাঠ্যক্ৰম) আৰম্ভ কৰাৰ অনুমতি প্ৰদান কৰিছে। উল্লেখযোগ্য, যোৱা জুন মাহৰ ১২ তাৰিখে বাৰ কাউন্সিল অফ ইণ্ডিয়াই এই পাঠ্যক্ৰম মুকলি কৰাৰ সম্পৰ্কত পৰিদৰ্শন কাৰ্যসূচী সমাপন কৰিছিল। এই পৰিদৰ্শনৰ পিছত যাৱতীয় সকলো প্ৰয়োজনীয় বিধিসন্মত দিশৰ যোগাত্মকতা লাভ কৰি বিশ্ববিদ্যালয়খনক কালি এই অনুমতি প্ৰদান কৰিলে বাৰ কাউন্সিল অফ ইণ্ডিয়াই। বাৰ কাউন্সিল অফ ইণ্ডিয়াৰ BCI D - 3417: 2025 (I.E/Std. 11.9.2025) এক পত্ৰযোগে পঞ্জীয়কলৈ এই বাৰ্তা প্ৰেৰণ কৰা হৈছে। বাৰ কাউন্সিলৰ এই সিদ্ধান্তই বিশ্ববিদ্যালয়খনৰ শৈক্ষিক যাত্ৰাত এক নব সংযোগ ঘটাব। এই বাৰ্তাই বিশ্ববিদ্যালয় পৰিয়ালৈ সুখৰ বতৰা কঢ়িয়াইছে বুলি উপাচাৰ্য অধ্যাপক অশোক কুমাৰ বৰা, পঞ্জীয়ক ড° শৰৎ হাজৰিকাই জনাইছে। উল্লেখ্য, চলিত শিক্ষাবৰ্ষৰ পৰা বিশ্ববিদ্যালয়খনৰ গুৱাহাটী গোটত এই পাঠ্যক্ৰমৰ শুভাৰম্ভ হ'ব। প্ৰণিধানযোগ্য, বিশ্ববিদ্যালয়ৰ গুৱাহাটী গোটত ২০১৫ চনৰ পৰা এল এল এম আৰু পি এইচ ডি পাঠ্যক্ৰম অব্যাহত আছে।

# লালটাৰী অৰুণোদয় সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত অনুষ্ঠিত ফুটবল ফাইনেলত জয়ী চন্দ্ৰপাৰা এফ চি

**অসম বাৰ্তা, বাসুগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** লালটাৰী অৰুণোদয় সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত অনুষ্ঠিত ফুটবল খেল প্ৰতিযোগিতাৰ ফাইনেল খেলত জয়ী হয় চন্দ্ৰপাৰা এফ চি। কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ আৰক্ষী চকীৰ অন্তৰ্গত লালটাৰী গাঁৱৰ খেলপথাৰত অনুষ্ঠিত খেলৰ নিৰ্দিষ্ট সময়ত ১ -১ গ'লেৰে অমীমাংসিত হয়। যাৰ ফলত টাইব্ৰেকাৰৰ সহায় ল'বলগীয়া হয়। টাইব্ৰেকাৰত চন্দ্ৰপাৰা এফ চি দলে দুই গলৰ ব্যৱধানত জয়ী হ'বলৈ সক্ষম হয়। উল্লেখযোগ্য যে ফাইনেলত বিজয়ী দলক ট্ৰফী প্ৰদান কৰে মুখ্য পৃষ্ঠপোষক তথা মুখ্য অতিথি হিচাপে উপস্থিত থকা বি টি চি পৰিষদৰ বিৰোধী দলপতি দেৱহাছাং বসুমতাৰী। খেলৰ জৰিয়তে সমন্বয়-সম্প্ৰীতি মজবুত হয় বুলি তেওঁ ভাষণ প্ৰসংগত ব্যক্ত কৰে। অগণন দৰ্শক ৰাইজৰ উপস্থিতিত আজিৰ ফাইনেল খেলখন পৰিচালনা কৰে ৰাফেল কিস্কু। তেওঁক লাইনত সহায় কৰে জ্যোতিপ্ৰসাদ ৰায়, সুকুমাৰ টুডু আৰু চতুৰ্থ ৰেফাৰি অমিত কুমাৰ বসুমতাৰী। যোৱা ১৯ চেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা খেল সমূহ শৃংখলা বদ্ধভাৱে সমাপ্ত হোৱাত উদ্যোক্তা সমিতিৰ সভাপতি ৰতন কুমাৰ বৰ্মন আৰু সম্পাদক মুন বৰ্মনে সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# বকোৰ শিংৰা পালাহপাৰা যুৱক সংঘৰ উদ্যোগত ৪ৰ্থ বাৰ্ষিক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, বকো, ২৫ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ বকোৰ শিংৰা পালাহপাৰা যুৱক সংঘৰ উদ্যোগত শিংৰা পালাহপাৰা যুৱক সংঘৰ খেলপথাৰত আয়োজন কৰা চতুৰ্থ বাৰ্ষিক প্ৰাইজমানি ফুটবল খেল প্ৰতিযোগিতাৰ আজি চুৰান্ত খেল। এই চুৰান্ত খেলখনত প্ৰতিদ্বন্দ্বিতা কৰে উত্তৰ পুখুৰীপাৰা বনাম হিট্‌লাৰ ফুটবল দলে। শিংৰা পালাহপাৰা যুৱক সংঘৰ সভাপতি খৰ্গেশ্বৰ ৰাভা আৰু সাধাৰণ সম্পাদক খনিন্দ্ৰ নাথে জনোৱা অনুসৰি যোৱা ১৬ চেপ্তেম্বৰ দিনাখনৰ পৰা আৰম্ভ হোৱা বাৰ্ষিক প্ৰাইজমানি ফুটবল খেল প্ৰতিযোগিতাখন আজি চুৰান্ত খেল। আজিৰ এই খেলখন আনুস্থানিকভাৱে উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অধক্ষ্য সোণাৰাম ৰাভাই। লগতে খেলখনত অতিথি হিচাবে উপস্থিত থাকে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ সদস্যা ৰেল্লিনা জে চাংমা, প্ৰাক্তন কাৰ্যবাহী পাৰিষদ ফ্ৰাইলিন আৰ মাৰাক, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ সদস্যা মেঘালী ৰাভা, বকো জিলা পৰিষদৰ সদস্য কম্বুৰাম ৰাভাৰ লগতে বহু কেইজন বিশিষ্ট অতিথি। এই খেলখনত উত্তৰ পুখুৰীপাৰা বনাম হিট্‌লাৰ বড়ীপাৰা। খেলখনত উত্তৰ পুখুৰীপাৰা দলে ২-১ গলত পৰাজিত কৰে। ইফালে খেল সমাপ্ত হোৱাৰ পিছত বঁটা বিতৰণী সভা অনুষ্ঠিত হয়।


অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব

Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta

• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন